


দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 181 ত্ৰিবিংশ বছৰ, সংখ্যা- ১৮১, ৩১ মে’, দেওবাৰ, ২০২৬, ১৬ জেঠ, ১৯৪৫ শক, BATORI KAKOT, Sunday, 31 May, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




শাসন ব্যৱস্থা শক্তিশালীকৰণ-আন্তগাঁথনি উন্নয়ন- কল্যাণমূলক আঁচনিৰ ওপৰত গুৰুত্ব

## দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ মুখমন্ত্ৰী ড° শৰ্মাৰ

### অনাগত দিনত মোদীৰ পৰা আশীৰ্বাদ-পথ নিৰ্দেশনা কামনা ঃ উন্নয়নৰ স্বাৰ্থত সমৰ্থন জনোৱাৰ আহ্বান

**ষ্টাফ ৰিপৰ্টাৰ, ৩০ মে’ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰী বাসভৱনত সৌজন্যমূলক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে দায়িত্ব গ্ৰহণ কৰাৰ পিছত প্ৰধানমন্ত্ৰীৰ সৈতে এইখনেই আছিল তেওঁৰ প্ৰথম আনুষ্ঠানিক সাক্ষাৎ। সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ নতুনকৈ গঠিত এনডিএ ৩.০ চৰকাৰৰ প্ৰাৰম্ভিক অগ্ৰগতি আৰু অগ্ৰাধিকাৰসমূহৰ বিষয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰে। লগতে ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত অব্যাহত ■ এঘাৰ পৃষ্ঠাত




## মিছ গ্ৰেণ্ড ইণ্ডিয়া ৰাণাৰ্চ আপ মৃগাশ্ৰী বৰুৱাক বিশেষ অভিনন্দন

**তৰুণ বৰা , তেজপুৰ, ৩০ মে’ ঃ** নতুন দিল্লীৰ তালকটোৰা ষ্টেডিয়ামত ‘ষ্টাৰ এন্টাৰটেইনমেন্ট’ৰ দ্বাৰা আয়োজিত ‘মিছ গ্ৰেণ্ড ইণ্ডিয়া ২০২৬’ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সৌন্দয্য কলা প্ৰতিযোগিতাত প্ৰথম ৰানাৰ্ছ আপ খ্যাতি অৰ্জন কৰা অসমৰ জীয়ৰী মৃগাশ্ৰী বৰুৱাক আজি গৃহচহৰ ■ এঘাৰ পৃষ্ঠাত

## শিৱসাগৰত নিৰ্বাচনী ব্যয় পৰ্যবেক্ষকৰ উপস্থিতিত বিধানসভা নিৰ্বাচনৰ হিচাপ মিলকৰণ বৈঠক

**বাতৰি কাকত, শিৱসাগৰ ৩০ মে’ঃ** শিৱসাগৰ নিৰ্বাচনী জিলাৰ তিনিওটা বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ব্যয় পৰ্যবেক্ষক ড° বি ব্ৰহ্ম বিদ্যা (ভা ৰা সে) ৰ তৃতীয় তথা অন্তিমটো ভ্ৰমণৰ অংশহিচাপে ২০২৬ বৰ্ষৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ সৈতে সংগতি ৰাখি শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ভিডিঅ’ কনফাৰেন্স ■ এঘাৰ পৃষ্ঠাত

## অবৈধ পাৰ্কিং, বেদখল উচ্ছেদ দুৰ্ঘটনা প্ৰতিৰোধমূলক ব্যৱস্থাৰ ওপৰত গুৰুত্ব
## ৰাষ্ট্ৰীয় ঘাইপথ সুৰক্ষাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা

**বাতৰি কাকত, মৰিগাঁও, ৩০ মে’ ঃ** মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন সভা জিলা আয়ুক্ত অনামিকা তেৰাৰীৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব কুমাৰী আৰতি, অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক অনিতা হাজৰিকা, সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোহাঁই, জিলা পথ সুৰক্ষা সমিতিৰ সদস্য-সচিব ■ এঘাৰ পৃষ্ঠাত

### ৮২ বয়সতো হাৰ মনা নাই ঃ তালৰ চেৱে চেৱে নাচি আমোদ দিয়ে দৰ্শকক

## শিল্পী পেঞ্চনৰ পৰা বঞ্চিত নাগাৰা নামৰ পাঠক বিষ্ণুৰাম ডাউকা

**বাতৰি কাকত, বাহাৰঘাট, ৩০ মে’ ঃ** কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ কএগু ৰাজহ চক্ৰৰ অন্তৰ্গত সদৈকুছি গাওঁৰ নিবাসী তথা নাগাৰা নামৰ পাঠক বিষ্ণুৰাম ডাউকা আজিও শিল্পী পেঞ্চনৰ পৰা বঞ্চিত হৈ আছিছে। প্ৰায় ৮২ বছৰীয়া নাগাৰা নামৰ পাঠক বিষ্ণুৰাম ডাউকাই কৃষি কাৰ্য কৰি পৰিয়াল পোহপাল দি আহিছে যদিও লৰালি কাল অৰ্থাৎ সপ্তম শ্ৰেণীত পঢ়ি থকা অৱস্থাৰ পৰা নাগাৰা নামৰ পাঠক হিচাবে জড়িত হৈ আজি দহ বছৰ আগতে ভোৰতালৰ শব্দত কানেৰে নুশুনা হৈ নাম পৰিৱেশনৰ পৰা বিৰত থাকি বাৰ্ধক্য জীৱন নিৰ্বাহ কৰি আহিছে যদিও আজিও নাপালে অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত প্ৰদান কৰা শিল্পী পেঞ্চন। ■ এঘাৰ পৃষ্ঠাত

সমাজৰ উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰিব দলে

## ইউনিফৰ্ম চিভিল কোড বিশেষ ধৰ্ম, জাতি-সম্প্ৰদায়ৰ বিৰুদ্ধে নহয়




### সংবাদমেলত বজালী জিলা বিজেপিৰ নেতৃবৃন্দ

**বাতৰি কাকত, পাঠশালা, ৩০ মে’ঃ** দেশৰ অখণ্ডতা, সামাজিক ন্যায় আৰু সমতা প্ৰতিষ্ঠাৰ স্বাৰ্থত অতি প্ৰয়োজনীয় এক বিষয় হিচাপে বিবেচিত ‘ইউনিফৰ্ম চিভিল ■ এঘাৰ পৃষ্ঠাত

## বৰক্ষেত্ৰীৰ ভোলানাথ বৰুৱাক স্মৰণেৰে বাণিজ্য দিৱস উদযাপন

**দৌলাশালৰ পৰা সুৰজিত পাঠক ৩০ মে’ ঃ** নলবাৰী জিলাৰ ৰামপুৰ বজাৰ সমিতিৰ উদ্যোগত আজি অসমৰ ত্যাগী পুৰুষ দানবীৰ সাউদ ভোলানাথ বৰুৱাৰ ১০৩ সংখ্যক মৃত্যু তিথিত বিশিষ্ট ব্যৱসায়ীগৰাকীক স্মৰণ কৰি তেওঁৰ মৃত্যু দিনটো বাণিজ্য দিৱস হিচাপে উদযাপন কৰে। এই উপলক্ষত ■ তিনি পৃষ্ঠাত

স্বচ্চতা-সৌন্দৰ্য বৰ্ধনৰ লক্ষ্যৰে গুৱাহাটী পৌৰ নিগমৰ অভিযান

## মহানগৰবাসীয়ে জাবৰৰ বাবদ দিব লাগিব ৩০ টকাকৈ

### পূৰ্বৰে পৰা একাংশই মহৰীৰ সহযোগত বেআইনীভাৱে সংগ্ৰহ কৰি আহিছে ২০০ টকা

**ষ্টাফ ৰিপৰ্টাৰ, ৩০ মে’ঃ** গুৱাহাটীত স্বচ্ছতা আৰু চহৰৰ সৌন্দৰ্য বৰ্ধনৰ লক্ষ্যৰে গুৱাহাটী পৌৰ নিগমে পুনৰ জাবৰ সংগ্ৰহৰ বাবে মাচুল আৰোপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটীত স্বচ্ছতা আৰু চহৰৰ সৌন্দৰ্য বৰ্ধনৰ লক্ষ্যৰে গুৱাহাটী পৌৰ নিগমে জাবৰ সংগ্ৰহৰ বাবে মাচুল আৰোপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বৃহস্পতিবাৰে অনুষ্ঠিত এক সংবাদমেলত এই ঘোষণা কৰে গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই। সংবাদমেলত মেয়ৰ মৃগেন শৰণীয়াৰ লগতে নিগমৰ আয়ুক্ত চিন্ময় প্ৰকাশ ফুকন আৰু স্মিতা ৰয় উপস্থিত থাকে। মেয়ৰে জনোৱা অনুসৰি,



## নগাঁৱত জিলাত ঋতুস্ৰাৱ অনাময় ব্যৱস্থাপনা দিৱস

**নগাঁও,৩০ মে’ ঃ** নগাঁও জিলা প্ৰশাসনৰ সহযোগত জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ জিলা মহিলা সবলীকৰণ কেন্দ্ৰই ‘বেটী বচাও বেটী পঢ়াও’ অভিযানৰ অধীনত ‘ঋতুস্ৰাৱ সম্পৰ্কে থকা অন্ধবিশ্বাস আৰু বাধা-নিষেধ নাইকিয়া কৰি, মহিলা তথা কিশোৰীসকলৰ বাবে সন্মানেৰে জীয়াই থকাৰ এটা অনুকূল পৰিৱেশ সৃষ্টি কৰা’ৰ মূল বিষয়বস্তুৰে ২০২৬ বৰ্ষৰ ঋতুস্ৰাৱ অনাময় ব্যৱস্থাপনা দিৱস উদযাপন কৰে। এই উপলক্ষে বিশেষ মহিলা সভা আৰু বালিকা সভা উদযাপনৰ লগত সংগতি ৰাখি কিশোৰী আৰু মহিলাসকলৰ মাজত ঋতুস্ৰাৱকালীন স্বাস্থ্য আৰু অনাময় ব্যৱস্থাৰ সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ধাৰাবাহিকভাৱে কেইবাটাও সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীসমূহ ক্ৰমে, ডলংঘাট আই চি ডিএছ প্ৰকল্পৰ অধীনস্থ জাজৰি ৰাজ্যিক চিকিৎসালয়, পাখি মৰীয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ ভূতাই পাথৰি গাওঁ পঞ্চায়ত; ৰূপহী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ দক্ষিণ ফাকলি বালিকা মুক্তাব স্কুল, বঢ়মপুৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ বঢ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ বালিকা বিদ্যালয় আৰু উৰিয়াগাঁও গাওঁ পঞ্চায়তৰ থগী সূত বালক বিদ্যালয়ত অনুষ্ঠিত হয়। এই সজাগতা অনুষ্ঠানসমূহৰ অংশ হিচাপে অংশগ্ৰহণকাৰীসকলৰ মাজত চেনিটাৰী নেপকিন বিতৰণ কৰা হয়। স্বাস্থ্য বিভাগৰ বিষয়া আৰু ■ এঘাৰ পৃষ্ঠাত

## চামগুৰিত পথ দুৰ্ঘটনাত মহিলা নিহত

**বাতৰি কাকত, চামগুৰি, ৩০ মে’ ঃ** নগাওঁ জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰি তিনিআলিত আজি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এগৰাকী মহিলা নিহত হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰি তিনিআলিৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া সময়ত চপতকাৰা অঞ্চলৰ আছমিনা বেগম নামৰ মহিলা গৰাকীয়ে পাৰ হ’বলৈ চেষ্টা কৰা সময়তে এ এছ ২১ এ চি ৩০৬৩ নম্বৰৰ ডাম্পাৰখনে মহতিয়াই নিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত স্থানীয় লোকৰ লগতে আৰক্ষীয়ে উক্ত মহিলা গৰাকীক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষনা কৰে। আনহাতে পথ দুৰ্ঘটনাত নিহত হোৱা মহিলা গৰাকীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে নগাঁও মেডিকেল কলেজ আৰু হাস্পতালৈ প্ৰেৰণ ■ এঘাৰ পৃষ্ঠাত

## বিহপুৰীয়া-নাৰায়ণপূৰ-লখিমপুৰত বৰ্ণাঢ্য আয়োজন

### ৰঙাজান উজীৰৰ টোলত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ৫৩৮ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ প্ৰস্তুতি

**বাতৰি কাকত, বিহপুৰীয়া, ৩০ মে’ঃ** মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰুজ্জ্ব সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আৰু জন্মস্থানৰ শতবৰ্ষৰ উদ্বোধনী অনুষ্ঠানটি অহা ৩১ মে’ আৰু ৰ জুনত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপনৰ ব্যাপক প্ৰস্তুতি চলিছে বিহপুৰীয়া ঃ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ প্ৰপন্ন শিষ্য, মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ৫৩৮ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আৰু জন্মস্থানৰ শতবৰ্ষৰ উদ্বোধনী অনুষ্ঠানটি অহা ৩১ মে’ আৰু ৰ জুনত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। মহাপুৰুষজনাৰ পবিত্ৰ জন্মস্থান উজীৰৰ টোল ৰঙাজানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত ■ এঘাৰ পৃষ্ঠাত

## ডিংডিঙ্গা বজাৰত চিএছচি কেন্দ্ৰত প্ৰৱঞ্চনা স্বত্বাধিকাৰীক গ্ৰেপ্তাৰ

**বাতৰি কাকত, কচুগাঁও, ৩০ মে’ ঃ** কোকৰাঝাৰ জিলাৰ গোসাইগাঁও মহকুমাৰ গ্ৰাহামপুৰ আৰক্ষী চকীৰ অন্তৰ্গত ডিংডিঙ্গা বজাৰত অৱস্থিত এটা কমন ছাৰ্ভিচ চেণ্টাৰক কেন্দ্ৰ কৰি এক উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। কেন্দ্ৰটোৰ স্বত্বাধিকাৰী অজয় গোৱালাৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি গ্ৰাহক আৰু ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন অজুহাত দেখুৱাই অতিৰিক্ত ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ পিছতে সমগ্ৰ অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ ■ এঘাৰ পৃষ্ঠাত

## গেলেকীত শ্ৰমিক কঢ়িয়াই অনা বাহন দূৰ্ঘটনাগ্ৰস্ত ৩৫ শ্ৰমিক আহত

**ষ্টাফ ৰিপৰ্টাৰ,নাজিৰা, ৩০ মে’ ঃ** নাজিৰাৰ গেলেকী ন-আলিত শ্ৰমিক কঢ়িয়াই অনা এখন বাহন দূৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত এগৰাকী অন্তঃসত্বা মহিলাসহ প্ৰায় ৩৫ গৰাকী পুৰুষ - মহিলা শ্ৰমিক আঘাটপ্ৰাপ্ত হয়। ঘটনা মৰ্মে শুকুৰবাৰৰ পুৱা প্ৰায় ৭ বজাত নাজিৰাৰ হাতীপট্টী আৰু বগীচাপৰী অঞ্চলৰ পৰা আন দিনাৰ দৰে আজিও গেলেকী আঠখেলস্থ চাহ বাগিচালৈ কাম কৰিবৰ বাবে হাতীপট্টীৰ প্ৰাঞ্জল পাংগিঙৰ মালিকানাধীন এ এছ ০৪ বি চি - ৯৮৩৮ নম্বৰৰ টাটা এ চি বাহন খনেৰে প্ৰায় ৩৫ গৰাকী পুৰুষ - মহিলা শ্ৰমিক কঢ়িয়াই ■ তিনি পৃষ্ঠাত

গৃহ তালিকা - গৃহ পিয়লৰ তিনিদিনীয়া প্ৰশিক্ষণ

## লোকপিয়লৰ বাবে সাজু শিৱসাগৰ জিলা



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৩০ মে’ ঃ** অসমত ২০২৭ চনৰ লোকপিয়ল (প্ৰথম পৰ্যায়ঃ গৃহ তালিকা আৰু গৃহ পিয়ল)ৰ বাবে শিৱসাগৰ জিলাত বিগত ২৭ মে’ৰ পৰা আৰম্ভ হোৱা জিলা আৰু চাৰ্জ পৰ্যায়ৰ লোকপিয়ল বিষয়াসকলৰ তিনিদিনীয়া জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ অন্তৰ্গত আজি শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত তৃতীয় দিনৰ প্ৰশিক্ষণ সফলতাৰে সম্পন্ন হয়। লোকপিয়ল সঞ্চালকালয়, অসমৰ উদ্যোগত জ্যেষ্ঠ বিষয়াসকলে অতিৰিক্ত প্ৰধান লোকপিয়ল বিষয়া, জিলা লোকপিয়ল বিষয়া, অতিৰিক্ত আৰু উপ-জিলা লোকপিয়ল বিষয়া, ■ এঘাৰ পৃষ্ঠাত

## মূৰে কঁপালে হাত দিছে গোলাঘাটৰ কৃষকে প্ৰতি কিলো বিলাহীৰ মূল্য ৩ টকা নিৰ্ধাৰণ

### কঠোৰ শ্ৰম-জীৱিকাৰ তাড়নাত ৰ’দে বতাহে ঘূৰিছে খেতিয়ক



**বাতৰি কাকত, গোলাঘাট, ৩০ মে’ ঃ** দিন-ৰাতি এক কৰি কৰা পৰিশ্ৰমৰ অন্তত পথাৰত বিলাহীৰ উৎপাদনো প্ৰচুৰ হৈছিল, কিন্তু বৰ্তমান বজাৰৰ চৰম মূল্য বিপৰ্যয়ে কৃষকগৰাকীৰ মূৰত সৰগ ভাগি পৰিছে। বোকাখাতঃ বছৰ বছৰ ধৰি কঠোৰ পৰিশ্ৰমেৰে বুকুত বহু আশা বান্ধি কৃষি কাৰ্যকেই জীৱিকাৰ মূল পথ হিচাপে বাছি লৈছিল গোলাঘাট জিলাৰ বলিন শৰ্মা নামৰ এজন প্ৰগতিশীল খেতিয়কে। ■ তিনি পৃষ্ঠাতে

হাতী-মানুহৰ সংঘাতৰ অন্ত পৰা নাই

## কচুৱাত বনৰীয়া হাতীৰ আক্ৰমণত দুজন নিহত

### আহত তিনি কেইবাটাও ঘৰ কৰিলে লণ্ড ভণ্ড

**বাতৰি কাকত, কামপুৰ, ৩০ মে’ঃ** আজি ধলপুৱাতে চাৰি বজাত কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত কান্দাপাৰা আৰু ৰাঙলুবস্তি ৰাজহ গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলা আৰু এগৰাকী পুৰুষ ব্যক্তিৰ নিহত হোৱাৰ লগতে আন তিনি গৰাকী লোক গুৰুতৰ ভাৱে আহত হয় । নিহত ব্যক্তি সকল ক্ৰমে কান্দাপাৰা গাঁৱৰ প্ৰয়াত হাছান আলীৰ পুত্ৰ ছাহাজ উদ্দিন (৪৮) আৰু ৰাঙলুবস্তি গাঁৱৰ ছিদ্দিক আলীৰ পত্নী হনুফা খাতুন (৪৭ । আহত ব্যক্তি সকল একে পৰিয়ালৰ ক্ৰমে কামাল উদ্দিন, নুৰুল হক আৰু আমিৰ হাজাৰ ।জানিব পৰা মতে যোৱা নিশা ত্ৰিশ-পয়ত্ৰিশ টা বন্য হস্তী লুটমাৰী সংৰক্ষিত বনাঞ্চলৰ লংজাপ পাহাৰৰ পৰা ওলাই আহি খাদ্যৰ সন্ধানত বনাঞ্চলৰ দাতিকাষৰীয়া অঞ্চল ক্ৰমে কান্দাপাৰা,ৰাঙলুবস্তি,আলিটাঙনি,ৰজাআলি গাঁৱত উৰে নিশা সন্ত্ৰাস চলাই বৰো ধান,তামোল বাগান,ঘৰৱেৰ ভাঙি ভৰালৰ ধান খাই তহিলং কৰিছিল । পিছে পুৱাৰ ভাগত পাহাৰলৈ উভতি যাওতে তিনিটা হাতীয়ে হনুফা খাতুন আৰু ছাহাজ উদ্দিনক আক্ৰমণ কৰি নিহত কৰে । পৰিয়ালৰ লোকে জনোৱা মতে হনুফা খাতুন শোৱাৰ পৰা উঠি নামাজ পঢ়িবলৈ নিজৰ ঘৰৰ চোতালত বহি অজু বনাবলৈ ধৰোতে আক্ৰমণ কৰে। হনুফা খাতুনক ■ এঘাৰ পৃষ্ঠাত

# ছিপাঝাৰৰ অংগনাবাড়ী কেন্দ্ৰত হ্ৰাস পাইছে শিক্ষাৰ্থী

## শিশুৰ উৎকৰ্ষ সাধনত ব্যৰ্থ সমাজ কল্যাণ বিভাগ

**বাতৰি কাকত, ছিপাঝাৰ, ৩০ মে' ঃ** ছিপাঝাৰ সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ অধীনস্থ একাংশ অংগনাবাড়ী কেন্দ্ৰত দ্ৰুত হ্ৰাস পাইছে শিশু শিক্ষাৰ্থীৰ সংখ্যা। একাংশ চৰকাৰী বিদ্যালয়ৰ দৰে শিশুৰ অভাৱৰ বাবে বন্ধ হোৱাৰ উপক্ৰম হৈছে বহু অংগনাবাড়ী কেন্দ্ৰ ।বিশেষকৈ প্ৰকল্প কাৰ্যালয়ৰ অধীনস্থ ভিতৰুৱা গ্ৰামাঞ্চলৰ বহু কেন্দ্ৰত নাই পৰ্যাপ্ত শিশু। মূলতঃ শিশুৰ উৎকৰ্ষ সাধনত ব্যৰ্থ হৈছে সমাজ কল্যাণ বিভাগ। শিশুৰ শাৰীৰিক, মানসিক আৰু শৈক্ষিক বিকাশৰ বাবে স্থাপন কৰা অধিকাংশ কেন্দ্ৰ ব্যৰ্থ হৈছে নিৰ্দিষ্ট লক্ষ্য পূৰণত ।পোনতে অংগনাবাড়ী কেন্দ্ৰ সমূহত শিশুৰ সংখ্যা আশানুৰূপ আছিল। সম্প্ৰতি এই ছবিৰ দ্ৰুত গতিত পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। একাংশ অভিভাৱকে অংগনাবাড়ী কেন্দ্ৰৰ প্ৰতি ব্যাপক অনীহা প্ৰকাশ কৰা পৰিলক্ষিত হৈছে ।বহু অংগনাবাড়ী কেন্দ্ৰৰ কৰ্মী -সহায়িকাই সময় মতে কেন্দ্ৰত উপস্থিত নোহোৱা, শিক্ষা দান আৰু বিভিন্ন আঁচনি ৰূপায়নৰ নামত আভুৱা-ভাৰি থকাৰ অভিযোগ উত্থাপিত হৈছে। অংগনাবাড়ী কেন্দ্ৰৰ প্ৰতি অভিভাৱক তথা শিশুক আকৰ্ষিত কৰাত ব্যৰ্থ হৈছে ।প্ৰকল্পটোৰ অধীনস্থ বহু অংগনাবাড়ী কেন্দ্ৰৰ শৈক্ষিক ব্যৱস্থা কাগজে-পত্ৰত সীমাবদ্ধ হোৱাৰ উপক্ৰম হৈছে। কোনো দিনে অংগনাবাড়ী কেন্দ্ৰ গছকি নোপোৱা একাংশ শিশুৰ নাম কাগজে -পত্ৰত অন্তৰ্ভুক্ত কৰি চলি আছে বহু অংগনাবাড়ী কেন্দ্ৰ। চাৰিৰ্ঙপাঁচ জনকৈ শিশুৰে চলি আছে বহু অংগনাবাড়ী কেন্দ্ৰ ।অথচ নথি -পত্ৰত অন্তৰ্ভুক্ত হৈ আছে বহুতৰ নাম ।একাংশ অংগনাবাড়ী কৰ্মীয়ে ৰঙ্মঙ্গৰৰ বজাত উপস্থিত হৈ কিছুসময় থাকি ঘৰমুৱা হোৱাৰ অভিযোগ দীৰ্ঘদিনীয়া। কৰ্তব্যত পাল মৰা কৰ্মী -সহায়িকাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণত চূড়ান্ত ভাৱে ব্যৰ্থ হৈছে ছিপাঝাৰ প্ৰকল্প কাৰ্যালয় ।ইফালে ছিপাঝাৰ সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ অধীনস্থ একাংশ পৰ্যবেক্ষকে (ছুপাৰভাইজাৰ) কেন্দ্ৰ পৰিদৰ্শন নকৰাকৈয়ে প্ৰস্তুত কৰে প্ৰতিবেদন প্ৰস্তুত কৰাৰ অভিযোগ বহুদিনীয়া। অংগনাবাড়ী কৰ্মীৰে বুজাবুজি কৰি চলি থকাৰ অভিযোগ একাংশ ছুপাৰভাইজাৰৰ বিৰুদ্ধে। উল্লেখ্য অংগনাবাড়ী কেন্দ্ৰ সমূহ নিয়মীয়াকৈ পৰিদৰ্শন কৰি কাম-কাজ, উপস্থিতি, শৈক্ষিক ব্যৱস্থা, ৰন্ধা -বঢ়া,শিশু খাদ্য বিতৰণ আদি ব্যৱস্থাৰ বুজ ল'ব লাগে কিন্তু বহু ছুপাৰভাইজাৰে কেন্দ্ৰত উপস্থিত হৈ এই দিশ সমূহ পৰ্যবেক্ষণ নকৰাৰ বাবে ক্ৰমাৎ আস্থা হেৰুৱাইছে অংগনাবাড়ী কেন্দ্ৰই ।অভিযোগ অনুসৰি, ক্লাষ্টাৰ ভিত্তিত অনুষ্ঠিত অংগনাবাড়ী কৰ্মী-সহায়িকাৰ সভাত উপস্থিত থাকি ছুপাৰভাইজাৰ সমূহে নিজৰ অধীনস্থ কেন্দ্ৰৰ প্ৰতিবেদন প্ৰস্তুত কৰে। অৱশ্যে মূল পথৰ দাঁতিত থকা অংগনাবাড়ী কেন্দ্ৰ সমূহ সঘনাই পৰিদৰ্শন কৰিলে গ্ৰামাঞ্চলত থকা শ-শ অংগনাবাড়ী কেন্দ্ৰ মাহৰ পিছত মাহ ধৰি পৰিদৰ্শন নকৰে। যাৰ সুযোগ গ্ৰহণ কৰে একাংশ অংগনাবাড়ী কেন্দ্ৰৰ কৰ্মী -সহায়িকা সকলে। ইফালে বহু অংগনাবাড়ী কেন্দ্ৰৰ বিধ্বস্ত গৃহই জলা-কলা খুৱাইছে কৰ্মী-সহায়িকাক ।যাৰ ঋণাত্মক প্ৰভাৱ পৰিছে সমাজ কল্যাণৰ অভিলাষী প্ৰকল্পত ।

## কঠিয়াতলীত নিশা ভয়ংকৰ পথ দুৰ্ঘটনা



**বাতৰি কাকত, কচুৱা, ৩০ মে' ঃ** নগাঁৱৰ নিজ কঠিয়াতলীত নিশা সংঘটিত হয় ভয়ংকৰ পথ দূৰ্ঘটনা। তীব্ৰবেগী চাৰিচকীয়া বাহনে মহতিয়াই নিয়ে চাইকেল আৰোহীক। সংকটজনক অৱস্থাত চাইকেল আৰোহী জনক নগাঁৱৰ চিকিৎসালয়লৈ প্ৰেৰণ । চাৰিচকীয়া বাহনত থকা কেইবাজনো লোক কম বেছি পৰিমানে আহত হয় । দূৰ্ঘটনা সংঘটিত কৰা বাহনৰ নং AS-02X 7854

## নলবাৰীৰ গোৱালপাৰাত অৱসৰী আৰক্ষী বিষয়াৰ গৃহত চুৰি

**ষ্টাফ ৰিপৰ্টাৰ, নলবাৰী, ৩০ মে' ঃ** চুৰি ডকাইতিৰ সন্ত্ৰাস অব্যাহত আছে নলবাৰীত । নলবাৰীৰ বিভিন্ন প্ৰান্তত চোৰে চলাই আহিছে তাণ্ডৱলীলা । নলবাৰীৰ গোৱালপাৰাৰ পশ্চিম চুবুৰীত এইবাৰ চোৰে চলালে চাফাই অভিযান । অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া আব্দুল ফাজেৰ আলী আৰু ৰীণা বেগমৰ বাসগৃহত ঈদৰ দিনা নিশা চোৰৰ দলে চলালে লুটপাত । ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰৰ দলে সংঘটিত কৰিলে চুৰিকাণ্ড। চোৰৰ দলটোৱে মূল গৃহৰ লোৰ গ্ৰীলৰ তলা আৰু মূল দৰ্জাৰ লক্ক ভাঙি গৃহত প্ৰৱেশ কৰি সংঘটিত কৰে এই চুৰিকাণ্ডৰ ঘটনা। চোৰৰ দলটোৱে চুৰিকাণ্ডত ব্যৱহৃত চিপৰাং এৰি থৈ যায়। চোৰৰ দলটোৱে আব্দুল ফাজেৰ আলীৰ ঘৰৰ পৰা কাঁহৰ বাচন বৰ্তন, পাটৰ কাপোৰ ৭ যোৰ, সোণৰ আঙুঠি ৩ টা, সোণৰ নেকলেচ ১ ডাল, সোণৰ চেইন ১ ডাল, সোণৰ কাণফুলি ২ যোৰ, নগদ ৯২ হেজাৰ টকাৰ লগতে ২ টা প্ৰেচাৰ কুকাৰকে ধৰি অন্যান্য সা- সামগ্ৰী চুৰি কৰি লৈ । চোৰৰ দলটোৱে পৰিয়ালটোৰ বিভিন্ন কোঠাৰ পৰা দুটা গড্ৰেজ আৰু এটা শ্বো-কেচ ভাঙি পাট মুগাৰ কাপোৰ আৰু সোণৰ আ-অলঙ্কাৰ , নগদ ধন লৈ পলায়ন কৰে । ঈদ উপলক্ষে পৰিয়ালটোৰ চাৰিজনীয়া সদস্যই তেওঁলোকৰ গুৱাহাটীৰ ভেটাপাৰাৰ সাওকুছি স্থিত নিজ গৃহলৈ বুলি যোৱাৰ সুযোগ বুজি সংঘটিত কৰে এই চুৰিকাণ্ড । ভুক্তভোগী পৰিয়ালটোৱে ইতিমধ্যে বেলশৰ আৰক্ষী থানাত লিখিত এজাহাৰ দাখিল কৰিছে। অঞ্চলটোত সঘনাই সংঘটিত চুৰিকাণ্ডত এতিয়া অতিষ্ঠ হৈ পৰিছে স্থানীয় সচেতন মহল। অঞ্চলটোত গাঁওৰক্ষী বাহিনী আৰু আৰক্ষীৰ টহলৰ সু-ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় সচেতন মহলে।

## নলবাৰীত সংবাদমেল ঃ মুখপাত্ৰ কমল মেধি

**মজিবুৰ ৰহমান, নলবাৰী, ২৯ মে' ঃ** বিধানসভাৰ মজিয়াত উত্থাপিত বিষয় সম-দেৱানী সংহিতা, অসম-২০২৬ সন্দৰ্ভত আজি নলবাৰী জিলা বিজেপি কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰে । সংবাদমেল সম্বোধন কৰে বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ কমল মেধিয়ে । জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱা, সম্পাদক পুলক কুমাৰ শৰ্মা, বিজেপিৰ নলবাৰী জিলা সংবাদ মাধ্যমৰ আহ্বায়ক কুলদীপ কলিতা, গোকুল মহন্তকে প্ৰমুখ্য কৰি বিজেপি কৰ্মকৰ্তা সকলৰ উপস্থিতিত আয়োজিত সংবাদমেলত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল মেধিয়ে অসম বিধানসভাত গৃহীত কৰা ইউ চি চি বিধেয়ক সন্দৰ্ভত মুল কথাবোৰ ৰাইজক জনাবলৈ আয়োজন কৰে এই সংবাদমেলৰ । চলিত মাহৰ ২৭ মে'ত বিধানসভাৰ মজিয়াত ইউ চি চি বিলখন অনা হয় । ৰাজ্যপালে গৃহীত কৰাৰ পিছত এই বিলখন আইনলৈ ৰূপান্তৰ হ'ব। এক দেশ এক আইন। ধৰ্মৰ ভিত্তিত বিবাহ - ডিভোৰ্চ, উত্তৰাধিকাৰী আদিত পৃথক-পৃথক আইন থকাটো উচিত নহয় । তেওঁ কয়, এখন দেশত এইবোৰ গুৰুত্বপূৰ্ণ বিষয়ত সম আইন হ'ব লাগে আৰু সেই সম আইন আনিব ইউ চি চি আইনখনে। এই আইনে বিশেষকৈ মুছলমান মহিলা সকলক অধিক ন্যায় প্ৰদান কৰিব ।এই আইনৰ পিছত এক বিশেষ ধৰ্মৰ ক্ষেত্ৰত দেখিবলৈ পোৱা মহিলা সকল পন্য হিচাপে নহয়, সম মৰ্যদাৰে-গৌৰৱৰে জীয়াই থাকিব পাৰিব। এই যুগন্তকাৰী তথা সাহসী পদক্ষেপৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মা সকলোৰে ধন্যবাদৰ পাত্ৰ বুলিও তেওঁ কয় ।

## কঠামাৰা দুৱৰীপাৰা পথত যাত্ৰীৰ মৰণপন যাত্ৰা

**বাতৰি কাকত, ছিপাঝাৰ, ৩০ মে' ঃ** চৰকাৰৰ লোক নিৰ্মাণ বিভাগে চৌদিশে বিভাগৰ উন্নয়নৰ বৰঢোল বজাই ফুৰাৰ সময়তে প্ৰকৃততে এই বৰঢোল যে ফটাঢোলহে তাক ছিপাঝাৰৰ কঠামাৰা- দুৱৰীপাৰা লোক নিৰ্মাণ বিভাগৰ পকী পথছোৱাই উদঙাই দিছে ।বিভাগৰ যিটো পথ বিধ্বস্ত হৈ পৰাৰ লগতে দুৱৰীপাৰাত ঠাই বিশেষে সৃষ্টি হৈছে গাঁতৰ ।যাৰ বাবে ৰাইজৰ লগতে স্কুল -কলেজৰ ছাত্ৰ ছাত্ৰী সকলে যাতায়াতত চৰম দুৰ্ভোগ ভুগিব লগীয়া হৈছে। বিগত সময়ত যুৱ ছাত্ৰ পৰিষদে ৰাইজৰ সহযোগত পথটোত জাকৈ , পক্ষলো মাৰি প্ৰতিবাদ কৰি বিভাগৰ ব্যৰ্থতা উদঙাই দি মেৰামতিৰ দাবী জনাইছিল যদিও আজিলৈ কোনো ব্যৱস্থা গ্ৰহন নকৰাৰ অভিযোগ উত্থাপন হৈছে ।জনপ্ৰতিনিধিৰো পথটোকলৈ গুৰুত্ব দিয়া ৰাইজে দেখা নোপোৱাৰ উঠিছে অভিযোগ। অৱশ্যে বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত পথটোৰ দুৱৰীপাৰাত পুখুৰী সদৃশ গাঁতত কেই গাড়ীমান শিল -বালি পেলাই চলাচলত অকমান সুবিধা কৰি দিয়া বুলি প্ৰকাশ। ইফালে এজাক বৰষুণ দিলেই পথটোৰ গাঁত সমূহত পানী জমা হয় আৰু যাতায়াতত অসহ্য যন্ত্ৰণা ভোগ কৰিবলগীয়া হয়। উল্লিখিত পথটো ছিপাঝাৰৰ পশ্চিমাঞ্চলৰ ৰাইজৰ বাবে যোগাযোগ তথা শিক্ষা , স্বাস্থ্য ব্যৱসায় বাণিজ্য, অফিচ -কাছাৰী আদি সকলো ফালৰ পৰা মুখ্য পথ আৰু ব্যস্ততাপূৰ্ণ পথ ।যিটো পথৰে দৈনিক দিন আৰু নিশাৰ ভাগত শ-শ লোকৰ চলাচলৰ লগতে সৰু-বৰ যান বাহনৰ আহ -যাহ চলে। এনে এটা সদা ব্যস্ত লোক নিৰ্মাণ পথৰ জৰাজীৰ্ণ অৱস্থাৰ পাছতো বিভাগে মেৰামতি নকৰাতো আশ্বৰ্যজনক কথা। বিশেষকৈ দুৱৰীপাৰা জামে মছজিদৰ সমীপত সৃষ্টি হোৱা লেতেৰা পানীৰ বাবে ৰাইজে চলাচল কৰাত জীয়াতু ভুগিব লগীয়া হৈছে। একেদৰে গাঁও খনৰ শিৱ মন্দিৰৰ সমীপত পথচাৰী চলাচল কৰিব নোৱাৰা হৈ পৰিছে। গাড়ী এখন গ'লে পথচাৰী মানুহৰ গাত বোকাময় লেতেৰা পানী পৰে। তদুপৰি আঁঠুৰ ওপৰলৈ কাপোৰ কোচাই লৈহে খোজ কাঢ়িব লাগে। অতিকে গুৰুত্বপূৰ্ণ এনে এটা বিধ্বস্ত পথ দীৰ্ঘদিনে মেৰামতি নোহোৱাকৈ পৰি থকাত বিভাগৰ সফলতাৰ ছবিখন উদঙাই দেখুৱাইছে বুলি সকলোৱে কক্সৱ খোজে। উল্লেখ্য যে ২০২৩ বৰ্ষৰ জুলাই মাহত পথটোৰ সমীপত ননৈ নদীৰ মথাউৰি ছিগি লোক নিৰ্মাণ বিভাগৰ পকী পথটোৰ ক্ষতিসাধন কৰিছিল। কিন্তু সেই সময়তেই পথটো মেৰামতিৰ প্ৰয়োজন থকা সত্বেও বিভাগে মেৰামতি নকৰি পেলাই থোৱাত ৰাইজে আজি যাতায়াতত যমৰ যাতনা ভুগিব লগীয়া হৈছে।

## বিধায়ক নাৰায়ন ডেকাৰ কৃষি বিভাগৰ কাৰ্যালয় পৰিদৰ্শন

**সুৰজিত পাঠক, দৌলাশাল, ৩০ মে' ঃ** নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক নাৰায়ন ডেকাই আজি সমষ্টিটোৰ বৰতলাস্থিত মহকুমা কৃষি বিভাগৰ কাৰ্যালয়ত উপস্থিত হয় । বিধায়ক নাৰায়ন ডেকাই কাৰ্যালয়টো পৰিদৰ্শন কৰি কাৰ্যালয়ৰ বিভিন্ন কাম-কাজ আৰু অভাৱ-অভিযোগ সম্পৰ্কত বুজ লয় । কাৰ্যালয়টোৰ বিভিন্ন কাম-কাজ সম্পৰ্কত মহকুমা কৃষি বিষয়া অন্তৰা কাকতি, কৃষি উন্নয়ন বিষয়া ক্ৰমে মৌচুমী ঠাকুৰ, ৰাজেশ চিন্তে আৰু কাৰ্যালয়টোৰ কৃষি সম্প্ৰসাৰণ বিষয়াসকলৰ স'তে মত বিনিময় কৰে । কাৰ্যালয়টোত নতুনকৈ যোগদান কৰে কৃষি সম্প্ৰসাৰণ বিষয়াসকলৰ সক্সতেও চিনাকী পৰ্বত অংশ লয় বিধায়ক নাৰায়ন ডেকাই । বিধায়ক নাৰায়ন ডেকাই মহকুমা কৃষি বিভাগৰ জৰাজীৰ্ণ কাৰ্যালয়টো পৰিদৰ্শন কৰি কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীসকলৰ অভাৱ-অভিযোগসমূহ দূৰ কৰাৰ আশ্বাস প্ৰদান কৰে । উল্লেখ্য যে নাৰায়ন ডেকাই ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পাছত আজি বৰতলাস্থিত মহকুমা কৃষি বিভাগৰ কাৰ্যালয়টোত উপস্থিত হোৱাত বিধায়কগৰাকীক ফুলাম গামোচা , শৰাই আৰু শুভেচ্ছামূলক উপহাৰেৰে সম্বৰ্ধনা জনায় । পৰিদৰ্শনকালত বিধায়ক নাৰায়ন ডেকাক সংগ দিয়ে বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী, ৫২নং বৰতলা-কালদি গাঁও পঞ্চায়তৰ সভানেত্ৰী মিতালী মেধি, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা, স্থানীয় গাঁওপ্ৰধান অন্নৰাম বৰ্মনকে প্ৰমুখ্য কৰি ভাৰতীয় জনতা পাৰ্টীৰ একাংশ কাৰ্যকৰ্তাই ।

## ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক পালনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা টাস্ক ফৰ্চৰ বৈঠক সম্পন্ন

**বাতৰি কাকত, শিৱসাগৰ, ৩০ মে' ঃ** শিৱসাগৰ জিলাত আগন্তুক ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক দিন (National Immunisation Days- NID) কাৰ্যসূচী সফলভাবে ৰূপায়ণৰ বাবে গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতিমূলক ব্যৱস্থাৱলী চূড়ান্ত কৰাৰ উদ্দেশ্যে আজি শিৱসাগৰ আদৰ্শ চিকিৎসালয়ৰ সভাকক্ষত জিলা টাস্ক ফ'ৰ্চ (District Task Force)ৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জনস্বাস্থ্যৰ সুৰক্ষাৰ সৈতে জড়িত এই গুৰুত্বপূৰ্ণ অভিযান অহা ২৮ জুনৰ পৰা ৩০ জুনলৈ চলিব। সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকৰ ওচৰলৈ স্বাস্থ্যসেৱা আগবঢ়াই নিয়াৰ উদ্দেশ্যে জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগে সকলো নিৰ্ধাৰিত বিদ্যালয় উক্ত কাৰ্যসূচীৰ উদ্বোধনী দিনটোত সম্পূৰ্ণৰূপে খোলা ৰাখিবলৈ আৰু এইসমূহক প্ৰাথমিক টিকাকৰণ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ ইতিমধ্যে নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ সকলো ভৌগোলিক অঞ্চল সামৰি ল'বলৈ এই অভিযানত চাৰিজনীয়া সদস্যৰ এক সু-সমন্বিত দলৰ নেটৱৰ্ক নিয়োজিত কৰা হ'ব। চিকিৎসা কৰ্মীৰ অভাৱৰ বাবে জিলা প্ৰশাসনে আন্তঃ বিভাগীয় সম্পদ একত্ৰিত কৰিছে, য'ত অক্সিলিয়ৰী নাৰ্চ মিডৱাইফ (ANM) আদিৰ দৰে অগ্ৰণী স্বাস্থ্যকৰ্মীসকলক সমাজ কল্যাণ বিভাগৰ কৰ্মী, আশা কৰ্মী আৰু অংগনবাড়ী কৰ্মীৰ সৈতে সংযোজিত কৰা হৈছে। এই গোটসমূহে চিকিৎসালয়, স্থানীয় উপ-কেন্দ্ৰসমূহ আৰু অংগনবাড়ী কেন্দ্ৰত স্থায়ী বুথ হিচাপে কাম কৰিব। আনহাতে, বিশেষ পৰিবহন (Transit) দলসমূহে ৰেল ষ্টেচন, বাছ টাৰ্মিনেল আৰু অটো আস্থানৰ দৰে জনবহুল ৰাজহুৱা স্থানসমূহত চেকপইণ্ট স্থাপন কৰি ভ্ৰমণকাৰী শিশুসকলক প্ৰতিষেধক প্ৰদান কৰিব। একে সময়তে, ম'বাইল 'ক্লিন টীম' সমূহে অতিৰিক্ত ভিতৰুৱা গাঁও, ইটাভাটা আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহত পলিঅ' প্ৰতিষেধক খুৱাবলৈ এক নিৰ্দিষ্ট আৰু সময়সাপেক্ষে সূচী অনুসৰি কাম কৰিব। এই তিনিদিনীয়া নিৰন্তৰ অভিযানৰ সফল ৰূপায়ণ সম্পূৰ্ণৰূপে আন্তঃ বিভাগীয় সমন্বয়ৰ ওপৰত নিৰ্ভৰশীল। সমাজ কল্যাণ আৰু শিক্ষা বিভাগে ঘৰে ঘৰে গৈ জনসাধাৰণক একত্ৰিত কৰা আৰু বিদ্যালয় পৰ্যায়ৰ সমন্বয়ৰ নেতৃত্ব ল'ব। ইয়াৰ উপৰিও, টিকাকৰণ গোটসমূহৰ সুচল যাতায়তৰ বাবে বাহনৰ ব্যৱস্থা কৰা আৰু গুৰুত্বপূৰ্ণ কোল্ড-চেইন সংৰক্ষণ (cold-chain storage) তথা টিকাকৰণ কেন্দ্ৰসমূহত অবিৰত বিদ্যুৎ যোগান নিশ্চিত কৰাৰ দায়িত্ব শক্তি আৰু পৰিবহণ খণ্ডক অৰ্পণ কৰা হয়। তথ্যৰ সঠিকতা বজাই ৰাখিবলৈ আৰু কোনো শিশু যাতে বাদ পৰি নাযায়, তাৰ বাবে ক্ষেত্ৰভিত্তিক কৰ্মীসকলে এক কঠোৰ ক্ষেত্ৰত ভিত্তিক ভেৰিফিকেচন প্ৰট'কল বা শাৰীৰিক পৰীক্ষণ নিয়ম কাৰ্যকৰী কৰিব। সাধাৰণ নিৰ্বাচন প্ৰক্ৰিয়াৰ দৰেই, প্ৰতিষেধক গ্ৰহণ কৰা সকলো শিশুৰ আঙুলিত চিয়াহীৰ দাগ দিয়া হ'ব যাতে তেওঁলোকক সহজে চিনাক্ত কৰিব পৰা যায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত ৰনন্ময় ভৰদ্বাজ, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন কলিতা, অতিৰিক্ত মুখ্য চিকিৎসা স্বাস্থ্য বিষয়া (পৰিয়াল কল্যাণ) ডাঃ অৰুন্ধতী বড়া হাজৰিকা, জিলা প্ৰতিষেধক ডাঃ ৰুমা শ্যাম, জিলা প্ৰকল্প বিষয়া ধ্ৰুৱজ্যোতি শইকীয়া, যান-বাহন পৰিদৰ্শক, বিষয়া জ্ঞানদ্বীপ দাস, জিলা জনস্বাস্থ্য পৰিচৰ্যা বিষয়া কল্পনা ভৰালী, শিশু কল্যাণ প্ৰকল্প বিষয়াদ্বয় বিভা মেধি আৰু সান্তনা বৰুৱা, জিলা সম্প্ৰসাৰণ আৰু গণমাধ্যম বিষয়া প্ৰদীপ দত্ত প্ৰমুখ্যে স্বাস্থ্য আৰু অন্যান্য সংশ্লিষ্ট বিভাগীয় বিষয়া-কৰ্মচাৰী উপস্থিত থাকে


**Name Correction**

My Original and Correct name is RUPJYOTI BORO and Father's Original and Correct name is BIKASH BORO. Which is recorded in my all relevant documents . But my own AADHAAR card Vide No - 8168 5738 8842. at my name wrongly Printing RUPJYOTI RABHA instead of RUPJYOTI BORO and Father's name Wrongly Printing ARUN RABHA instead of BIKASH BORO .Therefore in accordance as per Affidavit of the Hon'bal Court I Corrected my name is RUPJYOTI BORO and Father's name is Bikash Boro.

**Sd/- RUPJYOTI BORO**
S/of - Bikash Boro
Village - Bahjani, Boko
Kamrup, Assam
781135.



**Name Correction**

My actual/correct is Salomi Kisku which is recorded on my Aadhaar Card Vide-7925 1311 9405, Pan Card vide Card No-MJRPK1664G including all my relevant documents. Due to clerical error my name has been wrongly recorded on my Assam Gramin Vikash Bank vide Account Number-7136026063742 maintained at Kachugaon Branch as Salmi Kisku instead of the correct. Both Salmi Kisku and Salomi Kisku is/are the same and one identical person, represent me.

**Saloni Kisku**
C/O- Suniram Murmu.
R/O of Vill- Lalpur F.V.
P.O.- Joyma Bazar
P.S.- Gossaigaon,
District–Kokrajhar
BTC, (Assam).


## পানী-অনাময় সমিতিৰ সভাত নগাঁও জিলা আয়ুক্তৰ সকীয়নি

**মহিব উল্লাহ, নগাঁও, ৩০ মে' ঃ** পানীযোগান আঁচনি এখন সম্পূৰ্ণ কৰিলেই বিভাগীয় বিষয়া-কৰ্মচাৰীৰ দায়িত্ব আৰু কৰ্তব্য শেষ হৈ নাযায়। সেই কামটোৰ দ্বাৰা স্থানীয় ৰাইজে পানী সঠিকভাৱে পোৱাটো যিকোনো উপায়ে নিশ্চিত কৰিব লাগিব। আজি নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত জিলা পানী আৰু অনাময় সমিতিৰ সভাত সভাপতিত্ব কৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এইদৰে কয়। তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰৰ এই সুন্দৰ আঁচনিখনৰ দ্বাৰা প্ৰতিঘৰ লোকৰ পদূলিত বিশুদ্ধ খোৱা পানীৰ যোগান নিশ্চিত কৰিব লাগিব। তাৰবাবে আঁচনি সম্পূৰ্ণ হোৱাৰ পিছত ৰাইজৰ সৈতে মুকলিকৈ কথা পাতিব লাগিব। ইয়াৰ আৱশ্যকতা বুজাই ক'ব লাগিব। এই ক্ষেত্ৰত সকলো বিভাগৰ মাজত সমন্বয় সাধনৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে আৰু বিভাগীয় বিষয়াসকলক পৰস্পৰৰ মাজত সহযোগিতাৰ ভাব গঢ়ি তোলাৰ বাবে আহ্বান জনায়। তেওঁ এই বিষয়ৰ পৰৱৰ্তী সভাত অধিক প্ৰগতি নিশ্চিত কৰিবলৈ বিভাগীয় বিষয়া সকলক নিৰ্দেশ দিয়ে। আজিৰ সভাত জিলাখনত চলি থকা জল জীৱন মিছন আৰু স্বচ্ছ ভাৰত মিছনৰ আঁচনি সমূহৰ অগ্ৰগতি আৰু প্ৰতিবন্ধকতা সম্পৰ্কে আলোচনা কৰা হয়। সভাত পাৱাৰ পইণ্টৰ জৰিয়তে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাই প্ৰতিখন আঁচনিৰ শেহতীয়া তথ্য দাঙি ধৰে। সভাত ধিং সমষ্টিৰ বিধায়ক মেহবুব মোক্তাৰ, অতিৰিক্ত আয়ুক্ত দীপাংকৰ বৰ্মনৰ উপৰি আন আন সমষ্টিৰ বিধায়কৰ প্ৰতিনিধিসকল, লোক নিৰ্মাণ পথ, জলসিঞ্চন, জনসংযোগ আদি বিভাগ, অসম শক্তি বিতৰণ প্ৰতিষ্ঠানৰ বিষয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক, যুটীয়া স্বাস্থ্য সঞ্চালক, জিলা কৃষি বিষয়া, নগাঁও বন সংমণ্ডল বিষয়া প্ৰমুখ্যে বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতি থাকে।

## চন্দ্ৰমোহন পাটোৱাৰীক সম্বৰ্ধনা জ্ঞাপন

**কুমুদ বৰ্মন, টিহু, ৩০ মে' ঃ** নৱগঠিত টিহু সমষ্টিৰ প্ৰথম গৰাকী নৱনিৰ্বাচিত বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক বালি গাঁও উন্নয়ন সমিতিয়ে বিধায়কগৰাকীৰ বাসভৱনত বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে আজি বালি গাঁও উন্নয়ন সমিতিৰ এটি সঁজাতি দলে নৱনিৰ্বাচিত বিধায়ক গৰাকীৰ বাসভৱনত উপস্থিত হৈ বিধায়ক গৰাকীক সম্বৰ্ধনা পত্ৰ, জাপি, ফুলাম গামোচা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বালি গাঁও উন্নয়ন সমিতিৰ সভাপতি হেমন্ত কুমাৰ ভাগৱতী উপ-সভাপতি প্ৰমোদ হালৈ সম্পাদক সত্যবান মেধি জ্যেষ্ঠ সদস্য প্ৰবীণ মেধি সদস্য ক্ৰমে পৰেশ বৈশ্য ভৱানী প্ৰসাদ শৰ্মা সোণেশ্বৰ বৈশ্য মুকুল বৈশ্য উপেন্দ্ৰ কলিতা সমন্বিতে প্ৰতিনিধি দলটোৱে বিধায়কগৰাকীক সম্বৰ্ধনা জনাই বালি গাঁৱৰ বিভিন্ন সমস্যা অৱগত কৰে । অনাগত দিনত বিধায়কগৰাকীয়ে আটাইবোৰ সমস্যাই সমাধান কৰিবলৈ সক্ষম হ'ব বুলি প্ৰতিনিধি দলটোৱে উল্লেখ কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক চন্দ্ৰ মোহন পাটোৱাৰীয়ে নৱগঠিত টিহু সমষ্টিৰ প্ৰথম গৰাকী বিধায়ক হিচাপে সমষ্টিটোৰ অধিক দায়িত্ব বাঢ়িব আৰু সমষ্টিটোৰ দ্ৰুত উন্নয়নত গুৰুত্ব প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে।

## শিৱসাগৰ নগৰৰ বিশাল মেগা মাৰ্টত অগ্নিকাণ্ড




**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৩০ মে' ঃ** শিৱসাগৰ নগৰৰ বিশাল মেগা মাৰ্টত আজি বিয়লি অগ্নিকাণ্ড সংঘটিত হয়। বিশাল মেগা মাৰ্টৰ দ্বিতীয় মহলাত থকা ফুড চেকচনত সংঘটিত হয় এই অগ্নিকাণ্ড ।নিমিষতে সমগ্ৰ বিশাল মেগামাৰ্ট ক'লা ধোঁৱাই আৱৰি ধৰে। বিশাল মেগা মাৰ্টৰ কৰ্মচাৰীৰ পৰা জানিব পৰা মতে কৰ্মচাৰী সকল তিনি ভাগত বিভক্ত হৈ তৎপৰতাৰে প্ৰশিক্ষণ লোৱাৰ দৰে জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতো বিশাল মেগা মাৰ্টৰ ভিতৰত ক'লা ধোঁৱাই আৱৰি ধৰে। এই সময়তে আৰক্ষী বিভাগৰ পৰা খবৰ পাই ৰাজ্যিক অগ্নি নিৰ্বাপক বাহিনীৰ তিনিখনকৈ গাড়ী উপস্থিত হৈ জুই নিয়ন্ত্ৰণৰ চেষ্টা চলায়। চৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে বুলি অভিযোগ উত্থাপিত হৈছে ।দ্বিতীয় মহলাত এখনো খিৰিকি নথকাৰ বাবে আৰু এ চি থকাৰ বাবে ক'লা ধোঁৱাই আৱৰি ধৰে বুলি অগ্নিনিৰ্বাপক বাহিনীৰ সূত্ৰৰ পৰা জানিব পৰা গৈছে। ক'লা ধোঁৱাই সমগ্ৰ বিশাল মেগামাৰ্ট আগুৰি ধৰাৰ ফলত অক্সিজেন মাস্ক লৈ ভিতৰত প্ৰৱেশ কৰিবলগা হয় অগ্নিনিৰ্বাপক বাহিনীৰ লোক। জুই নিয়ন্ত্ৰণৰ বাবে অগ্নিৰ্বাপক বাহিনীৰ দলে বিশেষ সঁজুলিৰ সহায়ত প্ৰচেষ্টা চলায় । বাতৰি প্ৰেৰণ কৰাৰ সময়লৈকে হতাহতৰ কোনো খবৰ লাভ কৰা হোৱা নাই যদিও অগ্নিকাণ্ডত অসুস্থ হৈ পৰে ১০ জনতকৈ অধিক কৰ্মচাৰী ।অগ্নিকাণ্ডৰ ফলত সমগ্ৰ শ্বপিং মলটো কলা ধোঁৱাই আগুৰি ধৰাৰ ফলত কৰ্তব্যত থকা কৰ্মচাৰীসকলৰ উশাহ - নিশাহ লোৱাত কষ্ট হয় আৰু তেওঁলোকক ততাতৈয়াকৈ কাষৰে এখন ব্যক্তিগত নাৰ্ছিং হোমত ভৰ্তি কৰোৱা হয়।


*No.DPRD/BTC/15th FC (T)-167/2026/8* — *Dated Kokrajhar the 30th May, 2026*

**NOTICE INVITING TENDER**

Sealed tenders with a validity period of 180 (one hundred eighty) days from the date of receipt in prescribed from affixing non-refundable court fee stamps of Rs. 8.25 (Rupees eight and paisa twenty five) only subsequently to be drawn up in printed F-2 form are hereby invited from the Govt. registered **PHE and PWD Buildings** Govt. Contractor's under Class-I (A, B, C), Class-II and Class-III category from approved firm/ suppliers of 2020-21/2021-22 according to tender limit of eligibility for the following works and will be received in the office of the undersigned up to 2.00 pm on 23-06-2026 and will be opened on the same date and place at 2.15 pm in the presence of willing contractors or their authorized agents.

| Sl. No. | Name of Dev. Block | Name of Scheme | A.A Amount (Rs.) | Earnest Money | Cost of Tender in Rs. | Time for completion in days | Pre-Bid meeting date & time |
|---|---|---|---|---|---|---|---|
| 01 | Dotma | Const. of Community Toilet at Daoliguri Bazar | 11.00 | (ST, SC, OBC-1% & Gen-2%) | 330/- | 3 months | 2.00 pm on 06-06-2026 |
| 02 | Dotma | Const. of Community Toilet at Beltari Mandir | 11.00 | (ST, SC, OBC-1% & Gen-2%) | 330/- | 3 months | 2.00 pm on 06-06-2026 |
| 03 | Dotma | Const. of Community Toilet at Batabari Bazar | 11.00 | (ST, SC, OBC-1% & Gen-2%) | 330/- | 3 months | 2.00 pm on 06-06-2026 |
| 04 | Kokrajhar | Const. of Community Toilet at Magurmari Market | 11.00 | (ST, SC, OBC-1% & Gen-2%) | 330/- | 3 months | 2.00 pm on 06-06-2026 |
| 05 | Kokrajhar | Const. of Toilet at North Narabari Mandir Playground | 11.00 | (ST, SC, OBC-1% & Gen-2%) | 330/- | 3 months | 2.00 pm on 06-06-2026 |
| 06 | Kokrajhar | Const. of Community Toilet at Chandrapara Market | 11.00 | (ST, SC, OBC-1% & Gen-2%) | 330/- | 3 months | 2.00 pm on 06-06-2026 |
| 07 | Kokrajhar | Const. of Community Toilet at Sanathan Bathou Mandir at Amlaiguri | 11.00 | (ST, SC, OBC-1% & Gen-2%) | 330/- | 3 months | 2.00 pm on 06-06-2026 |

Details NIT may be seen in all working days in the office of the undersigned. Tender paper will be issued to the contractors or their authorized agent up to 12.00 Noon on all working days from 07-06-2026 to 23-06-2026 in the office of the undersigned on payment of in the form of Banker cheque/ Demand draft of any nationalized Bank (Preferable SBI) duly pledged to the **Director, P&RD, BTC, Kokrajhar**. The Cost of tender (Non-Refundable) must be in the form of Demand Draft/ Banker Cheque of a Nationalized Bank drawn in favour of the **Principal Secretary, BTC, Kokrajhar** and payable at **SBI, Kokrajhar** to be deposited **0.03%.**

Sd/- Director,
Panchayat & Rural Development,
BTC, Kokrajhar

***IPR(BTC)/C/2026-27/396***

# তেজপুৰত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ শিক্ষা ক্ষেত্ৰৰ সমস্যা বিষয়ক আলোচনা সভা

**বাতৰি কাকত,তেজপুৰ, ৩০ মে’ ঃ** ‘ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ হ’ল মূলতঃ শিক্ষাব্যৱস্থাৰ ব্যাক্তিগতকৰণ, বাণিজ্যিকীকৰণ আৰু গেৰুৱাকৰণৰ এক নীলা নক্সা। সাম্প্ৰতিক সময়ত গুৱাহাটী বিশ্ববিদ্যালয়সহ দেশৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয় সমূহত উদ্ভৱ হোৱা ছাত্ৰ বিক্ষোভ এই শিক্ষা নীতিৰেই পৰিণতি।’ আজি তেজপুৰত এই মন্তব্য কৰে ‘অল ইণ্ডিয়া ছেভ এডুকেশ্বন কমিটি’ৰ অসম ৰাজ্যিক সমিতিৰ সম্পাদক তথা মানকাছৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰদীপ মহাপাত্ৰই । উল্লেখ্য যে, সময়ে সময়ে বিতৰ্কৰ আওতালৈ অহা দেশৰ ‘ৰাষ্ট্ৰীয় শিক্ষানীতি -২০২০’ আৰু ৰাজ্যৰ শিক্ষা ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যা বিষয়ত আজি অল ইণ্ডিয়া ছেভ এডুকেশ্বন কমিটিৰ শোণিতপুৰ জিলা ইউনিটৰ উদ্যোগত তেজপুৰৰ শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভাকক্ষত এক বিশেষ আলোচনা সভা অনুষ্ঠিত হৈ যায় । অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক হৰিদাস চৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত তেজপুৰৰ কেবাগৰাকী শিক্ষক, অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত শিক্ষাৰ বিভিন্ন সমস্যা আৰু তাৰ প্ৰতিকাৰৰ উপায় সম্পৰ্কে মূল বক্তব্য ৰাখে ‘অল ইণ্ডিয়া ছেভ এডুকেশ্বন কমিটিৰ অসম ৰাজ্যিক সমিতিৰ সম্পাদক তথা মানকাছৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰদীপ মহাপাত্ৰই। উল্লেখ্য যে, ছেভ এডুকেশ্বন কমিটিৰ শোণিতপুৰ জিলাৰ আহ্বায়ক নয়ন মনি চৌধুৰীৰ বক্তব্যৰে আৰম্ভ হোৱা সভাখনত দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা অৱসৰপ্ৰাপ্ত অধ্যাপক গহণ চন্দ্ৰ মহন্তই ‘ৰাষ্ট্ৰীয় শিক্ষা নীতি -চজ্ঞচজ্ঞ’ৰ বিভিন্ন ক্ষতিকাৰক দিশবোৰ উনুকিয়াই বক্তব্য ৰাখে । সভাত শিক্ষাৰ বিভিন্ন সমস্যা আৰু তাৰ প্ৰতিকাৰৰ উপায় সম্পৰ্কে মূল বক্তব্য ৰাখে প্ৰাক্তন অধ্যক্ষ প্ৰদীপ মহাপাত্ৰই। অধ্যাপক মহাপাত্ৰই নিজৰ ভাষণত কয় যে, ‘অল ইণ্ডিয়া ছেভ এডুকেশ্বন কমিটি’ দেশৰ বিভিন্ন ৰাজ্যৰ বৰণ্যে শিক্ষাবিদ, বুদ্ধিজীৱী, শিক্ষক, অধ্যাপকসকলৰ এখন উমৈহতীয়া মঞ্চ যিয়ে শিক্ষাৰ বিভিন্ন সমস্যাৱলীৰ সন্দৰ্ভত মাত মাতি আহিছে। এই মঞ্চই আৰম্ভণিৰ পৰাই ‘ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০’ৰ তীব্ৰ বিৰোধিতা কৰি বিভিন্ন ৰাজ্যত আন্দোলন গঢ়ি তুলিছে। কাৰণ এই শিক্ষানীতি শিক্ষাৰ ব্যাক্তিগতকৰণ, বাণিজ্যিকীকৰণ আৰু গেৰুৱাকৰণৰ এখন নীলা নক্সা। সাম্প্ৰতিক সময়ত গুৱাহাটী বিশ্ববিদ্যালয়সহ দেশৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয় সমূহত উদ্ভৱ হোৱা ছাত্ৰ বিক্ষোভ এই শিক্ষা নীতিৰেই পৰিণতি। তেওঁ আৰু কয় -অল ইণ্ডিয়া ছেভ এডুকেশ্বন কমিটিয়ে সমগ্ৰ দেশৰ শত-সহস্ৰ শিক্ষাবিদ, শিক্ষক, অধ্যাপকক যুক্ত কৰি ‘ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০’ৰ বিকল্প জন শিক্ষানীতি প্ৰণয়ন কৰি ইতিমধ্যে চৰকাৰক দাখিল কৰিছে। চৰকাৰৰ শিক্ষা বিৰোধী এই জাতীয় শিক্ষা নীতিক বাতিল কৰাব নোৱাৰিলে ভৱিষ্যতে মুষ্টিমেয় কেইখনমান উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ বাহিৰে চৰকাৰী ব্যৱস্থাপনাত কোনো শিক্ষা প্ৰতিষ্ঠান নাথাকিব। ফলত দেশৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী শিক্ষাৰ পৰা বঞ্চিত হ’ব বুলি মন্তব্য কৰি অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা অধ্যাপক প্ৰদীপ মহাপাত্ৰই এই শিক্ষা নীতি বাতিলৰ দাবীত ছাত্ৰ শিক্ষক তথা ৰাইজক আগুৱাই অহাৰ বাবে আহ্বান জনায়।



# বকোৰ শিক্ষাবিদ-সাহিত্যিক ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ-সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাৰ আয়োজন

**বাতৰি কাকত, বকো, ৩০ মে’ ঃ** অসম সাহিত্য সভাৰ হিতৈষী সভ্য তথা কামৰূপ জিলা সাহিত্য সভাৰ সদ্য প্ৰয়াত সভাপতি ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভা অহা ১২ জুলাইত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে, কামৰূপ জিলা সাহিত্য সভা আৰু বকো সাহিত্য সভা শতদল শাখাৰ যৌথ উদ্যোগত আয়োজন কৰিব লোৱা তাৎপৰ্যপূৰ্ণ বিষয়টো আলোচনা কৰিবলৈ আজি বকো সাহিত্য সভা ভৱনত অনুষ্ঠিত হয় এখন যৌথ বিশেষ সভা। সভাত বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক ড° গণেশ্বৰ চহৰীয়াৰ সোঁৱৰণ চাৰণ সভা তথা সোঁৱৰণ গ্ৰন্থ উন্মোচন সম্পৰ্কীয় বিষদ আলোচনা কৰা হয়। এই মহত্বপূৰ্ণ বিষয়টো আলোচনাৰ বাবে এখনি গুৰুত্বপূৰ্ণ সভা আজি বকো সাহিত্য সভা শতদল শাখাৰ সভাপতি নৃপেন ভাগৱতীৰ সঞ্চালনাত অনুষ্ঠিত হয়। বকো সাহিত্য সভাৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী জনাৰ্দ্দন বড়োই আত ধৰা কাৰ্য্যসুচীত সদ্য প্ৰয়াত শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গণেশ্বৰ চহৰীয়াৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাৰ ওপৰত বিষদ আলোকপাত কৰা হয়। আলোচনাত সৰ্বসন্মতিক্ৰমে অহা ৰচ জুলাই ৰবিবাৰে বকোত বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে। অতি গুৰুত্বপূৰ্ণ বিষয়টোৰ আলোচনা চক্ৰত কামৰূপ জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰমেশ চন্দ্ৰ মেধি আৰু সাধাৰণ সম্পাদক ৰজনী শালৈ, সাংগঠনিক সম্পাদক জয়ন্তজিৎ কলিতা, কোষাধ্যক্ষ দিলীপ ঠাকুৰীয়া, জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক তথা কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতা, বকো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি - সভানেত্ৰী আৰু বিষয় বৰীয়াসকলে সহযোগ আগবঢ়ায়। ড° চহৰীয়া দেৱৰ শিক্ষা - সামাজিক আৰু সাংস্কৃতিক কৰ্মৰাজিৰ অৱদানক সোঁৱৰণ কৰি অনুষ্ঠিত কৰিব লোৱা মনোজ্ঞ কাৰ্য্যসুচী বকোস্থিত কলেজ অৱ এডুকেশ্যনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হ’ব বুলি জানিব দিয়ে বকো সাহিত্য সভাৰ সাধাৰণ সম্পাদক জনাৰ্দন বড়োই। ইফালে ড° চহৰীয়াৰ স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী কাৰ্য্যসূচী পৰিচালনা সমিতিৰ মুখ্য পৃষ্ঠপোষক তথা ড° চহৰীয়াৰ সহধৰ্মিনী ড° বিজয়া ডেকা, সম্পাদকদ্বয় পবিত্ৰ কৈৱৰ্ত আৰু পংকজ কলিতাই জনোৱা অনুসৰি এক মননশীল বক্তৃতা অনুষ্ঠানৰ জৰিয়তে ড° গণেশৰ চহৰীয়াৰ জীৱন কালত কৰা শৈক্ষিক সামাজিক আৰু বৌদ্ধিক কৰ্মৰাজিক সোঁৱৰণ কৰা হ’ব। এই বিষয়ে আলোকপাত কৰিবলৈ বিশেষ বক্তা আৰু আলোচক হিচাপে বিশেষ ব্যক্তিক নিমন্ত্ৰণ জনোৱা হ’ব বুলি ঘোষণা কৰে আয়োজন সমিতিয়ে। ইফালে ড° চহৰীয়াৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৃতিচাৰণ সভাৰ বাবে যাৱতীয় বিধি ব্যৱস্থা কৰিবলৈ আলোচনা কৰা হৈছে লগতে সোঁৱৰণ গ্ৰন্থত প্ৰকাশৰ বাবে ইতিমধ্যে অসমৰ ভিন্ন প্ৰান্তৰ লেখক-লেখিকা, সাহিত্যিক আৰু সাংবাদিকৰ পৰা তত্বগধুৰ লেখনি সংগ্ৰহ কৰি থকা হৈছে। ইয়াৰোপৰি সদাশয় লেখক লেখিকাৰ পৰা লেখনি বিচাৰি আবেদন জনাইছে সোঁৱৰণ গ্ৰন্থ প্ৰকাশক সমিতিয়ে।

# নলবাৰীত সম দেৱানী সংহিতা, অসম-২০২৬ সন্দৰ্ভত সংবাদমেল

**ষ্টাফ ৰিপ’ৰ্টাৰ, নলবাৰী, ৩০ মে’ ঃ** বিধানসভাৰ মজিয়াত উত্থাপিত বিষয় সম-দেৱানী সংহিতা, অসম-২০২৬ সন্দৰ্ভত আজি নলবাৰী জিলা বিজেপি কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰে। সংবাদমেল সম্বোধন কৰে বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ কমল মেধিয়ে ।জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱা, সম্পাদক পুলক কুমাৰ শৰ্মা, বিজেপিৰ নলবাৰী জিলা সংবাদ মাধ্যমৰ আহ্বায়ক কুলদীপ কলিতা, গোকুল মহন্তকে প্ৰমুখ্য কৰি বিজেপি কৰ্মকৰ্তাসকলৰ উপস্থিতিত আয়োজিত সংবাদমেলত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল মেধিয়ে অসম বিধানসভাত গৃহীত কৰা ইউ চি চি বিধেয়ক সন্দৰ্ভত মুল কথাবোৰ ৰাইজক জনাবলৈ আয়োজন কৰে এই সংবাদমেলৰ। চলিত মাহৰ ২৭ মে’ত বিধানসভাৰ মজিয়াত ইউ চি চি বিলখন অনা হয়। ৰাজ্যপালে গৃহীত কৰাৰ পিছত এই বিলখন আইনলৈ ৰূপান্তৰ হ’ব। এক দেশ এক আইন। ধৰ্মৰ ভিত্তিত বিবাহ - ডিভোৰ্চ, উত্তৰাধিকাৰী আদিত পৃথক-পৃথক আইন থকাটো উচিত নহয়। তেওঁ কয়, এখন দেশত এইবোৰ গুৰুত্বপূৰ্ণ বিষয়ত সম আইন হ’ব লাগে আৰু সেই সম আইন আনিব ইউ চি চি আইনখনে।এই আইনে বিশেষকৈ মুছলমান মহিলা সকলক অধিক ন্যায় প্ৰদান কৰিব ।এই আইনৰ পিছত এক বিশেষ ধৰ্মৰ ক্ষেত্ৰত দেখিবলৈ পোৱা মহিলা সকল পন্য হিচাপে নহয়, সম মৰ্যদাৰে-গৌৰৱৰে জীয়াই থাকিব পাৰিব। এই যুগন্তকাৰী তথা সাহসী পদক্ষেপৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মা সকলোৰে ধন্যবাদৰ পাত্ৰ বুলিও তেওঁ কয় ।

প্ৰথম পৃষ্ঠাৰ পৰা....

# বৰক্ষেত্ৰীৰ ভোলানাথ বৰুৱাক স্মৰণেৰে বাণিজ্য দিৱস উদযাপন

নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ৰামপুৰস্থিত পশ্চিম বৰক্ষেত্ৰী আদৰ্শ বহুমুখী সমবায় সমিতি লিমিটেডৰ সভাগৃহত বিয়লি অনুষ্ঠিত হয় গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান । সাংস্কৃতিক কৰ্মী, নিবন্ধকাৰ গিৰিন্দ্ৰ দাসে আঁত ধৰা অনুষ্ঠানৰ আৰম্ভনিতেই সাউদ ভোলানাথ বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ৰামপুৰৰ বিশিষ্ট সমাজহিতৈষী কৈলাশ নাথে । সদাগৰ ভোলানাথ বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে অসম চৰকাৰৰ পৰিসংখ্যা বিভাগৰ অৱসৰী উপ সঞ্চালক প্ৰফুল্ল নাথে । সমূহীয়া শ্ৰদ্ধাঞ্জলি অনষ্ঠান মুকলি কৰে ৰামপুৰ বজাৰ সমিতিৰ প্ৰাক্তন সভাপতি অনন্ত পাঠকে । ইয়াৰ পাছতেই আৰিফুল হক্কে মহাপুৰুষ শংকৰদেৱৰ বিৰচিত বৰগীত পৰিৱেশন কৰাৰ পাছতেই সভা আৰম্ভ হয় । সভাৰ আদৰণি ভাষণ প্ৰদান কৰে ৰামপুৰ বজাৰ সমিতিৰ সভাপতি কল্প তালুকদাৰে । সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভোলানাথ বৰুৱাৰ জীৱন-দৰ্শন সম্পৰ্কত বিস্তৃতভাৱে ভাষণ প্ৰদান কৰে গুৱাহাটী কমাৰ্চ কলেজৰ সহযোগী অধ্যাপক ড° পঞ্চানন বৰ্মনে । অধ্যাপক বৰ্মনে ভাষণ প্ৰসংগত কয় যে--ভোলানাথ বৰুৱা ভৱিষ্যত দ্ৰষ্টা আছিল, জাতিৰ আদৰ্শপুৰুষ, দূৰদৃষ্টি সম্পন্ন ব্যক্তি আছিল । বৰ্তমান সময়ত সাউদ ভোলানাথ বৰুৱাৰ প্ৰাসংগতিতা অধিক বুলিও কয় ড° পঞ্চানন বৰ্মনে । অধ্যাপকগৰাকীয়ে কয় যে, ব্যৱসায় কৰিলে মনৰ পৰিধি বিশাল হয়, ব্যৱসায়ৰে আমি সমন্বয় গঢ়িব লাগিব । উত্তৰ পূৱ উদ্যোগীকৰণ হোৱা নাই বাবে বাণিজ্যকভাৱে অগ্ৰসৰ হ’ব পৰা নাই বুলিও ভাষণ প্ৰসংগত কয় ডং পঞ্চানন বৰ্মনে । বাণিজ্যিক আন্দোলনৰে অসমৰ সমাজ আৰু অৰ্থনৈতিক জীৱন চহকী কৰিব লাগিব বুলিও কয় ড° পঞ্চানন বৰ্মনে । সাউদ ভোলানাথ বৰুৱাৰ ওপৰত তথ্যচিত্ৰ নিৰ্মাণ কৰাৰ বাবে পোষকতা কৰিব বুলি মন্তব্য কৰে গুৱাহাটী কমাৰ্চ কলেজৰ সহযোগী অধ্যাপক ডং পঞ্চানন বৰ্মনে । সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি গুৱাহাটী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° যুগল গোস্বামীয়ে আক্ষেপেৰে কয় যে- চৰকাৰে যিধৰণে ভোলানাথ বৰুৱাক স্বীকৃতি অথবা সন্মান দিব লাগিছিল ঠিক তেনেদৰে স্বীকৃতি আৰু সন্মান নিদিলে । চৰকাৰে ভোলানাথ বৰুৱা সম্পৰ্কত বহু কৰিবলগীয়া আছে । ভোলানাথ বৰুৱা স্মৃতিৰক্ষাৰ বাবে চৰকাৰক পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায় ড° যুগল গোস্বামীয়ে । ৰাজ্য চৰকাৰে তিনিচুকীয়াত নিৰ্মাণ কৰিবলৈ ওলোৱা দক্ষতা বিকাশ বিশ্ববিদ্যালয়খনৰ নাম ভোলানাথ বৰুৱাৰ নামেৰে নামাকৰণ কৰিবলৈও চৰকাৰক দাবী জনায় গোস্বামীয়ে । ভোলানাথ বৰুৱাই মৃত্যুৰ পূৰ্বে অসম আৰু পশ্চিমবংগ চৰকাৰক দান দিয়া ১০০ কৌটি টকাৰ সম্পত্তিসমূহ সম্প্ৰতি বেদখলকাৰীৰ কবলত পৰা বুলি কৈ সম্পত্তিসমূহ উদ্ধাৰ কৰাৰ ক্ষেত্ৰত চৰকাৰক পদক্ষেপ গ্ৰহণ কৰিবলৈও আহ্বান জনায়। এই সভাতেই লেখক কল্প তালুকদাৰ সম্পাদিত ‘বণিজ কোঁৱৰ ভোলানাথ বৰুৱা’ শীৰ্ষক গ্ৰন্থ এখন উন্মোচন কৰা হয় । গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট সমাজ সংগঠক তথা সাউদ ভোলানাথ বৰুৱাৰ পো-নাতি কৃষ্ণকান্ত বৰুৱাই ৰামপুৰ বজাৰ সমিতিক কৃতজ্ঞতা জ্ঞাপন কৰে । বাণিজ্য দিৱস উদযাপন সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে ৰাষ্ট্ৰপতি বঁটাপ্ৰাপক ডং দেবেন চন্দ্ৰ দাসে । ভাষণ প্ৰসংগত তেখেতে চৰকাৰে ভোলানাথ বৰুৱাক সমাজলৈ অনাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা নাই বুলি আক্ষেপেৰে কৰে । ডং দেবেন চন্দ্ৰ দাসে গুৱাহাটীৰ বি বৰুৱা কলেজৰ নামটো সলনি কৰি অসমীয়াত ভোলানাথ বৰুৱাৰ নামেৰে নামাংকৃত কৰিবলৈও চৰকাৰৰ ওচৰত দাবী জনায় ।নগাঁৱৰ পুৰণিগুডামত ভোলানাথ বৰুৱাৰ নামত এখন প্ৰাথমিক বিদ্যালয় আছিল যদিও চৰকাৰে বিদ্যালয়খন পুৰণিগুদাম ছোৱালী হাইস্কুলৰ লগত সংলগ্ন কৰাত বিদ্যালয়খন পুৰণিগুদাম ছোৱালী হাইস্কুল হিচাপে থকাত ভোলানাথ বৰুৱাৰ অস্তিত্ব নোহোৱা কৰাত চৰকাৰক পুৰণিগুদাম ছোৱালী হাইস্কুলৰ নামটো শীঘ্ৰেই সলনি কৰি ভোলানাথ বৰুৱা হাইস্কুল নামেৰে নামাকৰণ কৰিবলৈও দাবী জনায় ।

# প্ৰতি কিলো বিলাহীৰ মূল্য ৩ টকা নিৰ্ধাৰণ

বিগত বৰ্ষসমূহৰ দৰে এইবাৰো তেওঁ অতি আশাৰে ৰঙালাউ, গোমধান আদি বিভিন্ন শস্যৰ খেতি কৰাৰ লগতে প্ৰায় ছয় বিঘা ভূমিত ব্যাপক হাৰত বিলাহীৰ খেতি কৰিছিল। দিন-ৰাতি এক কৰি কৰা পৰিশ্ৰমৰ অন্তত পথাৰত বিলাহীৰ উৎপাদনো প্ৰচুৰ হৈছিল, কিন্তু বৰ্তমান বজাৰৰ চৰম মূল্য বিপৰ্যয়ে কৃষকগৰাকীৰ মূৰত সৰগ ভাগি পৰিছে। বৰ্তমান মুকলি বজাৰত বিলাহীৰ পাইকাৰী মূল্য নামি আহিছে মাত্ৰ প্ৰতি কিলোগ্ৰামত তিনি টকালৈ। ফলত বজাৰলৈ সামগ্ৰী কঢ়িয়াই নিয়াৰ খৰচ দূৰৰে কথা, উৎপাদনৰ বাবে কৰা মূল খৰচখিনিও উঠাব নোৱাৰা এক হাহাকাৰ অৱস্থাৰ সন্মুখীন হৈছে প্ৰগতিশীল কৃষকগৰাকী। তেওঁৰ এই দুৰ্দশাই এতিয়া সমগ্ৰ জিলাখনৰ কৃষক সমাজৰ মাজতে তীব্ৰ নিৰাশাৰ সৃষ্টি কৰিছে। এই সমগ্ৰ ব্যৱস্থাটোৰ এক আশ্বয্যজনক আৰু উদ্বেগজনক দিশ পোহৰলৈ আনি খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই তীব্ৰ ক্ষোভ আৰু উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ আঙুলিয়াই দিয়ে যে, যি সময়ত এজন কৃষকে তেওঁৰ তেজ-ঘাম এক কৰি উৎপাদন কৰা বিলাহী বজাৰত মাত্ৰ ৩ টকা প্ৰতি কেজিত বিক্ৰী কৰিবলৈ বাধ্য হৈছে, ঠিক একে সময়তে সেই একেই বিলাহীৰ পৰা প্ৰস্তুত হোৱা টমেটো চচ’ৰ মাত্ৰ ১০০ গ্ৰামৰ এটা পেকেটৰ বজাৰ মূল্য প্ৰায় ৫০ টকা। হিচাপ অনুসৰি, এক কেজি বিলাহীৰ পৰা বহুজাতিক কোম্পানীসমূহে এনে কেইবাটাও পেকেট প্ৰস্তুত কৰি শ শ টকা লাভ কৰে। অৰ্থাৎ, হাড়ভঙা পৰিশ্ৰম কৰা থলুৱা কৃষকজন সদায় বঞ্চিত হৈয়েই থাকে আৰু সমগ্ৰ মুনাফা লুটি লৈ যায় মধ্যভোগী তথা প্ৰস্তুতকাৰী উদ্যোগপতিসকলে। কৃষক বলিন শৰ্মাৰ এই দুৰৱস্থাক লৈ উদ্বেগ প্ৰকাশ কৰাৰ লগতে বিধায়ক মৃণাল শইকীয়াই ৰাজ্যৰ কৃষি বিভাগৰ কৰ্মপদ্ধতি আৰু সুদূৰপ্ৰসাৰী পৰিকল্পনাৰ অভাৱক লৈ এক ডাঙৰ প্ৰশ্ন উত্থাপন কৰিছে। বিধায়কগৰাকীয়ে কয় - কৃষি বিভাগে এনে সুদূৰপ্ৰসাৰী পৰিকল্পনা কিয় গ্ৰহণ নকৰে? খেতিয়কৰ উৎপাদিত সামগ্ৰীক কেৱল মুকলি বজাৰৰ ওপৰত এৰি নিদি, ইয়াৰ সঠিক সংৰক্ষণ, সংসাধন আৰু বিজ্ঞানসন্মত বিপণন ব্যৱস্থাৰ সৈতে জড়িত কৰাৰ সময় কেতিয়াবাই সমাগত। চৰকাৰে যদি এতিয়াও উপযুক্ত পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে মাটিৰ বুকুত সপোন ৰোপণ কৰা আমাৰ কৃষকসকলে সদায় এনেদৰেই লোকচানৰ বোজা কঢ়িয়াই ধ্বংসৰ মুখলৈ গতি কৰিব লাগিব।ক্ট উল্লেখ্য যে, গোলাঘাট জিলাৰ কৃষকসকলৰ এই দুৰৱস্থা অথবা সংৰক্ষণৰ অভাৱ কোনো নতুন কথা নহয়। জিলাখনত এটা কৃষি সংসাধন উদ্যোগ স্থাপনৰ বাবে দীৰ্ঘদিনীয়া দাবী উত্থাপন হৈ আহিছিল। যিটো উদ্যোগৰ জৰিয়তে কৃষকসকলে উৎপাদিত বিলাহী, ৰঙালাউ, গোমধান আদি নষ্ট হ’বলৈ নিদি বিভিন্ন উপজাত সামগ্ৰী প্ৰস্তুত কৰি লাভান্বিত হ’ব পাৰিলেহেঁতেন। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় যে, বিগত কাৰ্যকালত জিলাখনৰে বাসিন্দা তথা তদানীন্তন কৃষি মন্ত্ৰী অতুল বৰাই এই গুৰুত্বপূৰ্ণ বিষয়টোত কোনো ধৰণৰ ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰিলে। মন্ত্ৰীগৰাকীৰ এনে চৰম উদাসীনতাৰ বাবেই আজি গোলাঘাটৰ কৃষক সমাজে এনেদৰে পথৰ ভিখাৰী হ’বলগীয়া অৱস্থাৰ সৃষ্টি হৈছে বুলিও সচেতন মহলে আক্ষেপ প্ৰকাশ কৰিছে। এতিয়া প্ৰশ্ন হয়, বলিন শৰ্মাৰ দৰে হাজাৰ হাজাৰ প্ৰগতিশীল কৃষকৰ চকুৰ পানী দেখিবলৈ পাবনে বৰ্তমানৰ কৃষি বিভাগে? জিলাখনৰ কৃষকৰ অৰ্থনীতিক ৰক্ষা কৰিবলৈ চৰকাৰে কোনো জৰুৰীকালীন আঁচনি গ্ৰহণ কৰিবনে, সেয়া সময়েহে ক’ব।

# নলবাৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীহৰিমন্দিৰ প্ৰাংগণত বৰ্ণাঢ্য আয়োজন

**বাতৰি কাকত, ধমধমা, ৩০ মে’ ঃ** নলবাৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীহৰিমন্দিৰ প্ৰাংগণত ৩১ মে দেওবাৰে দিহানাম সংৰক্ষণ মঞ্চ,অসমৰ অন্তৰ্গত দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনখনৰ বাবে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈছে।অভ্যৰ্থনা সমিতিৰ সভাপতি ড° সুৰলা পাঠক আৰু সম্পাদক নৰেন দাসে জনোৱা অনুসৰি উক্ত দিনা ৰাতিপুৱাৰ ভাগত পতাকা উত্তোলন কৰিব দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ সভাপতি অচ্যুত চন্দ্ৰ বৈশ্যই।বন্তি প্ৰজ্বলন কৰিব অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ড° শুৰলা পাঠকে।অধিৱেশন মুখ্য দ্বাৰ উন্মোচন কৰিব বিশিষ্ট সমাজ সংগঠক দিলীপ কুমাৰ দাসে। ৯:৩০ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে দিহানাম সংৰক্ষণ মঞ্চ নলবাৰী জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ৰাতুল ৰয় আৰু সংৰক্ষণ মঞ্চৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক যতিন ৰাজবংশীয়ে। হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে দিহানাম সংৰক্ষণ মঞ্চৰ কেন্দ্ৰীয় সহকাৰী সম্পাদিকা বিজুলী ৰাজবংশী আৰু জিলা সমিতিৰ উপ সভাপতি অঞ্জু পাঠকে। আন্তঃৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে দিহানাম সংৰক্ষণ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদিকা অকণ ৰাজবংশী আৰু কাৰ্য্যনিৰ্বাহক সদস্য প্ৰণিতা কোঁৱৰে। নাগাৰা সূৰ্য্য ৰামচৰণ ভড়ালীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে মঞ্চৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক পুলেন ৰাজবংশী আৰু বিশিষ্ট সমাজকৰ্মী শৰৎ বৰ্মনে।তাৰ পিছতে নলবাৰীৰ সমাজ জীৱনলৈ বৰঙণি আগবঢ়োৱা কেইবাগৰাকীও গণ্য মান্য ব্যক্তিক সম্বৰ্ধনা জনোৱা হ’ব। পুৱা ১১ বজাত প্ৰতিনিধি আৰু বিষয়-বাচনী সভাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰিব বিশিষ্ট নাট্যকাৰ পৰিচালক ধীৰেন কুমাৰ বৰ্মনে। আদৰণি ভাষণ আগবঢ়াব সংৰক্ষণ মঞ্চৰ জিলা সমিতিৰ উপদেষ্টা কুমুদ মালাকৰে। দুপৰীয়া ১ বজাত মুকলি সভাখন উদ্বোধন কৰিব নলবাৰী পৌৰসভাৰ উপ পৌৰপতি ড° ৰবীন দাসে।দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ সভাপতি অচ্যুত চন্দ্ৰ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হ’বলগীয়া অনুষ্ঠানটোত উপস্থিত থাকিব নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্লবৰুৱা,দিহানাম সংৰক্ষণ মঞ্চ,অসমৰ সভাপতি ডাঃ প্ৰশান্ত খাউণ্ড।দিহানাম সংৰক্ষণ মঞ্চৰ নলবাৰী জিলা সমিতিৰ দ্বি-বাৰ্ষিক মুখপাত্ৰ ‘দিহানাম সৌৰভ’ উন্মোচন কৰিব অসম সাহিত্য সভাৰ বিত্তীয় স্থায়ী নিধিৰ আহ্বায়ক গোবিন্দ কলিতাই।নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ড° বীৰেন কুমাৰ চক্ৰৱৰ্তী।আনহাতে আমন্ত্ৰিত অতিথি সকল হল দিহানাম সংৰক্ষণ মঞ্চ,অসমৰ উপ সভাপতি হিতেশ বৈশ্য,বিশিষ্ট চিকিৎসক প্ৰণৱ কুমাৰ শৰ্মা, নলবাৰী জিলা সাহিত্য সভাৰ উপ সভাপতি ডাঃ সমৰ তালুকদাৰ, শ্ৰীশ্ৰীহৰিমন্দিৰ সমিতিৰ সাধাৰণ সম্পাদক নলিনীকান্ত শীল আৰু দিহানাম সংৰক্ষণ মঞ্চৰ বাকসা জিলা সমিতিৰ সম্পাদক বিষ্ণু কিংকৰ কাকতি।

# শুৱালকুছি কে আৰ কে হাইস্কুলত কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা- অভিভাৱক সভা

**বাতৰি কাকত, শুৱালকুছি, ৩০ মে’ ঃ** বৰ্তমান সময়ত অভিভাৱকসকল অধিক সচেতন হব লাগিব। তেতিয়াহে নিজৰ সন্তানে সঠিক পথৰ সন্ধান লাভ কৰিব । যি সকল অভিভাৱকে নিজৰ সন্তানৰ ওপৰত সততে নজৰ নাৰাখে তেনে সন্তান পথভ্ৰষ্ট হোৱাৰ সম্ভাৱনাই বেছি। এই মন্তব্য শুৱালকুছি জাৰ্ণেলিষ্ট এছোচিয়েনৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক দিলীপ মেধিৰ। আজি শুৱালকুছিৰ চৰকাৰী মাধ্যমৰ অন্যতম শিক্ষানুস্থান শুৱালকুছি কালিৰাম কাৰিকৰ হাইস্কুলৰ দশম শ্ৰেণীৰ অভিভাৱক আৰু ২০২৬ বৰ্ষৰ মেট্ৰিক পৰীক্ষাত বিদ্যালয়খনৰ পৰা প্ৰথম বিভাগত সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হোৱা শিক্ষাৰ্থী সম্বৰ্ধনা জনাবলৈ অনুস্থিত কৰা সভাত নিমন্ত্ৰিত অতিথি হিচাৱে অংশ গ্ৰহণ কৰি শ্ৰীমেধিয়ে পুনৰ কয় যে শিক্ষাগুৰু, শিক্ষাৰ্থী আৰু অভিভাৱৰ সমন্নয় অতিব প্ৰয়োজন। কিন্তু একাংশ অভিভাৱকে এই সমন্নয় বজাই ৰাখিব নিবিচাৰে। যাৰ ফলত সন্তানৰ প্ৰকৃত শৈক্ষিক খৱৰ সেই সকল অভিভাৱকে লাভ নকৰে। এতিয়া অভিভাৱক সকল সচেতন হোৱাটো সময়ৰ আহ্বান বুলি উল্লেখ কৰি তেওঁ কয় যে ছাত্ৰ-ছাত্ৰী সকলে একাগ্ৰতা, ধৈয্য আৰু নিয়মীয়া ভাৱে অধ্যয়নত ব্ৰতী হ’লেহে প্ৰকৃত ফলাফল লাভ কৰিবলৈ সক্ষম হ’ব । দৰিদ্ৰতাই শিক্ষাৰ হেঙাৰ হব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ বহু কেইটা দৰিদ্ৰ পৰিয়ালৰ লৰা-ছোৱালীয়ে কি দৰে মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ভাল ফলাফল লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে তাৰ উদাহৰণ দাঙি ধৰে । বিদ্যালয়খনে শৈক্ষিক দিশত গ্ৰহণ কৰা ব্যৱস্থাৱলীক তেওঁ প্ৰশংসা কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অনিল বৈশ্যৰ সভাপতিত্বত অনুস্থিত সভাত বিদ্যালয়খনৰ প্ৰধান শিক্ষক দিবাকৰ কলিতাই আদৰণি ভাষণত বিদ্যালয়খনৰ শৈক্ষিক দিশ সন্দৰ্ভত বিস্তৃত ভাৱে উল্লেখ কৰি আগন্তুক ২০২৭ বৰ্ষত বিদ্যালয়খনৰ পৰা মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ’ব লগা ছাত্ৰ ছাত্ৰী সকলৰ শৈক্ষিক দিশ কিদৰে আগবঢ়াই নিবলৈ পৰিকল্পনা প্ৰস্তুত কৰিছে সেই সন্দৰ্ভতো অভিভাৱকসকলৰ আগত ব্যক্ত কৰে। এই ক্ষেত্ৰত প্ৰধান শিক্ষকগৰাকীয়ে অভিভাৱকসকলৰ সম্পূৰ্ণ সহযোগিতা কামনা কৰে। লগতে অভিভাৱকসকলক সততে বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগত যোগাযোগ ৰক্ষা কৰি নিজৰ সন্তাৰ পঢ়া-শুনাৰ দিশবোৰ আলোচনা কৰিবলৈ প্ৰতিগৰাকী অভিভাৱক আহ্বান জনায়। জ্যেষ্ঠ শিক্ষক বাবুল কলিতাই উদ্দেশ্য বাখ্যা কৰা উক্ত সভাত বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকলে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশ কেনেদৰে আগবঢ়াই নিছে আৰু আগত দিনলৈ কেনেদৰে আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰিছে তাৰ অভাস এটি অভিভাৱক সকলৰ আগত দাঙি ধৰে। তেওঁলোকে সঘনে ক্লাছ পৰীক্ষা অনুস্থিত কৰি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ’ফিট বেক’ লৈ থকাৰ কথায়ো উল্লেখ কৰে । শিক্ষক শিক্ষয়িত্ৰী সকলৰ এনে প্ৰচেষ্টাৰ শলাগ লয় অভিভাৱক সকলে । সভাত অভিভাৱক সকলেও তেওঁলোকৰ মনৰ কিছু কথা ব্যক্ত কৰি শিক্ষাগুৰু সকলৰ লগত মতবিনিময় কৰে । ষষ্ঠ, সপ্তম আৰু অস্টম শ্ৰেণীৰ ছাত্ৰীসকলে আৰম্ভণিতে সমাবেত সংগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰা সভাত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হোৱা ছাত্ৰী ক্ৰমে বৈষ্ণৱী ঠাকুৰীয়া, তৃষ্ণা ঠাকুৰীয়া,হৃদিশা দাস আৰু ধনজিতা কুমাৰীক ফুলাম গামোচা, মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি প্ৰতি গৰাকী ছাত্ৰীয়ে শিক্ষাগুৰু সকলৰ ঋণ কোনোদিনে পৰিশোধ কৰিব নোৱাৰিম বুলি উল্লেখ কৰি এই সম্বৰ্ধনাই আগত দিনত ইয়াতকৈ উন্নত ফলাফল লাভ কৰাৰ বাবে আশীৰ্বাদ বুলি দোহাৰে। সভাপতিৰ ভাষণত অনিল চন্দ্ৰ বৈশ্যই ছাত্ৰ ছাত্ৰী সকলক নিয়মীয়াকৈ একাগ্ৰতাৰে অধ্যয়ন ব্ৰতী হবলৈ আহ্বান জনাই অভিভাৱক সকলক নিজৰ সন্তানৰ ওপৰত গুৰুত্ব সহকাৰে নজৰ ৰাখিবলৈ আহ্বান জনায়। সভাৰ শেষত জাতীয় সংগীত পৰিৱেশন কৰা হয়।

# গেলেকীত শ্ৰমিক কঢ়িয়াই অনা বাহন দূৰ্ঘটনাগ্ৰস্ত ৩৫ শ্ৰমিক আহত

নিছিল। গেলেকী ন-আলিৰ পথত বাহন খনৰ আগেদি এজনে দৌৰি পথৰ ইটোপাৰলৈ যোৱাত তীব্ৰ বেগত যোৱা গাড়ীখনৰ চালকে ব্ৰেক মৰাত পথৰ মাজতে গাড়ীখন বাগৰি পৰে। এই দূৰ্ঘটনাত গাড়ীখনত যোৱা ভনী লাইক নামৰ দুমহীয়া অন্তঃসত্বা মহিলা গৰাকী সহ প্ৰায়ৎপ্ত গৰাকী লোক আঘাতপ্ৰাপ্ত হয়। স্থানীয় ৰাইজে লগে লগে গেলেকীৰ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ৰাইজৰ সহযোগত ততাতৈয়াকৈ আহত সকলক গেলেকী প্ৰাথমিক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে। এই দূৰ্ঘটনাত কান্দা কৰ্মকাৰ, কৰণ ভূমিজ, ৰাঘৱ নায়ক , টিচন কৰ্মকাৰ, বিজয় কৰ্মকাৰ, প্ৰদীপ তাঁতী, পেৰু কৰ্মকাৰ, দূৰ্গা কৰ্মকাৰ, অৰ্জুন ভূএগু, ভোলাপন তাঁতী , মাসন ৰবিদাস, উপেন ভূমিজ, নিহাৰিকা মেছ, ৰাম তাঁতী, পৱন ভূএগু, জিতেন ভূএগু আদিকে ধৰি প্ৰায়ৎপ্ত জন পুৰুষ - মহিলা শ্ৰমিক আঘাটপ্ৰাপ্ত হয়। এই দূৰ্ঘটনাত পতিত হোৱা শ্ৰমিক সকলৰ ভালেকেইজনৰ হাত , ভৰি ভঙাৰ লগতে মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত গেলেকীৰ পৰা নাজিৰা লিগিৰী পুখুৰীস্থ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ভালেকেইজন শ্ৰমিক অতি গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হোৱাত জয়সাগৰস্থ শিৱসাগৰ অসামৰিক চিকিৎসালয় আৰু ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে । ঘটনা সন্দৰ্ভত গেলেকীৰ আৰক্ষীয়ে অধিক শ্ৰমিক কঢ়িয়াই অনা এ চি বাহন খন জব্দ কৰাৰ লগতে চালক অনন্ত দাস শচ আঘাতপ্ৰাপ্তগ্ন ক সোধা পোছা কৰি তদন্ত অব্যাহত ৰাখিছে।

# সম্পাদকীয় বিশেষ

## প্ৰসংগ - মানৱ অধিকাৰ

■ হিমাংশু ৰণঞ্জন ভূঞা

মানৱ অধিকাৰক প্ৰায়ে মৌলিক, অপৰিহাৰ্য অধিকাৰ হিচাপে আলোচনা কৰা হয়, যি জাতি, বৰ্ণ, ধৰ্ম বা সামাজিক-অৰ্থনৈতিক স্থিতি নিৰ্বিশেষে প্ৰতিজন ব্যক্তিৰ বাবে নিশ্চিত কৰা হয়। কিন্তু এই অধিকাৰবোৰৰ বাস্তৱায়ন সদায় এক সংগ্ৰাম হৈ আহিছে, যি ইতিহাসজুৰি বাধা, প্ৰত্যাহ্বান আৰু ৰাজনৈতিক সংঘৰ্ষৰ সন্মুখীন হৈছে। মানৱ অধিকাৰৰ ধাৰণাটো শতিকাজুৰি বিকশিত হৈ আহিছে, কিন্তু ইয়াৰ ভেটি হৈছে এক বিশ্বজনীন বিশ্বাস যে প্ৰতিজন ব্যক্তিয়ে মৰ্যাদা, সমতা আৰু নিপীড়নৰ পৰা মুক্তিৰ যোগ্য। গতিকে, মানৱ অধিকাৰৰ সংগ্ৰাম মূলতঃ মৰ্যাদাৰ সংগ্ৰাম, যি প্ৰতিজন ব্যক্তিৰ অন্তৰ্নিহিত মূল্যক স্বীকৃতি আৰু সুৰক্ষা প্ৰদান কৰে।

মৰ্যাদাৰ ধাৰণাটো মানৱ অধিকাৰৰ কেন্দ্ৰবিন্দু কাৰণ ই অন্যান্য সকলো অধিকাৰৰ ভেটি। মৰ্যাদাৰ অৰ্থ হৈছে যে প্ৰতিজন ব্যক্তিয়ে অপমানজনক আচৰণৰ পৰা মুক্ত হৈ জীয়াই থাকাৰ অধিকাৰ আছে, তেওঁলোকক তেওঁলোকৰ সত্তা অনুসৰি চিনাক্ত কৰাৰ অধিকাৰ আছে আৰু তেওঁলোকৰ প্ৰয়োজন আৰু আকাংক্ষাক সন্মান জনোৱাৰ অধিকাৰ আছে। ই শাৰীৰিক আৰু আইনী অস্তিত্বৰ পৰা আৰম্ভ কৰি মানুহৰ মানসিক আৰু আৱেগিক প্ৰয়োজনলৈকে বিস্তৃত। মৰ্যাদা হৈছে সমান আৰু সক্ষম হিচাপে গণ্য হোৱাৰ অধিকাৰ, যিটো অধিকাৰ প্ৰায়ে বৈষম্য, শোষণ বা হিংসাৰ দ্বাৰা ভংগ হয়। গতিকে, মানৱ অধিকাৰ কেৱল আইনী সুৰক্ষাৰ এক সংহতি নহয়, ই হৈছে মানৱ মৰ্যাদা ৰক্ষা কৰাৰ এক সামগ্ৰিক পৰিকাঠামো।

ঐতিহাসিকভাৱে, মানৱ অধিকাৰৰ ধাৰণাটো বিভিন্ন দাৰ্শনিক আৰু ধাৰ্মিক পৰম্পৰাৰ দ্বাৰা গঠিত হৈছে। মানৱ অধিকাৰৰ প্ৰাৰম্ভিক আলোচনাবোৰ প্ৰধানতঃ ধৰ্মীয় বা নৈতিক শিক্ষাৰ ওপৰত আধাৰিত আছিল, য’ত এৰিষ্টটল আৰু চিচেৰোৰ দৰে চিন্তাবিদসকলে প্ৰাকৃতিক আইনৰ ধাৰণা আগবঢ়াইছিল, যিয়ে কৈছিল যে মানুহে তেওঁলোকৰ মানৱতাৰ গুণেৰে কিছুমান অধিকাৰ লাভ কৰে। ইব্ৰাহিমীয় ধৰ্মসমূহ, বিশেষকৈ খ্ৰীষ্টান ধৰ্ম, ইহুদী ধৰ্ম আৰু ইছলামেও মানৱ মৰ্যাদা আৰু সন্মানৰ ধাৰণাৰ ভেটি স্থাপন কৰিছিল, যিয়ে পৰৱৰ্তী সময়ত মানৱ অধিকাৰৰ আধুনিক ধাৰণাক গঠন কৰাত সহায় কৰিলে।

মানৱ অধিকাৰৰ আধুনিক ধাৰণাটো দ্বিতীয় বিশ্বযুদ্ধৰ পিছত স্পষ্ট ৰূপ লৈ উঠিল, যেতিয়া একনায়কত্ববাদী শাসনব্যৱস্থাই কৰা নৃশংসতাই মৌলিক স্বাধীনতাৰ সুৰক্ষাৰ বাবে এক বিশ্বব্যাপী প্ৰতিবাদৰ সৃষ্টি কৰিলে। ১৯৪৫ চনত ৰাষ্ট্ৰসংঘৰ সৃষ্টি এটা পৰিবৰ্তনৰ সূচনা হৈছিল, আৰু ১৯৪৮ চনত মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ গৃহীত হৈছিল। এই মাইলৰ খুঁটিয়ে কেৱল প্ৰতিজন ব্যক্তিৰ অন্তৰ্নিহিত মৰ্যাদাক স্বীকৃতি নিদিলে, বৰঞ্চ জাতি, জাতীয়তা বা বৰ্ণ নিৰ্বিশেষে সকলোকে প্ৰদান কৰিবলগীয়া মৌলিক অধিকাৰবোৰৰ এটা চিত্ৰও আগবঢ়াইছিল। এই ঘোষণাপত্ৰটোৱে অত্যাচাৰ, শোষণ আৰু যুদ্ধৰ বিৰুদ্ধে যুঁজ দিয়া লোকসকলৰ বাবে এক বিজয় আছিল।

মানৱ অধিকাৰৰ সংগ্ৰাম এক সৰল ৰেখাত আগবঢ়া নাই । বিশ্বজুৰি বহুতো প্ৰত্যাহ্বান বাকী আছে, য’ত চৰকাৰ আৰু অনুষ্ঠানবোৰে প্ৰায়ে এই অধিকাৰবোৰৰ বাস্তৱায়নত বাধাৰ সৃষ্টি কৰে। একনায়কত্ববাদী শাসনব্যৱস্থাই প্ৰতিবাদক দমন কৰি ব্যক্তি স্বাধীনতাক সীমিত কৰি ৰাখে, আনহাতে লিংগ, বৰ্ণ বা শ্ৰেণীভিত্তিক গাঁথনিগত অসমতাবোৰ বাকী থাকে, যিয়ে জনসংখ্যাৰ এক বৃহৎ অংশক তেওঁলোকৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰে। এই সমস্যাবোৰ কেৱল ৰাজনৈতিক নহয়, ই গভীৰভাৱে সাংস্কৃতিক, যি দীৰ্ঘদিনীয়া সামাজিক আৰু ঐতিহাসিক পক্ষপাতিত্বৰ ওপৰত আধাৰিত, যিয়ে প্ৰান্তীয় গোটবোৰৰ অভিজ্ঞতাক গঠন কৰি আহিছে।

মানৱ অধিকাৰৰ আটাইতকৈ স্পষ্ট ভংগ হৈছে নাগৰিকৰ স্বাধীনতা আৰু ৰাজনৈতিক স্বাধীনতাক অস্বীকাৰ কৰা। বহুতো দেশ, বিশেষকৈ একনায়কত্ববাদী শাসনব্যৱস্থাৰ দেশবোৰত, বাক্ স্বাধীনতা, সমাবেশৰ স্বাধীনতা আৰু সংবাদ মাধ্যমৰ স্বাধীনতাক দমন কৰা হয়। ৰাজনৈতিক কয়দী, চেঞ্চৰশ্বিপ আৰু প্ৰতিবাদকাৰীৰ বিৰুদ্ধে হিংসা এনে পৰিৱেশত সাধাৰণ, য’ত প্ৰতিবাদক ৰাষ্ট্ৰীয় শক্তিৰ বাবে এক প্ৰত্যাহ্বান হিচাপে গণ্য কৰা হয়। এই দমননীতিৰ প্ৰায়ে ৰাষ্ট্ৰীয় সুৰক্ষা বা শৃংখলা ৰক্ষাৰ নামত ন্যায্যতা প্ৰদান কৰা হয়, কিন্তু প্ৰকৃততে ই স্থিতি বজাই ৰখাৰ বাবে ব্যৱহাৰ কৰা হয়, যিয়ে প্ৰতিবাদক স্তব্ধ কৰি পৰিৱৰ্তনৰ পথত বাধাৰ সৃষ্টি কৰে।

অৰ্থনৈতিক আৰু সামাজিক অধিকাৰৰ ক্ষেত্ৰতো মানৱ অধিকাৰৰ ভংগ এক গুৰুত্বপূৰ্ণ বিষয়। অৰ্থনৈতিক অসমতাই মানৱ অধিকাৰৰ বাস্তৱায়নৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হৈ আছে, য’ত লক্ষ লক্ষ লোক দৰিদ্ৰতাত জীৱন নিৰ্বাহ কৰে আৰু শিক্ষা, স্বাস্থ্য সেৱা আৰু মৌলিক সামাজিক সেৱাৰ পৰা বঞ্চিত হয়। অৰ্থনৈতিক অধিকাৰ, য’ত কাম কৰাৰ অধিকাৰ, স্বাস্থ্য আৰু সুখ-শান্তিৰ বাবে উপযুক্ত জীৱনযাত্ৰাৰ অধিকাৰ আৰু দেশৰ অৰ্থনৈতিক জীৱনত অংশগ্ৰহণ কৰাৰ অধিকাৰ অন্তৰ্ভুক্ত, ইয়াক প্ৰায়ে ৰাজনৈতিক আৰু নাগৰিক অধিকাৰতকৈ গৌণ হিচাপে গণ্য কৰা হয়। এই বৈষম্যই বহুতো সমাজত থকা গভীৰ অসমতাক প্ৰকাশ কৰে, য’ত ধনী ব্যক্তি আৰু দেশবোৰে বিশ্বায়নৰ সুবিধা উপভোগ কৰে আনহাতে বৃহৎ সংখ্যক লোক এই সুবিধাৰ পৰা বঞ্চিত হয়।

মানৱ অধিকাৰ ভংগৰ লিংগভিত্তিক দিশটোও গভীৰ। বিশ্বজুৰি মহিলা আৰু ছোৱালীয়ে শিক্ষাৰ অসমান প্ৰৱেশাধিকাৰৰ পৰা ঘৰুৱা আৰু কাৰ্যক্ষেত্ৰত হিংসালৈকে ব্যৱস্থাগত বৈষম্যৰ সন্মুখীন হৈ আছে। বহুতো সমাজত মহিলাসকলক তেওঁলোকৰ শৰীৰৰ ওপৰত নিয়ন্ত্ৰণ, যৌন আৰু প্ৰজনন অধিকাৰ আৰু তেওঁলোকৰ জীৱনৰ সিদ্ধান্ত লোৱাৰ ক্ষমতাৰ পৰা বঞ্চিত কৰা হয়। লিংগভিত্তিক হিংসা, য’ত ঘৰুৱা হিংসা, যৌন নিৰ্যাতন আদি অন্তৰ্ভুক্ত, ইয়াৰ প্ৰচলন বিৰাজমান আৰু বহুতো ৰাষ্ট্ৰই এই সমস্যাবোৰ সমাধান কৰাত বা জীয়াই থকাসকলক সুৰক্ষা প্ৰদান কৰাত ব্যৰ্থ হয়। এই ভংগবোৰ বিচ্ছিন্ন ঘটনা নহয়, বৰঞ্চ ই লিংগৰ মাজত অসমতা বজাই ৰখা সামাজিক আৰু সাংস্কৃতিক ব্যৱস্থাৰ অংশ।

এনেদৰে, বৰ্ণগত আৰু জাতিগত সংখ্যালঘুসকলো মানৱ অধিকাৰ ভংগৰ দ্বাৰা অসামঞ্জস্যপূৰ্ণভাৱে প্ৰভাৱিত হয়। বৰ্ণ, জাতি বা জাতীয়তাৰ ভিত্তিত বৈষম্য এখন বিশ্বব্যাপী সমস্যা হৈ আছে, য’ত বহুতো সংখ্যালঘুক হিংসা, বৈষম্য আৰু প্ৰান্তীয়কৰণৰ সন্মুখীন হ’বলগীয়া হয়। ইয়াৰ উদাহৰণ হ’ল ম্যানমাৰত জাতিগত সংখ্যালঘুৰ ওপৰত অত্যাচাৰ, আমেৰিকাত আফ্ৰিকান আমেৰিকানসকলৰ সন্মুখীন হোৱা ব্যৱস্থাগত বৰ্ণবাদ, বা লেটিন আমেৰিকাত আদিবাসীসকলৰ উচ্ছেদ। বৰ্ণগত আৰু জাতিগত বৈষম্য এটা ব্যাপক সমস্যা, যি জৰুৰীভাৱে মনোযোগৰ দাবী কৰে।

আনহাতে, শৰণাৰ্থী অধিকাৰ আৰু প্ৰব্ৰজন আধুনিক যুগৰ এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হৈ পৰিছে। সংঘাত, অত্যাচাৰ আৰু পৰিৱেশীয় দুৰ্যোগৰ বাবে প্ৰতি বছৰে লক্ষ লক্ষ লোক বাস্তুহাৰা হৈছে। শৰণাৰ্থীসকলে সুৰক্ষাৰ সন্ধানত বহুতো বাধাৰ সন্মুখীন হয়, য’ত আশ্ৰয়ৰ ওপৰত নিষেধাজ্ঞা, আটক আৰু শোষণ অন্তৰ্ভুক্ত। শৰণাৰ্থী আৰু প্ৰব্ৰজকৰ অধিকাৰ ৰক্ষা কৰাত ব্যৰ্থতাই আন্তৰ্জাতিক মানৱ অধিকাৰ মানদণ্ড আৰু বাস্তৱতাৰ মাজত থকা ফাঁক প্ৰকাশ কৰে। শৰণাৰ্থীসকলৰ প্ৰতি ব্যৱহাৰে প্ৰায়ে ধনী দেশবোৰৰ বিশ্বজনীন মানৱীয় দায়িত্ব ভাগ বতৰা কৰাৰ অনিচ্ছাক প্ৰকাশ কৰে, যিয়ে আটাইতকৈ দুৰ্বল লোকসকলক অনিশ্চিত আৰু বিপদসংকুল পৰিস্থিতিত এৰি দিয়ে।

অনেক ক্ষেত্ৰত, মানৱ অধিকাৰৰ সংগ্ৰাম পৰিৱেশীয় ন্যায়ৰ সৈতেও ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। জলবায়ু পৰিৱৰ্তন, পৰিৱেশীয় ক্ষতি আৰু প্ৰাকৃতিক সম্পদৰ শোষণে মানৱ অধিকাৰৰ বাস্তৱায়নৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। এটা সুস্থ পৰিৱেশৰ অধিকাৰক জীৱনৰ অধিকাৰৰ বাবে মৌলিক হিচাপে গণ্য কৰা হৈছে, কিন্তু বিশেষকৈ গোলকীয় দক্ষিণৰ লক্ষ লক্ষ লোক শিল্পীয় কাৰ্যকলাপৰ বাবে হোৱা পৰিৱেশীয় দুৰ্যোগৰ দ্বাৰা অসামঞ্জস্যপূৰ্ণভাৱে প্ৰভাৱিত হয়। প্ৰদূষণ, বনাঞ্চল ধ্বংস আৰু সম্পদ আহৰণক প্ৰায়ে মানৱীয় মূল্যৰ প্ৰতি লক্ষ্য নৰখাকৈ কৰা হয়, বিশেষকৈ যিবোৰ সম্প্ৰদায়ৰ ৰাজনৈতিক বা অৰ্থনৈতিক শক্তি নাই।

বিশ্ব সম্প্ৰদায়ই মানৱ অধিকাৰ ভংগৰ সমাধান কৰাত যথেষ্ট অগ্ৰগতি সাধন কৰিছে, কিন্তু বহুতো কাম বাকী আছে। আন্তৰ্জাতিক মানৱ অধিকাৰ আইনে জবাবদিহিতাৰ এক পৰিকাঠামো প্ৰদান কৰিছে, কিন্তু বলৱান ৰাষ্ট্ৰই প্ৰায়ে ইয়াক দুৰ্বল কৰি পেলায় বা উপেক্ষা কৰে। অ-চৰকাৰী সংগঠন শচত্বগুথগ্ন, মানৱ অধিকাৰ কৰ্মী আৰু গ্ৰাছৰুট আন্দোলনবোৰে অধিকাৰ সুৰক্ষাৰ বাবে প্ৰচাৰ কৰা আৰু চৰকাৰক জবাবদিহী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই কৰ্মীবোৰে প্ৰায়ে ভংগ উন্মোচন কৰা আৰু ন্যায়ৰ দাবী কৰাৰ বাবে নিৰ্যাতন, কাৰাবাস আৰু মৃত্যুৰ দৰে গুৰুতৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়।

ৰাষ্ট্ৰসংঘ আৰু আন্তৰ্জাতিক ফৌজদাৰী আদালতৰ দৰে আন্তৰ্জাতিক সংগঠনবোৰৰ ভূমিকাও মানৱ অধিকাৰ প্ৰচাৰ কৰাত গুৰুত্বপূৰ্ণ হৈছে, কিন্তু এই সংস্থাবোৰে বিশেষকৈ আন্তৰ্জাতিক নিয়ম মানিবলৈ অস্বীকাৰ কৰা বলৱান ৰাষ্ট্ৰৰ সৈতে মোকাবিলা কৰোঁতে গুৰুতৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়। যদিও মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ এক ঐতিহাসিক অৰ্জন, ইয়াৰ নীতিবোৰ সদায় সমানভাৱে বা ফলপ্ৰসূভাৱে প্ৰয়োগ কৰা হোৱা নাই। উদাহৰণস্বৰূপে, আত্মনিৰ্ধাৰণৰ অধিকাৰ বহুতো আদিবাসী জনগোষ্ঠী আৰু সম্প্ৰদায়ক অস্বীকাৰ কৰা হৈছে, আৰু বহুতো ক্ষেত্ৰত অৰ্থনৈতিক আৰু সামাজিক অধিকাৰক বহুজাতিক কোম্পানী আৰু আন্তৰ্জাতিক বিত্তীয় অনুষ্ঠানৰ স্বাৰ্থৰ অধীনত ৰখা হৈছে।

মানৱ অধিকাৰৰ সংগ্ৰাম ন্যায় আৰু সমতাৰ সন্ধানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। মানৱ অধিকাৰ ভংগ কেৱল হিংসা বা অত্যাচাৰ নহয়, ই গভীৰ সামাজিক অন্যায়ৰ প্ৰকাশ। এই সমস্যাবোৰৰ সমাধান কৰিবলৈ শক্তি, সুবিধা আৰু অসমতাৰ বিষয়ে সমাজে কেনেদৰে চিন্তা কৰে তাত এক মৌলিক পৰিৱৰ্তনৰ প্ৰয়োজন। ইয়াৰ বাবে বৈষম্য আৰু প্ৰান্তীয়কৰণ বজাই ৰখা ব্যৱস্থাবোৰ ভাঙিবলৈ এক সমূহীয়া প্ৰতিশ্ৰুতিৰ প্ৰয়োজন, যি বৰ্ণ, লিংগ, শ্ৰেণী বা জাতীয়তাৰ ভিত্তিত হ’লেও।

শেষত ক’বলৈ গ’লে, মানৱ অধিকাৰৰ সংগ্ৰাম এক অবিৰত যুদ্ধ, যি ৰাজনৈতিক বা সামাজিক সীমা অতিক্ৰম কৰি মানৱ অস্তিত্বৰ প্ৰতিটো দিশত স্পৰ্শ কৰে। ই মৰ্যাদাৰ বাবে সংগ্ৰাম, ই স্বীকৃতিৰ বাবে সংগ্ৰাম যে প্ৰতিজন ব্যক্তিৰ এক অন্তৰ্নিহিত মূল্য আছে আৰু সন্মানজনকভাৱে মুক্তভাৱে জীয়াই থাকাৰ অধিকাৰ আছে। বছৰজুৰি হোৱা অগ্ৰগতি সত্ত্বেও বহুতো প্ৰত্যাহ্বান বাকী আছে, আৰু মানৱ অধিকাৰৰ বাবে যুদ্ধ শেষ হোৱা নাই। এই অধিকাৰবোৰৰ বাস্তৱায়নৰ বাবে ব্যক্তি, সম্প্ৰদায় আৰু চৰকাৰৰ সমূহীয়া কাৰ্যৰ প্ৰয়োজন, লগতে ন্যায়, সমতা আৰু মানৱ মৰ্যাদাৰ প্ৰতি এক গভীৰ প্ৰতিশ্ৰুতিৰ প্ৰয়োজন। তেতিয়াহে আমি এটা বিশ্ব গঢ়িবলৈ আশা কৰিব পাৰোঁ, য’ত প্ৰতিজন মানুহৰ অধিকাৰ সঁচাকৈয়ে ৰক্ষা আৰু সুৰক্ষিত হয়।

**দূৰভাষ ঃ ৯৮৬৪৫-৩৯৯৬৬**

## জীৱনৰ লাখুটি চিৰস্থায়ী নহয়

■ চন্দ্ৰ শেখৰ পৰাজুলী

এই সৃষ্টিত যেনেদৰে উত্থানৰ অনিশ্চিয়তা আছে। ঠিক তেনেদৰে তাৰ পতনৰো কোনো সীমা নাথাকে। অৰ্থাৎ যত ভাল থাকে তাৰ লগে লগেই বেয়াবোৰ লগ লাগি আহিবলৈ ধৰে। সেয়েহে নিজৰ ভাল দিশবোৰত অন্যান্য মানুহক অৱহেলাৰ পাত্ৰ বুলি গণ্য কৰিব নালাগে। কিয়নো আমি একোৱেই নাজানো আমাৰ পতনৰ সময় সীমাবোৰ কেতিয়া বা কোন দিনৰ পৰা আৰম্ভণি হৈ যাব পাৰে। মানুহ এজনৰ একেবাৰে সহজাত প্ৰবৃত্তি এইটোৱেই যে আপোনাৰ ভাল দিনবোৰত সকলো মানুহে হয়ভৰ দি সমৰ্থন কৰি আহিব। কাৰণ তাতে তেওঁলোকৰ আপোনাৰ লগত স্বাৰ্থ জড়িত হৈ থাকে। আৰু যেনি গম পাবলৈ ধৰে আপোনাৰ বেয়া দিনবোৰ কাষ চাপিব ধৰিছে সেই তেতিয়া আপোনাক আৰু আগৰ দৰে গন্তিত বা পূৰ্বৰ দৰে এক আত্মমৰ্যদা প্ৰদানৰ পৰা অৱজ্ঞা প্ৰদান কৰে। আচলতে আমি সচৰাচৰ লাখুটি বুলি কলে একেবাৰে গাঁৱলীয়া ভাষাত কাঠেৰে নিৰ্মিত আৰু পৰাপক্ষত একেবাৰে বৃদ্ধ অৱস্থাত গৈ নিজ নিজ শৰীৰৰ ভাৰ সমূহক স্থিতি প্ৰদান বাবে ব্যৱহাৰ হোৱা এদিন আহিলা বা বস্তু এটা বুলি গম পাওঁ। অৰ্থাৎ তাৰ পৰিবৰ্তে আমি অন্যান্য একেবাৰে মজবুত ধৰণৰ ধাতুৰে নিৰ্মিত নানান সংসাধনবোৰো আমাৰ প্ৰয়োগত লৈ আহিব পাৰোঁ। কিন্তু আমি যদি একেবাৰে গভীৰভাবে চিন্তা কৰোঁ তেন্তে গম পাম যে এই জীৱন ৰূপী লাখুটি কাৰো বাবেই চিৰস্থায়ী হৈ নাথাকে। অৰ্থাৎ মই ব্যবহাৰত লৈ থকা লাখুটি ডাল হয়তো এটা সময়ত গৈ গৈ হয়তো মোৰ বাবেই এক অৰ্থহীন বা এক পেলনীয়া সমগ্ৰী দৰে হৈ পৰিব পাৰে। এতিয়া কথা হ’ল আমি প্ৰয়োগত লৈ অহা সেই লাখুটি ডালৰ জৰিয়তে যেতিয়া নিজা কাৰ্যবোৰ একেবাৰে সুচাৰুভাৱে সম্পন কৰি লও তাৰ পৰিবৰ্তী পৰ্যায়ত তাক আমি কেনে মৰ্যদা প্ৰদান কৰিবলৈ সমৰ্থ হও সেইটো এক উল্লেখনীয় কথা আহি পৰে। গতিকে কেতিয়াবা হয়তো কোনোবা এজনৰো মুখেৰে আজিলৈকে শুনিবলৈ সক্ষম হৈছে নেকি একেবাৰে অজৰ অমৰ লাখুটি বোৰৰ কথা। কিন্তু আমি এক সাধাৰণ মানুহে হয়তো আনৰ ভাগ্যৰ বলত নিজে কিছুদূৰ আগুৱাই যাবলৈ সক্ষম হলেই আমি মনে মনে হয়তো এইটো ভাবিবলৈ আৰম্ভ কৰি দিওঁ যে মোৰ জীৱন ৰূপী লাখুটি ডালক কোনেও একো এটা ক্ষতি সাধন কৰিব নোৱাৰে। আচলতে এই সংসাৰৰ মোৰ সামান্য জীৱন অভিজ্ঞতাৰ পৰা দৃষ্টিগোচৰ হোৱা কথাটো হল এইটোৱেই যে ইয়াত বেয়া দিনবোৰে বাজনা বজাই বজাই নাহে। বেয়া দিনবোৰ আহিবলৈ ধৰিলে বতাহৰ গতিত আহিবলৈ ধৰে আৰু আমাৰ সকলোবোৰ ভ্ৰম ,অহংকাৰ নিমিষতে ধংশ কৰি লৈ যায়। হয়তো ইয়াতে কিছুমান বুদ্ধিজীবি মানুহে মনে মনে ভাবিব পাৰে যে মই পৰাপক্ষত লাখুটিৰ ওপৰত লাখুটি নিৰ্মাণ কৰা কাৰখানা তৈয়াৰ কৰিব। কিন্তু তেওঁলোকে এইটো নাজানে যে সেই নিজৰ দ্বাৰা নিৰ্মাণ কাৰখানা সমূহত তৈয়াৰৰ নিমিত্তে এটা সময়ত গৈ হয়তো উপযুক্ত পৰিমাণৰ সামগ্ৰি পাবলৈকেও হাহাকাৰ লাগি যাব। সেয়েহে একেবাৰে সামান্য হ’লেও মনতে পুহি ৰাখিব লাগিব ভয়। কাৰণ জীৱনৰ লাখুটি চিৰস্থায়ী নহয়।

দূৰভাষ ঃ ৯৭০৭৩-০৬৪৭৪

## সাংস্কৃতিক জগতক চহকী কৰা নাট্যকাৰ কণ্ঠ শিল্পী-লেখক, পৰিচালক ভৰত বৰপূজাৰী

■ এম হাছিম আলী

১৯২৪ চনৰ ২৯ জুলাইত যোৰহাটৰ তৰাজান সোণাৰী গাঁৱত জন্ম গ্ৰহণ কৰে কণ্ঠ শল্পী, নাট্যকাৰ, পৰিচালক তথা অসমৰ সাংস্কৃতিক জগতক জীপাল কৰা ভৰত বৰপূজাৰী । মাত্ৰ দহবছৰ বয়সতে তেওঁ ডিব্ৰুগড়ৰ চিৰিং চাপৰিত থকা ককাক ৰামেশ্বৰ চক্ৰৱৰ্তীৰ ঘৰলৈ আহে। ককাকৰ ঘৰত এটা সংগীতৰ মধুৰ পৰিৱেশ আছিল সেয়ে তেওঁ মোহত আবদ্ধ হৈ পৰে আৰু ডিব্ৰুগড়তে থকাৰ সংকল্প গ্ৰহণ কৰে । পৰিয়ালৰ সকলোৱে এই কথাত আনন্দ প্ৰকাশ কৰে। তেওঁৰ শিল্পীসুলভ মনটি সকলোৱে ভাল পাইছিল। হাইস্কুলীয়া শিক্ষাগ্ৰহণ কৰে ডিব্ৰুগড়ৰ জ’ৰ্জ ইনষ্টিটিউতত যাৰ বৰ্তমান ‘বাগ্মীবৰ নীলমণি ফুকন স্কুল’। কলেজীয়া শিক্ষাগ্ৰহণ কৰে বেনাৰস হিন্দু বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত । শিল্প সংস্কৃতিৰ পৰিৱেশত ডাঙৰ হৈ অতি কম সময়ৰ ভিতৰতে তেওঁ প্ৰতিভাৰ পৰিচয় দিব পাৰিছিল। স্কুলীয়া দিনতে তেওঁ অভিনয় কৰাৰ সুযোগ লাভ কৰে আৰু পিছলৈ গায়ক, বাদ্যযন্ত্ৰী, নাট্যকাৰ, পৰিচালকৰূপে সকলোৱে পৰিচিত হৈ পৰে। কালক্ৰমত তেওঁ হৈছিল এজন অভিনেতা, নাট্যকাৰ, লেখক, পৰিচালক, চলচ্চিত্ৰ নিৰ্মাতা ,সুদক্ষ সংগঠক আৰু বাতৰি কাকতৰ সম্পাদক। এজন মঞ্চ অভিনেতা আৰু অনাতাঁৰ শিল্পী ৰূপেও তেওঁৰ খ্যাতি আছিল। অসম চাহ মজদুৰ সংঘত চাকৰি কৰি থকা সময়ত চাহ মজদুৰ সমাজৰ সাংস্কৃতিক আৰু বৌদ্ধিক বিকাশৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ডিব্ৰুগড়ৰ আকাশবাণী কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত ‘আসঁৰ’-নামৰ অনুষ্ঠানটি চাহ বাগানৰ মজদুৰ সমাজৰ জীৱনক লৈ প্ৰস্তুত কৰা হৈছিল, য’ত ভৰত বৰপূজাৰীদেৱে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। চাহ বাগানৰ মজদুৰ সমাজক লৈ তেওঁ নিৰ্মাণ কৰিছিল ‘কেঁচাসোণ’ নামৰ বোলছবি খনি। কাহিনী তেওঁৰ নিজা। সংগীত পৰিচালনা কৰিছিল ড°ভূপেন হাজৰিকা। পৰিচালনাত আছিল ফণী শৰ্মা।১৯৭৫ চনত নিৰ্মিত ‘ৰতনলাল’ চিনেমাখনো প্ৰস্তুতিৰ মূলতে আছিল তেওঁ। দুয়োখনৰে চিত্ৰনাট্য আৰু সংলাপ তেওঁ ৰচনা কৰাৰ উপৰি কথাছবিখনত অভিনয়ো কৰিছিল। সংগীত পৰিচালনা কৰিছিল তেখেতৰ সতীৰ্থ নিৰ্মল চক্ৰৱৰ্তী। অসম চাহ মজদুৰ সংঘৰ নিয়মীয়া বাতৰিকাকত ‘চাহ মজদুৰ’খনৰ বৰপূজাৰী আছিল প্ৰতিষ্ঠাপক সম্পাদক। এই কাকতখন বৰ্তমানো চলিত আৰু কাকতখনে ইতিপূৰ্বে মজদুৰ সমাজৰ কেইবাজনো লেখক সাহিত্যিকক সৃষ্টি কৰিলে। তেখেতে বিভিন্ন অধ্যয়ন চক্ৰ, আলোচনাচক্ৰ আদিৰ বাবে ৰাছিয়া, থাইলেণ্ড, মালয়েছিয়া, শ্ৰীলংকা আদি ভ্ৰমণ কৰি বহু অভিজ্ঞতা অৰ্জন কৰিছিল। মানৱ দৰদী মহান শিল্পী প্ৰাণ ভৰত বৰপূজাৰী আছিল সম্পূৰ্ণ প্ৰচাৰবিমুখ। ১৯২৪ চনত জন্ম গ্ৰহণ কৰা ভৰত বৰপূজাৰী কৈশোৰৰ পৰাই গীত-বাদ্য অভিনয়ৰ প্ৰতি আছিল প্ৰবল ধাউতি। তেখেতে জীৱনকালত সাংস্কৃতিক জগতৰ প্ৰতিটো দিশতে খোজ পেলালে বুলি ক’লে হয়তো ভুল কৰা নহ’ব। নাট্য চৰ্চাত অত্যন্ত ৰাপ থকা বৰপূজাৰীঘ্ৰে জীৱনৰ প্ৰথম নাট আছিল ‘আৰতিৰ বিয়া’ কিন্তু সেয়া কিবা কাৰণত প্ৰকাশ নহ’ল। তেখেতৰ এঘাৰ বছৰ বয়সত কুকুৰীকণাৰ আঠমংগলা নামৰ নাটখনি নন্দশ্বৰ চক্ৰৱৰ্তীৰ চৌহদত মঞ্চসজ্জা কৰা হৈছিল। তেখেতে নাট্যমন্দিৰত অনুষ্ঠিত কৰা মণিৰাম দেৱান নাটকত হৰনাথ বৰুৱাৰ চৰিত্ৰত অভিনয় কৰিছিল। ‘ডেউকা ভঙা শৰালী’ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ ‘চিকৰপতি’ নাটকতো সফল অভিনয় কৰি দশকৰ মন জয় কৰিছিল। সেইসময়ত তেখেতৰ সতীৰ্থ আছিল তিলক দুৱৰা, গোলাপ শৰ্মা, গগন বৰুৱা, অভয় দুৱৰা আদিৰ দৰে জনপ্ৰিয় শিল্পীসকল। অসমৰ সাংস্কৃতিক জগতৰ চিৰ জ্যোতিস্মান উজ্জ্বল নক্ষত্ৰ জ্যোতিপ্ৰসাদৰ সান্নিধ্য পোৱা পূজাৰীদেৱে তেখেতৰ সাংস্কৃতিক যাত্ৰাত এজন সহযাত্ৰীস্বৰূপে সমানে খোজ দিছিল। তেওঁ কেতিয়াবা হয়তো তামোলবাৰী চাহ বাগিচাত আৰু মাজে মাজে ডিব্ৰুগড়ৰ বাসভৱনত দুয়ো সমবেত হৈ বিভিন্ন আলোচনাত নিমজ্জিত হৈ পৰিছিল। তেওঁলোকৰ আলোচনাৰ বিষয় আছিল— ‘সাহিত্য, সংস্কৃতি, সমাজ, সম্প্ৰীতি, নাটক, চিনেমা আদি। এইদৰে জ্যোতিৰ পৰশ লাগি ভৰত বৰপূজাৰী হৈ পৰিছিল জ্যোতিস্মান তথা অসমৰ সাংস্কৃতিক জগতৰ এজন বিশেষ গুৰুত্বপূৰ্ণ ব্যক্তি। বৰপূজাৰীৰ মতে মোৰ সাংস্কৃতিক জীৱনৰ প্ৰতিটো খোজত জ্যোতিপ্ৰসাদৰ প্ৰভাৱ অসীম আৰু অতুলনীয়। মোক বহুত প্ৰেৰণা যোগাইছিল। তেখেত আছিল জাতীয় সংস্কৃতিৰ আধুনিক ৰূপকাৰ আৰু আমি আটায়ে তেখেতক Hard Task Master বুলি অভিহিত কৰিছিলোঁ। এদিন তেওঁ জ্যোতিপ্ৰসাদক প্ৰস্তাৱ দিছিল ‘আপোনাৰ গীতবোৰ ‘জ্যোতি সংগীত’ বুলি নামাকৰণ কৰিব নোৱাৰিনে ? প্ৰত্যুত্তৰত তেওঁ ক’লে— সেয়া ৰাইজে বিচাৰ কৰিব। কথা মতে কাম। ১৯৪৮ চনৰ আগষ্ট মাহত ডিব্ৰুগড়ৰ ৰংঘৰ চিনেমা হল, জ্ঞানদায়িনী সংগীতায়নে জাগৃতি নামৰ এক সাংস্কৃতিক অনুষ্ঠানৰ যোগেদি স্থানীয় ৰংঘৰ চিনেমা হলত সৰ্বসন্মতিক্ৰমে জ্যোতিপ্ৰসাদৰ গীতৰ সঁফুৰাক নামাকৰণ কৰা হ’ল ‘জ্যোতিসংগীত’ বুলি। এক স্মৰণীয় দিনৰ এক স্মৰণীয় কাম। ডিব্ৰুগড় আৰ্ট প্লেয়াৰ্ছ ছ’চাইটিৰ সভাপতি স্বৰূপে তেওঁ ইয়াৰ বহুল উন্নতি সাধে। তেখেতৰ বন্ধু সাংসদ পৱন সিং ঘাটোৱাৰে আগবঢ়োৱা পুঁজিৰে প্ৰেক্ষাগৃহটি আসনেৰে সু-সজ্জিত কৰি তুলিলে। তেখেতৰ অন্য এক বন্ধু বিখ্যাত ব্যৱসায়ী মহাদেউ জালানৰ সৌজন্যত ‘জালান চেৰিটি ট্ৰাষ্টে’ প্ৰেক্ষাগৃহটি মেৰামতি কৰি এক নতুন ৰূপ দিলে। ডিব্ৰুগড়ৰ সু-সাহিত্যিক দেৱী প্ৰসাদ বাগড়োদিয়াই বৰপূজাৰীদেৱৰ অনুৰোধত নাট্যমন্দিৰৰ সন্মুখত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এটি আৱক্ষ মূৰ্তি স্থাপন কৰি দিয়ে। এই আৱক্ষ প্ৰতিমূৰ্তি উন্মোচন কৰে আগৰৱালাদেৱৰ অন্য এক অনুগামী সংগীত শিল্পী নিৰ্মল চক্ৰৱৰ্তীদেৱে। ভৰত বৰপূজাৰীক অসম চৰকাৰে ১৯৯১ চনত শিল্পী পেঞ্চন আৰু ২০০৪ চনত শিল্পী বঁটাৰে সন্মানিত কৰে। লগতে অসম সাহিত্য সভা, অসম নাট্য সন্মিলন, ডিব্ৰুগড় সাহিত্য সভা, ৰাধা গোবিন্দ বৰুৱা স্মৃতিৰক্ষা সমিতি, ভাবীকাল চয়নিকা নাট্যগোষ্ঠী, ষ্টেট বেংকৰ ডিব্ৰুগড় মাণ্ডলিক কাৰ্যালয় আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানে তেখেতৰ বিৰল কীৰিতিৰ বাবে তেখেতক বিশেষ সন্মান প্ৰদান কৰে। সংস্কৃতিৰ প্ৰতিটো দিশ ভালপোৱা পূজাৰীদেৱৰ মতে সদায় সমাজ আৰু দেশৰ বাবে কিবা কৰাৰ চিন্তা আগত ৰাখি সাংস্কৃতিক মনোবৃত্তিৰে কামত আগবাঢ়িব লাগে। সমাজত পৰিৱৰ্তন আহি থাকিব আৰু সেইমতে কাম-কাজ চলি থাকিব। কিন্তু সাংস্কৃতিক মনোবৃত্তি নাথাকিলে আমি কেতিয়াও পৰক আপোন কৰিব নোৱাৰোঁ। নতুন প্ৰজন্মক একো একোজন ভাল সাংস্কৃতিককৰ্মীৰূপে গঢ়িব লাগিব। গণ মাধ্যমসমূহৰ স’তে নিকট সম্পৰ্ক ৰক্ষা কৰি সমাজখন আৰু দেশখন আগবঢ়াই নিব লাগিব। জয়মতীৰ দ্বিতীয় সংস্কৰণৰ তেওঁ আছিল প্ৰধান সহযোগী। ডাবিঙত তেওঁ সাতটা চৰিত্ৰৰ কণ্ঠদানৰ লগতে তেওঁৰ দ্বাৰা ৰচিত ‘অ জোন জোনালী’ গীতটিৰ সংযোজন।

অসমৰ সাংস্কৃতিক জগতৰ এক অন্যতম উজ্জঞ্জ্বল নক্ষত্ৰ বৰপূজাৰীচদেৱৰ চিৰিংচাপৰিত অৱস্থিত ঘৰটিত এসময়ত সমবেত হৈছিল লক্ষ্যধৰ চৌধুৰী, ফণী শৰ্মা, বিষ্ণু ৰাভা নিৰ্মল চক্ৰৱৰ্তী, চন্দ্ৰ ফুকন আৰু বহুজন। সেয়া আছিল যেন সোণালী দিনৰ স্বৰ্ণময় সান্নিধ্য। সেয়ে জ্যোতিপ্ৰসাদ আগৰৱালাই এসময়ত তেখেতৰ ঘৰটিক ‘আৰ্টিষ্ট কেম্প’ বুলি অভিহিত কৰিছিল।

স্ব-প্ৰতিভাৰে জ্যোতিস্মান বৰপূজাৰীদেৱ আছিল যেন এজন অক্লান্ত সেৱক আৰু মুকুটবিহীন সম্ৰাট। তেওঁৰ আছিল অফুৰন্ত কৰ্মশক্তি আৰু এক নিজস্ব দৃষ্টিভংগী। সকলো কাম পৰিস্কাৰ পৰিচ্ছন্নকৈ সময় মতে নিখুঁতকৈ কৰাতো আছিল তেখেতৰ এক বিশেষ গুণ। সকলোৱে দৃষ্টিত তেওঁ আছিল অনন্য।বয়সেও যাক ৰুধিব নোৱাৰেবৰণীয় তেওঁ অক্ষয় ভাণ্ডাৰে ক্সজ্যোতিপ্ৰসাদ সোঁৱৰণী স্থান’ৰ তেওঁ আছিল এজন সক্ৰিয় সদস্য আৰু এই স্থানৰ বেনাৰত ডক্ত্ম ভূপেন হাজৰিকা পৰিচালিত আৰু হৃদয় আগৰৱালা প্ৰযোজিত ‘ৰূপকোঁৱৰ আৰু জয়মতী’ বোলছবিত দুটা ‘জয়ানাম’সন্নিৱিষ্ট কৰা হৈছিল তাৰে এটা আছিল আগৰৱালাৰ আৰু আনটি ভৰত বৰপূজাৰীৰ।

জোন যেন কুঁৱৰী - অ’ জোন তৰা লখিমী বোৱাৰী অ’ জোন তৰা ঘৰতে আছিলা হাঁহি অ’ জোন তৰা স্বৰ্গদেউৰ সভালৈ ওলালা জয়া। (আগলৈ)

# আই ডি এচ টাৱাৰ


আবেলি বৰষুণ এৰাত স্কুলৰ ওচৰলৈ ওলাই গ'লো। ঘূৰি আহোতে ফুড ফেষ্টিভেলত সোমাই গাখীৰ আৰু শাক-পাচলি কিনি আনিলো।

আজি পহিলা জুন বৃহস্পতিবাৰ। ৰাতিপুৱাৰে পৰা বৰষুণ দি আছে। বৰষুণৰ লগতে বতাহ । বৰষুণ ক্ৰমান্বয়ে বেছি হ'বলৈ ধৰিছে।



ৰাজুমণি অফিচলৈ যাবৰ সময় হৈছে। সি বৰষুণতেই গ'লগৈ। অলপ পিচতেই যাবা বুলি মোৰ ক'বলৈ ইচ্ছা আছিল যদিও নকলো। ইয়াৰ সময়ৰ কাম সময়তেই কৰা হয়। আমাৰ তাত এনেকুৱা বৰষুণ বতাহ হ'লে কোনেও সময় মতে কৰ্তব্যত উপস্থিত নহয়। আমাৰ ঘৰৰ সন্মুখত ৰোৱা বাচখন দৈনিক দুই মিনিট পলম হোৱা দেখা নাই। ছাত্ৰ-ছাত্ৰী সকলো মাত্ৰ দুই-তিনি মিনিট আগতহে আহি বাচৰোৱা ঠাইত বৈ থাকে। ইয়াত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ইউনিৰ্ফৰ্ম পিন্ধা দেখা নাই । দ্বাদশ শ্ৰেণীতহে হাইস্কুলীয়া শিক্ষা শেষ হয়। সেই পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক হাইস্কুল গ্ৰেজুৱেট বোলা হয়। সেই সকল চাকৰিৰ বাবে উপযুক্ত হয়। কম সংখ্যকেহে কলেজত পঢ়িবৰ কাৰণে সুবিধা পায়। কাৰণ কলেজত নাম ভৰ্ত্তিৰ বাবে পুনৰ কঠিন পৰীক্ষা দিব লাগে। সেই পৰীক্ষাত পাচ কৰিলেহে ঘৰখনত উৎসৱমুখৰ হয়। হাইস্কুল গ্ৰেজুৱেট পৰীক্ষাত পাচ কৰিলে ঘৰখনত নামফলক আঁৰি থোৱা ক'তো দেখা নাই । নামৰ পিচত বিশ্ববিদ্যালয়ৰ ডিগ্ৰীবোৰো লিখা চকুত পৰা নাই । মানুহবোৰে যেন আত্মপ্ৰচাৰ কৰি ভাল নাপায় তেনে অনুমান হয়। বাসস্থানৰ ক্ষেত্ৰত ধনী-দুখীয়াৰ প্ৰভেদ ধৰিব নোৱাৰি। চলাই ফুৰা গাড়ীখনৰ পৰাহে হেনো অৱস্থাৰ উমান পোৱা যায়। অৱস্থাবান সকলৰ গাড়ীবোৰ দামী, সদা নতুন । দুজনীয়া একোটা পৰিয়ালৰো তিনিখনকৈ গাড়ী দেখিছো। পতি-পত্নী দুয়োৰো দুখন আৰু মালবস্তু কঢ়িওৱাৰ বাবেও এখন। আমাৰ কাষৰ প্ৰত্যেকঘৰৰেই তিনিখনকৈ গাড়ী আছে অথচ তিনিঘৰৰ পৰিয়াল মাথোন দুজনকৈহে আছে। বাকী কেইঘৰৰো তিনিজনতকৈ বেচি নহয়। সন্মুখত মোক দেখা পালে হাই বুলি হাত দাঙি মাত দি যায়।

জুন মাহৰ ২ তাৰিখ ৰাতিপুৱাই ৰাজুমণি আৰু ববি বজাৰ কৰিবলৈ গ'ল। মই কোঠাসমূহ ভেকুৱেম ক্লিনাৰে ছাফা কৰিলো । মই ফুড ফেষ্টিভেল নামৰ মললৈ গৈ বজাৰ কৰি আহিলো। এক পাউণ্ড মুৰ্গীৰ মাংসৰ দাম ৬ ডলাৰ, কেজিত ১২ ডলাৰ প্ৰায় ৪৫০.০০ টকা অথচ আমাৰ ঘৰৰ নিজা পুখুৰীৰ তেনে মাছ কেজিত মাত্ৰ ৪০.০০ টকাকৈহে বেচিব পাৰো। কাপোৰ-কানিৰ দাম শুনিলে আচৰিত হ'বলগীয়া । ২০ দিনীয়া নাতিল'ৰাৰ বাবে বোলো দীঘল চোলা এটা লওঁ, পেন্ট আৰু চাৰ্ট যোৰাৰ দাম ল'লে ১৬ ডলাৰ (৭২০.০০ টকা) । যিকোনো বস্তু বা কাপোৰ-কানি কিনি অনাৰ ১০-১৫ দিনৰ পিচত ঘূৰাই দিব পাৰি। কিনা ৰচিদখন দেখুৱাব লাগে, কি কাৰণত ঘূৰাই দিব খোজে তাৰে কাৰণটো ক'ব লাগে। কোনো কথাই নাই তেওঁলোকে একো আমনি নাপায়। কাউন্টাৰবোৰত কম বয়সীয়া ল'ৰা-ছোৱালীও দেখিছো। বোধকৰো হাইস্কুলত পঢ়া। আজৰি সময়ত বা বন্ধৰ দিনত কাম কৰিছে। হেল' বুলি মাতিবই । বস্তুকেইপদৰ দাম মেচিনত হিচাব কৰি পইচা দিলে ধন্যবাদ জনাব আৰু শেষত হেভ এ গুড দে বুলি বিদায়



## প্ৰাচুৰ্যৰ দেশত এভুমুকি

■ আকলু দেৱ শৰ্মা

দিব। প্ৰত্যেকখন মলতেই একেই আচৰণ দেখিছো। হাত-মুখৰ জিৰণি নোহোৱাকৈ কাম কৰিয়েই আছে অথচ মুখত কান্তিৰ ভাৱ বা অৱসাদৰ ভাৱ লেশমানো দেখা নাই। লাভ অফ প্ৰফেচনচ ৰ বাবেই হয়তো এনেকুৱা হয়। কিছুমান মল ২৪ ঘন্টাই খোলা থাকে। নিশা ১১ বজাত সোমাইছো তেতিয়া অৱশ্যে ভীৰ অলপ কম।

আজি শনিবাৰ। সপ্তাহৰ শেষ দিন। কোহাল নামৰ মল এখনলৈ গ'লো। চোলা তিনিটা কিনিলো। মোৰ বাবে গেঞ্জী এটা ১০ ডলাৰদি কিনিলো। তেনেই সাধাৰণ হলৌ গেঞ্জী। প্ৰায় ৪৫০.০০ টকা। তাৰ পৰা ওলাই গৈ কাব ফুড নামৰ মলত সোমালো আৰু সপ্তাহটোৰ বাবে বজাৰ কৰি আনিলো। ইয়াত ফ্ৰজেন বস্তুও পোৱা যায়। সেইবোৰ সাঁচি ৰাখি খাব পাৰি। এটা কথা হয়তো মই উল্লেখ কৰা নাই । তৰকাৰী কিছুমান বাকলি গুচোৱা বা কটা অৱস্থাতো পেকেটত পোৱা যায়। সেইবোৰৰ দাম অৱশ্যে অলপ বেচি। বৰ ডাঙৰ তৰমুজবোৰ ফালি টুকুৰা-টুকুৰ কৰি পলিথিনেৰে মেৰিয়াই বিক্ৰী কৰিছে। ইয়াত গিফ্‌ট বা উপহাৰ দিয়া প্ৰথাটো বেছিকৈ চলে। যেনে ২০ ডলাৰতকৈ বেছি টকাৰ বস্তু কিনিলে কণী একডৰ্জন বিনামূলীয়াকৈ দিব। সেইদৰে প্ৰত্যেক মলেই একোটা নিৰ্দিষ্ট দিনত বস্তু কিছুমানৰ দাম শতকৰা ১০ ভাগ, কোনোবাটোৰ ৩০ ভাগ, কোনোবাটোৰ ৭০ ভাগ পৰ্যন্ত ৰেহাই মূল্যত বিক্ৰী কৰে। তেতিয়া গ্ৰাহকৰ বৰ ভীৰ হয়। ৰেহাই মূল্য ঘোষণাকৰা কাগজ ডাকযোগে প্ৰত্যেক পৰিয়াললৈ পঠাই দিয়ে। ৰেহাই কুপনখন লগত নি মূল্য দিবৰ সময়ত কাউন্টাৰত দেখুৱালেই হ'ল। বহুতো গ্ৰাহকৰ হাতে- হাতে তেনে কুপনৰ টুকুৰাবোৰ দেখিবলৈ পাইছো।

আগতে দুদিনো এখন দোকানত মিছামাছ ভজা আৰু মিঠাই ভাজি নমুনা চাবৰ বাবে দিয়াত মিছামাছৰ টুকুৰা খোৱাৰ কথা উনুকিয়াইছো । আজি এইখন দোকানতে এগৰাকী বৃদ্ধাই মাংসৰ টুকুৰা ভাজি খাই চাবলৈ কৈছে। কিছুমানে খাইছে। গধূলি সোনকালেই ঘূৰি ঘৰ পালোহি।

জুন মাহৰ ৪ তাৰিখ, আজি ৰাতিপুৱাৰে পৰা বৰষুণ দিয়েই আছে। সেয়ে কলৈকো ওলাই যাব পৰা নাই । আবেলি বৰষুণ অলপ কম হোৱাত ফুৰিবলৈ ওলাই গ'লো যদিও সোনকালেই ঘৰ সোমালোহি। ৰবিবাৰ কাৰণে অফিচবোৰ বন্ধ । তাতে আকৌ বতৰ বেয়া বাবে মানুহ ওলোৱা নাই । আনদিনাতকৈ ৰাস্তাত গাড়ীও কম দেখিছো। এটা কথা ইয়াত মানুহৰ জীৱনধাৰাৰ মান উন্নত হোৱাৰ লগতে আয়ুসো বেছি। ইয়াত স্বাস্থ্যৰ প্ৰতি আৰু খাদ্যৰ প্ৰতি মানুহবোৰ বৰ সচেতন। চৰ্বিযুক্ত খাদ্যবস্তু আৰু মচলাযুক্ত আহাৰ প্ৰায়েই গ্ৰহণ নকৰে। মলবোৰত বিক্ৰী কৰা মাছ-মাংসৰ পেকেটৰ ওপৰতো ফেট ফ্ৰি বা ফেট দুই শতাংশ, পাঁচ শতাংশ এইদৰে লিখা আছে। তাৰোপৰি বিস্কুট বা মিঠাইৰ পেকেটবোৰতো সেইদৰে লিখা থাকে। পেকেটবোৰ চাই-পঢ়িহে বস্তু লোৱা দেখিছো। সৰিয়হ তেল একমাত্ৰ ইণ্ডিয়ান ষ্টৰ নামৰ দোকানখনৰ পৰাহে আনিব পাৰিছো। তাকো শলিতা জ্বলাবৰ বাবেহে। খাদ্য ৰন্ধা-বঢ়া কামত Canola, safola আদি তেল ব্যৱহাৰ কৰা হয়। এই দেশত প্ৰধান বেমাৰ দুবিধতহে হেনো মানুহ মৃত্যু মুখত পৰে। প্ৰথমবিধ হৈছে—কৰ্কট ৰোগ আৰু দ্বিতীয়বিধ হৈছে হৃদযন্ত্ৰত অসুখ। আমাৰ দেশৰ দৰে গ্ৰহণী, কলেৰা আদিত মানুহ নমৰে। তাৰ কাৰণ হৈছে উন্নত চিকিৎসা পদ্ধতি, খাদ্য সামগ্ৰী আৰু পানী। টাৰ্গেট নামৰ মলখনলৈ সঘনে যাওঁ। তাত বিনামূলীয়াকৈ ব্লাড পেচাৰ জোখাৰ ব্যৱস্থা আছে। কাষতে এখন ফাৰ্মাচীও আছে। আমাৰ দেশৰ দৰে ঔষধ খুজিলেই নিদিয়ে। ডাক্তৰৰ পেচক্ৰিপচনৰ অবিহনে ঔষধ বিক্ৰী নকৰে। ইয়াত ডাক্তৰ সকলৰ অৱস্থা বৰ ভাল। চিকিৎসাৰ খৰচো বেছি। হেল্‌থ ইনচুৰেঞ্চ নকৰিলে চিকিৎসক সকলে প্ৰায় নাচায়েই । চালেও অত্যধিক মাচুল লয়। চৰকাৰৰ পক্ষৰ পৰা ঘৰলৈ নাৰ্চ আহি কেঁচুৱাৰ খোৱা, গা-ধুওৱা আদি কামবোৰ তদাৰক কৰি অৱশ্যকীয় দিহা পৰামৰ্শ সঘনে দি যায়হি বুলি ক'লে নিশ্চয় আমাৰ অবিশ্বাস্য যেন লগা কথা। কিন্তু এয়া আনে কোৱা বা অনৰ মুখৰ শুনা কথা নহয় মই নিজে দেখা কথাহে। বাহিৰা দেশৰ পৰা এই দেশে এওঁলোকৰ আৱশ্যকীয় খাদ্য বস্তুৱেই হওক বা আন আমদানি কৰি আনিবলৈ কাৰ্পণ্যবোধ নকৰে। ফল-মূল, শাক-পাচলি, কাপোন-কানিও কোন দেশৰ পৰা অনা হৈছে তাক লিখা থাকে। বাংলাদেশত তৈয়াৰ হোৱা গেঞ্জী-চোলাও দেখিছো। চীন দেশ, কোৰিয়া আদিৰ বস্তু সৰহ পৰিমাণৰ দেখিবলৈ পাইছো। কেঁচুৱাৰ দোলনা, গা-ধুওৱা টাব আদিও চীন দেশত তৈয়াৰ কৰা। তুলনামূলকভাৱে খাদ্য সামগ্ৰীৰ মূল্য অলপ কম। অৱশ্যে আমাৰ ধনৰ মূল্যৰে নহয়। গাড়ী চালাই গৈ থাকোতেও এহাতে চেণ্ডউইচ বা ক'ককলা খাই গৈ থকা দেখিছো।



---

# এজাক প্ৰেমৰ বৰষুণ

## কমল বৰ্মন

মাৰুতিখন চোতালৰ আগফালে বৈ আছে। সময় যেতিয়া ১০ বাজি ৫ মিনিট গৈছে, ক'লা ৰঙৰ চান গ্লাচ আৰু নীলা ৰঙৰ টি-চাৰ্ট পৰিধান কৰি বৈ আছে সমীৰন দত্ত। এবাৰ তাৰ হাতৰ ঘড়ীটোলৈ চাই আৰু এবাৰ তাৰ গাড়ীৰ চালক অনন্তলৈ চাই । আনফালে অনন্তই চিএঞৰি আছে—'ছাৰ সোনকালে কৰক'। কিন্তু তাৰ মনটো যেন ব্যস্ত হৈ আছিল অন্য এক দিশে।



আজি ৭ ছেপ্টেম্বৰ, কৰ্মসূত্ৰে সি যাব লাগিব সুদূৰ জাপানলৈ, অচিনাকী ঠাইলৈ যোৱাৰ তাৰ কোনো চিন্তা হোৱা নাছিল, কিন্তু সি ব্যাকুল হৈ আছিল তাৰ প্ৰেয়সীক আনুষ্ঠানিকভৱে শেষ মুহূৰ্তলৈ বাবে এবাৰ চাবলৈ।

সমীৰণ পেচাত এজন মাৰুতি চুজুকি কোম্পানিৰ ৰিলিজন মেনেজাৰ সেই বাবে চাকৰি সূত্ৰে কেইটামান কাম হাতত লৈ যাব ল'গা হৈছে জাপানলৈ, কিন্তু সি তাৰ ব্যাকুল মনটোক কোনো পধ্যেই বুজাব পৰা নাছিল। কেনেকৈ থাকিব সি প্ৰেয়সীৰ অবিহনে যাৰ অবিহনে পাৰ নহয় তাফ এটি ক্ষণ, এটি পল। বিভিন্ন সমস্যাৰ সন্মুখীন হৈ পৰিছিল সি, এফালে তাৰ চাকৰিৰ দায়িত্ব, কৰ্তব্য আৰু আনফালে তাৰ প্ৰেয়সীৰ প্ৰতি থকা অফুৰন্ত ভালপোৱা । দুয়োটাই এৰাব নোৱাৰা। কাৰণ বিভিন্ন ঘটনাৰ মাজেৰে লাভ কৰিছে তাৰ প্ৰেয়সীক। সেয়েহে যোৱাৰ আগমুহূৰ্তত প্ৰতিটো স্মৃতিয়েই তাক বাৰুকৈয়ে আমনি কৰিছে—

সমীৰণৰ প্ৰেয়সী 'চিমি', পেচাত তাই এগৰাকী আগশাৰীৰ মেনেজমেন্ট প্ৰতিষ্ঠানৰ সু-অধ্যাপিকা। সমীৰণৰ মনলৈ আহি আছে তাৰ অতীতৰ প্ৰতিটো স্মৃতি আৰু ঘটনাবোৰে অতিক্ৰম কৰি মিলন হোৱা এই সেই মুহূৰ্তবোৰ। জোন, বেলি তৰাক সাক্ষী কৰি তেওঁলোকৰ জীৱনলৈ অহা প্ৰতিজাক ধুমুহাৰ একেলগে সন্মুখী হ'বলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈ সিহঁতে আৰম্ভ কৰিছিল এক নতুন যাত্ৰাৰ।

৮ আগষ্টত এই দিনটো সমীৰণৰ বাবে আছিল এটা স্মৰণীয় দিন কাৰণ, এই দিনটোতে লগ পাইছিল তাৰ যুগ-যুগান্তৰৰ লগৰীজনীক। সমীৰণৰ মনলৈ আহিছে কলেজৰ পুথিভঁৰালৰ সন্মুখত বান্ধবীৰ লগত চিমিয়ে মুখৰ মিঠা হাঁহিৰে মচগুল হৈ থকা সময়খিনিলৈ। গুৱাহাটীৰ আগশাৰীৰ মেনেজমেন্ট প্ৰতিষ্ঠানৰ ছাত্ৰ -ছাত্ৰী সমীৰণ আৰু চিমি, সুদূৰ ধেমাজীৰ পৰা সমীৰণ গুৱাহাটীলৈ এবুকু আশা লৈ আহিছিল উচ্চ শিক্ষা লোৱাৰ মানসেৰে। কলেজৰ প্ৰথম দিনটোতেই দেখিছিল চিমিক। চিমিৰেও তেনেদৰেই যোৰহাটৰ পৰা উচ্চ শিক্ষা লোৱাৰ বাবে আহিছিল। প্ৰথম দেখাতেই তাৰ চিমিৰ প্ৰতি জাগি উঠিছিল প্ৰেমৰ এক অবুজ শিহৰণ। সি লগে লগেই কৈ পেলালে তাৰ বন্ধু বিকাশক, ঐ বিকাশ সৌ ছোৱালীজনী চা না, মোৰ বিৰাত ভাল লাগিছে বে কিবা এটা কৰ না।

বিকাশ ঃ (হাঁহি মাৰি ক'লে) তোৰ প্ৰথম চাৱনীতে প্ৰেম হৈ গ'ল নেকি বে? আৰু তাৰ গাত থপৰিয়ালে আৰু হাঁহিলে, কিন্তু সমীৰণৰ অন্তৰত জাগি উঠা প্ৰেমৰ সেই বতাহ জাকক হয়তো বিকাশে অনুভৱ কৰিব পৰা নাছিল।

তাৰ ঠিক কিছু সময়ৰ পাছতে আৰম্ভ হ'ল নতুন কলেজৰ নিয়মীয়া ক্লাচ। লগে লগে ক্লাচ ৰুমলৈ মেম আহি পোন প্ৰথমেই সকলোৰে লগত পৰিচয় হোৱাৰ সময়তে সি জানিব পাৰিলে প্ৰথম হাঁহিৰে মুগ্ধময় ছোৱালীজনীৰ নাম চিমি বৰকটকী। মেমে কৰা কোৱেচন বিলাকৰ এঞ্চাৰ দিয়াত তাই কোনো পলম কৰা নাছিল, আৰু নিৰৱ হৈ থকা সেই কোঠাটোত সমীৰণে কেৱল কৰা নাছিল, আৰু নিৰব হৈ থকা সেই কোঠাটোত সমীৰণে কেৱল তাইৰ দুচকুলৈ চাই আছিল। হোষ্টেললৈ আহি সমীৰণৰ মনটো অতি চঞ্চল হৈ পৰিছিল আৰু উজাগৰে কটোৱা সেই নিশাটিৰ লগৰী হৈ পৰিছিল আকাশৰ তৰাবোৰ আৰু নিজান ৰাতিৰ নীৰৱতা ফালি অহা থকা চিলিৰ শব্দবোৰ। সমীৰণে তাৰ মনৰ চঞ্চলতাক বাধা দিব নোৱাৰি সি এদিন চিমিৰ এজনী বান্ধবীক তাইৰ কথা সুধি বৰকৈ আমনি কৰিছিল। বান্ধবী জনীয়েও তাৰ কথাৰ পাক ধৰিব পাৰিলে আৰু সি লুকা-চুৰিকৈ তাই বহুদিন পাৰ কৰিলে আৰু মনে বিচৰা সত্বেও সি তাইৰ লগত কথা কোৱাৰ সুযোগ গ্ৰহণ কৰিব পৰা নাছিল।

হঠাৎ কিনো হ'ল জানো চিমিৰ বান্ধবী জনীয়ে তাক ক'লে যে চিমিৰ বইফ্ৰেণ্ড আছে যাৰ লগত তাইৰ বিয়া ঠিক হৈ আছে দিল্লীৰ ল'ৰা। এই খবৰটো শুনি সি দিশহাৰা হৈ একেবাৰে শিল পৰা কপৌটোৰ দৰে হৈ পৰিছিল। কিন্তু বেচেৰাই এবাৰলৈকো ভাবি চোৱা নাছিল কথাষাৰিৰ সত্যতাৰ প্ৰমাণ কিমান। তাইৰ ভালপোৱাত সি অন্ধ হৈ পৰিছিল আৰু তাইক জীৱন লগৰী হিচাপে পোৱাৰ এক প্ৰৱল আশা বুকুৰ মাজত পুহি ৰাখিছিল নানা যন্ত্ৰনাৰে পাৰ হৈছিল তাৰ প্ৰত্যেকটো দিন-ৰাতি । সি আৰু সহ্য কৰিব নোৱাৰি তাইৰ বাবে লিখি পঠাইছিল প্ৰথমটো মেচেজ কিন্তু সি মেচেজটো তাইৰ এজনী বান্ধবীৰ দ্বাৰাহে তাইৰ চকুত পেলালে। মেচেজটোত সি লিখিছিল—

"Silent lips may avoid many prob-lem. But smiling lips will solve many problem. So always have a smile on your face 2 day 2 morrow n forever..."


মেচেজটোৰ মাজেৰেই যেন সি প্ৰকাশ কৰিব খুজিছিল তাইৰ প্ৰতি থকা তাৰ আশা, আকাংক্ষা, অফুৰন্ত বিশ্বাস আৰু ভালপোৱা। এনেকৈয়ে সি বেলেগৰ মোবাইলত তাইৰ কাৰণে বহুত মেচেজ কৰিব ধৰিছিল। এদিন চিমিয়ে সমীৰণক তাৰ ওচৰলৈ আহি ধমকিৰে ক'লে...

'তুমি যে বেলেগৰ মোবাইলত এই বিলাক মেচেজ দিয়া তোমাৰ কি লাজ নাই নেকি'

সমীৰণে তেতিয়া অলপো শংকাবোধ নকৰাকৈ ক'লে 'অ মোৰ লাজ নাই, কাৰণ মই তোমাক ভাল পাওঁ' সেইদিনা ৰাতি সমীৰণৰ টোপনি অহা নাছিল তাইৰ লগত পাৰ কৰা সেই সাত মিনিট সময় আৰু তাই খঙতে কোৱা কথাষাৰত সি হয়তো মৰমৰ কিছু সন্ধান পাইছিল।

সমীৰণে তাৰ বন্ধুবৰ্গৰ সৈতে চিমিক চাবলৈ প্ৰায়ে তাইৰ হোষ্টেলৰ ফালে গৈছিল। এদিনাখন নীলা ছাতি আৰু পিংক কালাৰৰ চেলোৱাৰ পৰিধান কৰি থকা চিমিক দেখা পাই সি মনে মনে আনন্দতে জপিয়াই উঠিছিল কিন্তু চিমিয়ে তাক দেখা পাই লাজতে তাইৰ মুখখন ছাতিটোৰে ঢাকি দিলে। তেনেকৈয়ে সি কেইবাটাও দিন পাৰ কৰিছিল চিমিক চোৱাৰ এক অহৰহ প্ৰচেষ্টাৰে।

চিমিৰ জন্মদিনৰ সমীৰণে তাইক কল কৰি শুভেচ্ছা জনোৱাত চিমিয়ে আচৰিত হৈ মনত জাগি উঠিছিল অলেখ প্ৰশ্ন। তেতিয়া চিমিৰো তাৰ লগত কথা কোৱাৰ ইচ্ছা হ'ল আৰু জন্মদিনৰ উপহাৰ স্বৰূপে তাক এটি গাবলৈ অনুৰোধ কৰিলে। সমীৰণে যদিও আজিলৈকে কোনো গীতেই এবাৰলৈকো গুণ গুণাই পোৱা নাই কিন্তু সেইদিনা প্ৰেমত মতলীয়া হৈ সমীৰণে তাইৰ কাৰণে গাই পেলাইছিল 'দিল হি চোতা চা' আৰু 'লাভ আজ কল 'ৰ য়ে দূৰিয়ানা গানটো।




তাৰ কিছুমান পাছত সমীৰণৰ চেলত ভাহিঁ পৰিছিল চিমিৰ প্ৰথমটো কল। আনন্দত মতলীয়া হৈ সি কলটো ৰিচিভ কৰিলে আৰু তাক চিমিয়ে ল'ৰা ল'ৰিকৈ গুৱাহাটীৰ চাইন্স মিউজিয়ামলৈ মাতি পঠালে। চ'তৰ বৰদৈচিলা জাকৰ দৰে সি গৈ তাইৰ সন্মুখত উপস্থিত হ'ল। গোপনে সাঁচি ৰখা বহুত কথাই তাইৰ ক'ব খুজিছিল যদিও সি ক'ব পৰা নাছিল। তাইৰ লগত পাৰ কৰা সেই সময়খিনি আছিল সমীৰণে তাৰ এজন আত্মীয়ৰ ওচৰলৈ যাওঁতে পুনৰ ৰাতি তাৰ কলত চিমিৰ কল অহাত তাৰ মনটো আনন্দৰে ভৰি পৰিল। দুয়োজনেই বহুত অন্তৰংগ আলাপ কৰিলে আৰু মাজতে চিমিয়ে তাক সি পিন্ধি যোৱা নীলা টি-চাৰ্টটো আৰু চেণ্ডেলজোৰ বহুত ভাল লাগিছিল বুলি কৈছিল। কাৰণ নীলা ৰং আছিল চিমিৰ অতিকৈ প্ৰিয়।

জোনাকেৰে ভৰা সেই ৰাতিটোত সি তাৰ ৰুমৰ বেলকনিতে পাৰ কৰিলে কেইবাটাও ঘন্টা। নিস্তব্ধ হৈ পৰা সেই ৰাতিটোত আছিল কেৱল সিহঁতৰ সুখ-দুখৰ অন্তৰংগ আলাপ, মাজে মাজে দুয়োজনেৰে মুখত বিৰিঙি উঠা আনন্দৰ একোটা হাঁহি। কিছু মুহূৰ্ত এনেকৈয়ে পাৰ কৰাৰ পাছত হঠাতে তাই আবেগিক ভাৱে ক'লে 'মোক আজি শেষ বাৰৰ বাবে ভাল পাই লোৱা' হয়তো কাইলৈ বা পিছত তুমি মোক নাপাবও পাৰা'। কথাষাৰ যেন সমীৰণক কাণে কাণে নীৰৱে কৈ গৈছিল চিমিৰো তাৰ প্ৰতি থকা অসহনীয় ভালপোৱা আৰু মৰম আকুলতা আৰু বিশ্বাস ইজনে সিজনৰ দুখৰ সমভাগী হৈ চকুলোৰে উপচাই পেলাইছিল সেই মুহূৰ্তটো ? চিমিয়ে এফালে তাক পোৱাৰ আনন্দ আৰু আনফালে ভৱিষ্যতে সিহঁতৰ জীৱনলৈ আহিব লগা বিভিন্ন বিপদ বিলাক আঙুলিয়াই দিছিল। সমীৰণেও তাইক প্ৰৱল বিশ্বাস আৰু সাহসেৰে তাইক বুজনি দি কৈছিল যে, যিমানেই ধুমুহা, বৰষুণ নাহওঁক কিয় সকলো বিপদৰ সিহঁতে একেলগে সন্মূখীন হ'ব আৰু সিহঁতৰ বিশ্বাসেই সিহঁতৰ প্ৰেমৰ সফল কৰি তুলিব...।

## ৪ জুনত নিউ আৰ্ট প্লেয়াৰ্ছৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**গুৱাহাটী, ৩০ মে'ঃ** সাতোটা দশক পাৰ কৰা ৰাজ্যৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰ্ছৰ যিসকল সদস্য ইতিমধ্যে ইহসংসাৰ পৰা বিদায় ল'লে তেখেতসকলৰ স্মৃতিচাৰণ কৰাৰ অৰ্থে অহা ৪ জুন বৃহস্পতিবাৰে বিয়লি ৫ বজাত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সংঘৰ নিজা প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানত সংঘৰ সদস্যসকলৰ লগতে প্ৰয়াত সদস্যসকলৰ পৰিয়ালবৰ্গৰ উপস্থিতি বিশেষভাৱে আহ্বান কৰা হৈছে।

## গুৱাহাটীৰ উদ্যোগী গুণেশ্বৰ দত্তৰ দেহাৱসান



**গুৱাহাটী,৩০ মে'ঃ**মহানগৰীৰ গান্ধীবস্তিৰ নিউ শৰণীয়া নিবাসী, সৰ্বজনপ্ৰিয় ব্যক্তি, উদ্যোগী গুণেশ্বৰ দত্ত(৬১)ৰ ২৮মে'ত মহানগৰীৰ ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। তেওঁ 'আটলাণ্টা মড্যুলাৰ প্ৰাইভেট লিমিটেডক্ট আৰু 'ডি জে এগ্ৰ' ইণ্ডাষ্ট্ৰিয়েল প্ৰাইভেট লিমিটেড'ৰ এজন সঞ্চালক হিচাপে আমৃত্যু কৰ্মৰত আছিল। এজন নম্ৰ, সৌম্য স্বভাৱ, আন্তৰিক ব্যৱহাৰৰ বাবে সৰহসংখ্যক লোকৰে প্ৰিয় আছিল। মৃত্যুৰ সময়ত পত্নী, একমাত্ৰ তনয়সহিতে বহু আত্মীয়ক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ আকস্মিক বিয়োগত বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ বহুবাকৰ প্ৰধান সম্পাদক দীপক শৰ্মা, গুৱাহাটী জৰ্জ কোৰ্ট বাৰ এছ'চিয়েচনৰ সাধাৰণ সম্পাদক দীপক কুমাৰ বৰুৱা, পৰাগজ্যোতি প্ৰকাশন আদিয়ে গভীৰ শোক প্ৰকাশ কৰে।

## পি বি পাৰ্টনাৰ্ছৰ অংশীদাৰী নেটৱৰ্ক চাৰি হেজাৰলৈ বৃদ্ধিৰ পৰিকল্পনা




**গুৱাহাটী, ৩০মে'ঃ** পলিচিবাজাৰৰ পি অ' এছ পি শাখা পি বি পাৰ্টনাৰ্ছে গুৱাহাটীত এখন সংবাদমেল আয়োজন কৰি অসমত ইয়াৰ শক্তিশালী বিকাশ যাত্ৰা আৰু সম্প্ৰসাৰণৰ কথা অৱগত কৰে। সংবাদমেলত প্ৰতিষ্ঠানটোৱে বীমাৰ প্ৰতি বৰ্ধিত সজাগতা, সহযোগীসকলৰ বৰ্ধিত অংশগ্ৰহণ আৰু সুৰক্ষা সামগ্ৰীৰ ক্ৰমবৰ্ধমান চাহিদাৰ পৰিপ্ৰেক্ষিতত পি বি পাৰ্টনাৰ্ছৰ স্বাস্থ্য আৰু জীৱন বীমা ব্যৱসায়ৰ বাবে অসমে এক গুৰুত্বপূৰ্ণ বজাৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ কথা জানিবলৈ দিয়ে।এই অনুষ্ঠানত সাংবাদিক সম্বোধন কৰি পি বি পাৰ্টনাৰ্ছৰ লাইফ এণ্ড হেলথৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিক্ৰী মুৰব্বী নীৰজ আধানাই প্ৰতিষ্ঠানটোৰ আঞ্চলিক বৃদ্ধি, সহযোগী-প্ৰথম পদক্ষেপ আৰু সমগ্ৰ ৰাজ্যতে বীমাৰ সহজলভ্যতা শক্তিশালী কৰাৰ প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰে। পি বি পাৰ্টনাৰ্ছৰ বাবে এক মূল স্বাস্থ্য আৰু জীৱন বীমাৰ বজাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে অসমে পিবিপাৰ্টনাৰ্ছে অসমত স্বাস্থ্য আৰু জীৱন বীমা ব্যৱসায়ত ৩৫ শতাংশ লক্ষ্যণীয় বৃদ্ধি নথিভুক্ত কৰিছে, যিয়ে অঞ্চলটোত গ্ৰাহকৰ ক্ৰমবৰ্ধমান বিশ্বাস আৰু সহযোগীসকলৰ সবল অংশগ্ৰহণক প্ৰতিফলিত কৰিছে। কোম্পানীটোৱে বৰ্তমান অসমৰ ৫৯৮ টা পিনকোডৰ ভিতৰত ৫৬২ টা পিনকোডত ১,৫০০ তকৈও অধিক স্বাস্থ্য আৰু জীৱন বীমা সহযোগীৰ নেটৱৰ্কৰ জৰিয়তে আৰু সমগ্ৰ দেশজুৰি ৪.৫ লাখতকৈও অধিক বীমা সহযোগীৰ সৈতে কাৰ্যক্ৰম পৰিচালনা কৰি আছে। পিবিপাৰ্টনাৰ্ছে২০২৬-২৭ বিত্তীয় বৰ্ষৰ ভিতৰত নিজৰ সহযোগী নেটৱৰ্ক ৪,০০০ লৈ বৃদ্ধি কৰি নিজৰ পৰিসৰ উল্লেখযোগ্যভাৱে সম্প্ৰসাৰণ কৰাৰ লক্ষ্য স্থিৰ কৰিছে।ৰাজ্যখনৰ ভিতৰতে বঙাইগাঁৱত অংশীদাৰ কাৰ্যকলাপ আৰু ব্যৱসায়িক প্ৰজন্মৰ ক্ষেত্ৰত এক মূল বিকাশ কেন্দ্ৰ আৰু শীৰ্ষ প্ৰদৰ্শনকাৰী বজাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।সহযোগী সবলীকৰণৰ জৰিয়তে বজাৰত উপস্থিতি শক্তিশালী কৰা 'অসমত আমি যি বিকাশৰ সাক্ষী হৈ আছোঁ সেইটোৱে আৰ্থিক সুৰক্ষাৰ প্ৰতি বৃদ্ধি পোৱা সজাগতা আৰু বীমা বিতৰণৰ ক্ষেত্ৰত বৃদ্ধি পাব ধৰা উদ্যমিতাৰ সুযোগসমূহক প্ৰতিফলিত কৰে। সকলোৱে বাবে বীমাৰ সুবিধাক আগুৱাই নিবলৈ সক্ষম কৰা আৰু পৰিয়ালসমূহক বীমা লাভ কৰাত সহায় কৰিব পৰাকৈ সহযোগীসকলক সঠিক প্ৰযুক্তি, সহায়, প্ৰশিক্ষণ, আৰু উপাৰ্জনৰ সুযোগেৰে সৱলীকৰণ কৰাৰ ওপৰত আমি গুৰুত্ব দি আহিছোঁ।' পি বি পাৰ্টনাৰ্ছৰ লাইফ এণ্ড হেলথৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিক্ৰী মুৰব্বী নীৰজ আধানাই কয়। অসমত গ্ৰাহকৰ মাজত ক্ৰমবৰ্ধমান প্ৰৱণতাসমূহঅসমৰ গ্ৰাহকসকল স্বাস্থ্য বীমাৰ গুৰুত্ব আৰু বিকাশশীল সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে ক্ৰমান্বয়ে অধিক সচেতন আৰু অৱগত হৈ আহিছে। বজাৰত ছুপাৰ টপ-আপ প্লেন আৰু অ' পি ডি, গুৰুতৰ ৰোগ, আৰু ডে' ৰ পি ই ডি সুবিধাৰ দৰে ৰাইডাৰৰ চাহিদা বৃদ্ধি পোৱা দেখা গৈছে, যিয়ে ব্যাপক স্বাস্থ্য কভাৰেজ আৰু বৰ্ধিত আৰ্থিক সুৰক্ষাৰ প্ৰতি বৃদ্ধি পাব ধৰা পছন্দক প্ৰতিফলিত কৰিছে। বৰ্ধিত সমৰ্থন, পুৰস্কাৰ, আৰু উপাৰ্জনৰ সুযোগৰ জৰিয়তে সহযোগীসকলক সবল কৰা পি বি পাৰ্টনাৰ্ছে বিভিন্ন পদক্ষেপৰ জৰিয়তে ইয়াৰ অংশীদাৰ পৰিৱেশতন্ত্ৰক শক্তিশালী কৰি আহিছে। উপাৰ্জন বৃদ্ধি, কাৰ্যকলাপ সৰল কৰা আৰু উন্নত প্ৰদৰ্শনত পুৰস্কৃত কৰাই হৈছে এনে পদক্ষেপসমূহৰ মূল লক্ষ্য।১০০শতাংশ ৰিনিৱেল কমিচনৰ নিশ্চয়তাঃ পি বি পাৰ্টনাৰ্ছে সহযোগীসকলক ১০০ শতাংশ ৰিনিৱেল কমিচনৰ নিশ্চয়তা প্ৰদান কৰে। যিয়ে এই কথা নিশ্চিত কৰে যে যেতিয়াই তেওঁলোকৰ গ্ৰাহকে যিকোনো মাধ্যমৰ জৰিয়তে তেওঁলোকৰ স্বাস্থ্য বীমা পলিচি নবীকৰণ কৰে তেতিয়াই তেওঁলোকে নবীকৰণ কমিচন লাভ কৰি থাকিব। এই পদক্ষেপৰ লক্ষ্য হৈছে দীৰ্ঘম্যাদী গ্ৰাহকৰ সম্পৰ্কৰ জৰিয়তে স্থায়ী উপাৰ্জনৰ সুযোগ প্ৰদান কৰা আৰু সহযোগীৰ আত্মবিশ্বাস দৃঢ় কৰা। উন্নত স্বাস্থ্য দাবী সমৰ্থনঃ পি বি পাৰ্টনাৰ্ছে গ্ৰাহক আৰু সহযোগী উভয়ৰে বাবে নিবেদিত সমৰ্থন ব্যৱস্থাৰ সৈতে নিজৰ দাবী সহায়ক কাঠামো শক্তিশালী কৰিছে। উন্নত ব্যৱস্থাই মসৃণ দাবী প্ৰক্ৰিয়াকৰণ আৰু দ্ৰুত টাৰ্ণআউট সময় সক্ষম কৰে, যাৰ ফলত সামগ্ৰিক দাবী অভিজ্ঞতা উন্নত হয়। পি বি পি ৰান ক্লাবছঃ ইয়াৰ ফ্লেগশ্বিপ লয়েল্টি প্ৰগ্ৰেম পি বি পি ৰানৰ অধীনত পি বি পাৰ্টনাৰ্ছে শীৰ্ষ প্ৰদৰ্শনকাৰী স্বাস্থ্য আৰু জীৱন বীমা সহযোগীসকলক স্বীকৃতি আৰু পুৰস্কৃত কৰিবলৈ নতুন ক্লাব প্ৰৱৰ্তন কৰিছে। এই কাৰ্যসূচীয়ে এক্সক্লু ছিভ স্বীকৃতি আৰু পুৰস্কাৰ, ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণ সুবিধা, আৰু ডুবাই, আৰ্মেনিয়া, পেৰিছকে ধৰি প্ৰিমিয়াম গন্তব্যস্থান ভ্ৰমণৰ সুযোগ প্ৰদান কৰে। পি বি পি মিত্ৰঃ পি বি পাৰ্টনাৰ্ছে মুকলি কৰিছে পি বি পি মিত্ৰ ।ই হৈছে এক বিশেষ টোল-ফ্ৰী হেল্পলাইন (১৮০০ ১২০ ৮০০), যাক একেটা ঠাইৰ পৰা (ছিংগল উইণ্ড' ছাপৰ্ট) সহায় আগবঢ়াই যিকোনো প্ৰশ্নৰ উত্তৰ আৰু নিৰৱচ্ছিন্ন সহায় প্ৰদান কৰিবলৈ ডিজাইন কৰা হৈছে। এই প্লেটফৰ্মে সহযোগীসকলক সেৱা-সম্পৰ্কীয় উদ্বেগসমূহৰ বাবে সময়মতে সমৰ্থন লাভ কৰিবলৈ সক্ষম কৰে। ত্ৰৈমাসিক সহযোগী প্ৰতিযোগিতাঃ পি বি পাৰ্টনাৰ্ছে ত্ৰৈমাসিক প্ৰতিযোগিতাৰ জৰিয়তে সহযোগীসকলক নিয়োজিত আৰু পুৰস্কৃত কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। ইয়াত অন্যান্য একচেটিয়া পুৰস্কাৰৰ লগতে ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণ অভিজ্ঞতা লাভ কৰাৰ সুযোগ প্ৰদান কৰে। এই পদক্ষেপসমূহৰ লক্ষ্য হৈছে সহযোগীৰ অংশগ্ৰহণ বৃদ্ধি, তেওঁলোকৰ প্ৰদৰ্শনক স্বীকৃতি প্ৰদান কৰা, আৰু সমগ্ৰ সহযোগী নেটৱৰ্কত ব্যৱসায়িক বৃদ্ধিৰ বাবে উৎসাহিত কৰা। এই প্ৰচেষ্টাসমূহে সমগ্ৰ অঞ্চলটোৰ গ্ৰাহকসকলক নিৰৱচ্ছিন্ন বীমা অভিজ্ঞতা প্ৰদান কৰাৰ লগতে সহযোগীসকলক তেওঁলোকৰ ব্যৱসায় বৃদ্ধি কৰিবলৈ সক্ষম কৰাৰ প্ৰতি প্ৰতিষ্ঠানটোৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে।

## আৰ্জেণ্টিনাই নিকোটিন সম্পৰ্কীয় গোলকীয় নীতি সলনি কৰিছেঃ কুশ দেশাই

**গুৱাহাটী, ৩০ মে'ঃ** বিশ্ব স্বাস্থ্য সংস্থাৰ পৰামৰ্শসমূহৰ পৰিৱৰ্তে বিভিন্ন দেশে এতিয়া এফডিএ শৈলীৰ নিয়ন্ত্ৰণমূলক ব্যৱস্থাৰ দিশলৈ গতি কৰিছে। ভাৰতৰ দৰে দেশ, যিয়ে এতিয়াও নিজৰ ধঁপাত নিয়ন্ত্ৰণ নীতিৰ বিষয়ে আলোচনা-বিলোচনা চলাই আছে, তাৰ বাবে এই সংকেতক আওকাণ কৰা কঠিন। নীতিৰ এক নাটকীয় পৰিৱৰ্তন ঘটাই আৰ্জেণ্টিনাই ২০২৬ চনৰ এপ্ৰিল-মে' মাহত ই-চিগাৰেট আৰু হিটেড টোবেক' প্ৰডাক্টৰ ওপৰত থকা নিষেধাজ্ঞা আনুষ্ঠানিকভাৱে প্ৰত্যাহাৰ কৰে। ইয়াৰ সৈতে দেশখনে নিষেধাজ্ঞা পৰিহাৰ কৰি বুদ্ধিদীপ্ত, প্ৰমাণ-ভিত্তিক নিয়ন্ত্ৰণৰ পক্ষ লোৱা বিশ্বৰ অন্যান্য দেশসমূহৰ সৈতে হাত মিলালে। ভাৰতৰ দৰে দেশ, যিয়ে এতিয়াও নিজৰ ধঁপাত নিয়ন্ত্ৰণ নীতিৰ গাঁথনিৰ বিষয়ে আলোচনা চলাই আছে, তাৰ বাবে এই সংকেতক আওকাণ কৰা সহজ নহয়। আৰ্জেণ্টিনাৰ ক্ষেত্ৰখন আটাইতকৈ স্পষ্ট। দীৰ্ঘ ১৫ বছৰ ধৰি সৰ্বাত্মক নিষেধাজ্ঞা জাপি দিয়াৰ পিছত, বুয়েনছ আয়াৰ্চে অৱশেষত এক অপ্ৰিয় সত্যক স্বীকাৰ কৰিলেঃ নিষেধাজ্ঞাই ব্যৱহাৰ হ্ৰাস কৰা নাছিল, বৰঞ্চ ইয়াক এক অবৈধ চোৰাং বজাৰলৈহে ঠেলি দিছিল। কোনো গুণগত নিয়ন্ত্ৰণ, বয়সৰ সত্যতা প্ৰতিপন্নকৰণ আৰু অনুসৰণযোগ্যতা নথকাৰ বাবে এই ক'লা বজাৰখন অধিক সক্ৰিয় হৈ পৰিছিল। সেয়েহে, চৰকাৰে এই নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰি এক ব্যাপক নিয়ন্ত্ৰণমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰিলেঃ য'ত বাধ্যতামূলক সামগ্ৰী পঞ্জীয়ন, উপাদানসমূহৰ কঠোৰ প্ৰকাশ আৰু বিশেষকৈ নাবালকক বিক্ৰী কৰাত বাধা দিব পৰাকৈ এক ট্ৰেচিবিলিটি মেকানিজিম অন্তৰ্ভুক্ত কৰা হৈছে। বুয়েনছ আয়াৰ্চৰ এই বাৰ্তা আছিল অতি স্পষ্ট- নিষেধাজ্ঞাই কাম নিদিয়ে; জবাবদিহিতাইহে কাম কৰে। বাংলাদেশেও একেই পথ অনুসৰণ কৰি নিজৰ বজাৰ মুকলি কৰাৰ লগতে সমান্তৰাল নিয়ন্ত্ৰণমূলক ব্যৱস্থা কাৰ্যকৰী কৰিলে। ই এই কথাকে সূচায় যে আনকি পৰম্পৰাগত বা ৰক্ষণশীল নিয়ন্ত্ৰণমূলক পৰিৱেশ থকা দেশসমূহেও এতিয়া ব্যৰ্থ নিষেধাজ্ঞা পৰিহাৰ কৰি নিয়ন্ত্ৰিত প্ৰৱেশাধিকাৰৰ দিশলৈ গতি কৰিছে। এফ ডি এ মডেল এতিয়া বিশ্বব্যাপী হৈ পৰিছেনীতিৰ এই পৰিৱৰ্তনৰ মূল বৌদ্ধিক ভিত্তি হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফুড এণ্ড ড্ৰাগ এডমিনিষ্ট্ৰেচনৰ বিপদাশংকাৰ স্তৰ অনুসৰি তৈয়াৰ কৰা নিয়ন্ত্ৰণমূলক গাঁথনি। বিশ্ব স্বাস্থ্য সংস্থাৰ সামগ্ৰিক প্ৰতিৰোধমূলক দৃষ্টিভংগীতকৈ বৰ্তমান এই আৰ্হিটোক গোলকীয় মানদণ্ড হিচাপে ক্ৰমান্বয়ে গ্ৰহণ কৰা হৈছে। এফডিএয়ে সকলো নিকোটিন সামগ্ৰীক একে চকুৰে নোচোৱাকৈ অনিষ্টৰ মাত্ৰা অনুসৰি পৃথক কৰে আৰু বজাৰত বিক্ৰীৰ অনুমতি দিয়াৰ পূৰ্বে প্ৰতিটো সামগ্ৰীক কঠোৰ বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ আওতালৈ আনে। প্ৰায় ২ কোটি ৬০ লাখ আবেদনৰ ভিতৰত মাত্ৰ ৩৪ টা ধোঁৱাবিহীন ধঁপাত সামগ্ৰীয়েহে অনুমোদন লাভ কৰিছে, যাৰ পৰা বুজিব পাৰি যে ই কোনো ঢিলা বা অনিয়ন্ত্ৰিত ব্যৱস্থা নহয়। ২০২৫ চনৰ শেষৰ ফালৰ পৰা এফ ডি এ এ পৰৱৰ্তী প্ৰজন্মৰ নিকোটিন সামগ্ৰীৰ বাবে এই নিয়ন্ত্ৰণমূলক গাঁথনি অধিক ক্ষিপ্ৰ কৰি তুলিছে, য'ত ট্ৰাম্প প্ৰশাসনে ধোঁৱাহীন বৈকল্পিক সামগ্ৰীসমূহৰ দ্ৰুত অনুমোদনক স্পষ্টভাৱে সমৰ্থন জনাইছে। হোৱাইট হাউছৰ মুখপাত্ৰ কুশ দেশায়ে ইয়াক সহজ ভাষাত ব্যক্ত কৰি কয়, 'সকলো সিদ্ধান্ত উচ্চতম মানদণ্ডৰ বৈজ্ঞানিক প্ৰমাণৰ আধাৰত গ্ৰহণ কৰা হ'ব।' অনুমোদন প্ৰাপ্ত সামগ্ৰীসমূহৰ বিপণন নিয়ন্ত্ৰণৰ ক্ষেত্ৰত-বায়'মেট্ৰিক প্ৰমাণীকৰণ, পৰিচয় পত্ৰ পৰীক্ষা আৰু ব্লুটুথযুক্ত বয়স নিৰ্ধাৰণকাৰী ল'ক আদি ব্যৱস্থাসমূহ স্থায়ীভাৱে অন্তৰ্ভুক্ত কৰা হৈছে। যুৱ প্ৰজন্মৰ সুৰক্ষাৰ ক্ষেত্ৰত ইয়াৰ ফলাফল অতি আকৰ্ষণীয়। ২০২৩ আৰু ২০২৪ চনৰ ভিতৰত এফ ডি এৰ সজাগতামূলক অভিযানে প্ৰায় ৪,৫০,০০০ কিশোৰ-কিশোৰীক ই-চিগাৰেট ব্যৱহাৰ কৰাৰ পৰা বিৰত ৰাখিবলৈ সক্ষম হয়। স্কুলীয়া ছাত্ৰ-ছাত্ৰী ব্যৱহাৰকাৰীৰ সংখ্যা ২০১৯ চনৰ ৫.৩৮ নিযুতৰ পৰা হ্ৰাস পাই ২০২৪ চনত ১.৬৩ নিযুত হয়।

## ৰাজীৱ ভট্টাচাৰ্যক সম্বৰ্ধনা



**গুৱাহাটী,৩০মে'ঃ** অসম বিধান সভাৰ নৱনিযুক্ত সচিব ৰাজীৱ ভট্টাচাৰ্যক শুকুৰবাৰে তেওঁৰ দিশপুৰস্থিত বিধান সভাৰ কাৰ্যালয়ত প্ৰকাশন অনুষ্ঠান পৰাগজ্যোতি প্ৰকাশনৰ তৰফৰ পৰা উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। পৰাগজ্যোতি প্ৰকাশনৰ সচিব দীপক শৰ্মাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত বিশিষ্ট কবি অৰুণ কুমাৰ মহন্তই অংশ লৈ কয় , 'নিজৰ দক্ষতাৰে কৰ্ম সম্পাদন কৰিব পাৰিব ভট্টাচাৰ্য ডাঙৰীয়াই।' অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী তথা সুখ্যাত লেখক পবিন্দ্ৰ ডেকা, কবি-লেখিকা বৰ্ণালী বৰ্মন, বৈদিক-বৈষ্ণৱ মহাসভাৰ গুৱাহাটী জিলা সমিতিৰ সহকাৰী সম্পাদক মিনু নাথ প্ৰভৃতি উপস্থিত থাকি বিধান সভাৰ নৱনিযুক্ত সচিবগৰাকীক অতি আন্তৰিকতাৰে শুভেচ্ছা জনায়।

## চতুৰ্থ ত্ৰৈমাসিকত শক্তিশালী বৃদ্ধিৰ কথা ঘোষণা ট্ৰেন্সপৰ্ট কৰ্পৰেচন অৱ ইণ্ডিয়া লিমিটেডৰ

**গুৱাহাটী,৩০ মে'ঃ**ভাৰতৰ আগশাৰীৰ সংহত মাল্টিমডেল লজিষ্টিক আৰু চাপ্লাই চেইন সেৱা প্ৰদানকাৰী ট্ৰেন্সপৰ্ট কৰ্পৰেচন অৱ ইণ্ডিয়া লিমিটেডে ২০২৬ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা চতুৰ্থ ত্ৰৈমাসিক আৰু বছৰৰ বিত্তীয় ফলাফল প্ৰকাশ কৰিছে।মেনেজমেণ্টৰ মন্তব্য ট্ৰেন্সপৰ্ট কৰ্প'ৰেচন অৱ ইণ্ডিয়া লিমিটেডৰ পৰিচালন সঞ্চালক বিনীত আগৰৱালাই কয় যে, '২০২৬ বিত্তীয় বৰ্ষৰ চতুৰ্থ ত্ৰৈমাসিকে এক গতিশীল ব্যৱসায়িক পৰিৱেশত টিচিআইৰ স্থিৰ কাৰ্যক্ষমতা আৰু শৃংখলিত পৰিচালনাক প্ৰতিফলিত কৰিছে। আমাৰ বৈচিত্ৰ্যপূৰ্ণ পৰ্টফ'লিঅ', একীকৃত মাল্টিমডেল ক্ষমতা আৰু গ্ৰাহককেন্দ্ৰিক দৃষ্টিভংগীয়ে আমাৰ বজাৰৰ অৱস্থিতিক শক্তিশালী কৰি ৰাখিছে। টিচিআই-এ ৱেৰহাউচিং, মাল্টিমডেল চলাচল আৰু খণ্ড-নিৰ্দিষ্ট লজিষ্টিক সমাধানৰ ক্ষেত্ৰত এক সুস্থ গতি দেখিবলৈ পাইছে, য'ত আমাৰ ৩ পিএল, ক'ল্ড চেইন আৰু ৱেৰহাউচিং সেৱাসমূহে এফএমচিজি, উপভোক্তা সামগ্ৰী, নৱীকৰণযোগ্য শক্তি, ই-কমাৰ্চ আৰু কুইক কমাৰ্চৰ গ্ৰাহকসকলক সেৱা আগবঢ়াই আহিছে। ৰে'ল, পথ আৰু উপকূলীয় জাহাজ পৰিবহণৰ গতি, যি ৱেৰহাউচ, হাব, ট্ৰাক আৰু ৰে'ল কাৰ কেৰিয়াৰত নিৰন্তৰ বিনিয়োগৰ দ্বাৰা সমৰ্থিত, ই আমাৰ দীৰ্ঘম্যাদী ক্ষমতাক শক্তিশালী কৰি তুলিছে। ইয়াৰ লগতে অধিক সেউজীয়া লজিষ্টিকক আগুৱাই নিবলৈ আমি



ইভি ট্ৰাকৰ ব্যৱহাৰ পৰীক্ষা কৰি আছোঁ।ভৱিষ্যতলৈ চাই, আমি আমাৰ গ্ৰাহক, সমাজ আৰু অংশীদাৰসকলৰ বাবে স্থায়ী মূল্য সৃষ্টি কৰিবলৈ প্ৰযুক্তি, মাল্টিমডেল আন্তঃগাঁথনি, সেউজ লজিষ্টিক আৰু ষ্ট্ৰেটেজিক অংশীদাৰিত্বত কৰা আমাৰ বিনিয়োগসমূহৰ সঠিক ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰিম।' টিচিআইয়ে ১৩৩৬ কোটি টকাৰ একত্ৰিত ৰাজহ লাভ কৰাৰ কথা প্ৰকাশ কৰিছে, যি যোৱা বৰ্ষৰ একে সময়ছোৱাৰ ১১৯৭ কোটি টকাৰ তুলনাত ১১.৬শতাংশবৃদ্ধি প্ৰদৰ্শন কৰিছে।

## স্তনৰ কৰ্কট ৰোগৰ সজাগতাৰ লক্ষ্যৰে গুৱাহাটীত 'আনষ্ট'পেবল ২.০-ব'ল্ড ব্ৰেভ বিউটিফুল' সম্পন্ন



**গুৱাহাটী, ৩০মে'ঃ** অনীয়া এডিচনৰ উদ্যোগত আয়োজিত এই বিশেষ কাৰ্যসূচীত এক অনন্য দৃশ্যৰ সাক্ষী হৈ ৰ'ল দুশ গৰাকীতকৈও অধিক লোক। কৰ্কট ৰোগক পৰাস্ত কৰা সাহসী নাৰীসকলৰ কাষত থিয় দি তেওঁলোকৰ অসাধাৰণ ধৈৰ্য্য, দৃঢ়তা আৰু পুনৰ জীৱন জিনাৰ অনন্য যাত্ৰাক সন্মান জনায় সমবেত সকলোৱে। আচলতে এই বিশেষ সমাৰেশৰ মূল উদ্দেশ্য আছিল কৰ্কটজয়ী এইসকল নাৰীৰ প্ৰতি একাত্মতা প্ৰকাশ কৰা আৰু তেওঁলোকৰ অনুপ্ৰেৰণামূলক জীৱনগাঁথাক উদযাপন কৰা। আনষ্ট'পেবল ৱেলফেয়াৰ ট্ৰাষ্ট আৰু ইলুমিছ এস্থেটিক প্ৰাইভেট লিমিটেডৰ যৌথ উদ্যোগত আয়োজিত 'আনষ্ট'পেবল ২.০- ব'ল্ড ব্ৰেভ বিউটিফুল' শীৰ্ষক সজাগতা কাৰ্যসূচী, আত্মবিশ্বাস, মানসিক পুনৰ্গঠন আৰু উদযাপনৰ এক আৱেগঘন সন্ধিয়ালৈ ৰূপান্তৰিত হয়। ডাঃ ৰীমা দাস মাল্লিক আৰু নবীশ আলমৰ পৰিকল্পনা তথা উপস্থাপনাই উপস্থিত সকলোৰে মনত গভীৰ প্ৰভাৱ পেলায়। কাৰ্যসূচীৰ অন্যতম আকৰ্ষণ আছিল স্তনৰ কৰ্কট ৰোগৰ সজাগতা সম্পৰ্কে অনুষ্ঠিত এক তথ্যসমৃদ্ধ আৰু মত-বিনিময়মূলক পেনেল আলোচনা। এই আলোচনাত বিশেষজ্ঞসকলে কৰ্কট ৰোগক লৈ সমাজত চলি থকা ভ্ৰান্ত ধাৰণা, প্ৰাথমিক পৰ্যায়ত ৰোগ চিনাক্তকৰণৰ গুৰুত্ব, মানসিক সুস্থতা আৰু চিকিৎসা তথা পৰিচৰ্যাৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিৰ অগ্ৰগতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। এই বিশেষ সত্ৰই উপস্থিত ৰাইজৰ মাজত এক গুৰুত্বপূৰ্ণ চিন্তাৰ খোৰাক যোগায়। একেদৰে কৰ্কটজয়ীসকলক পুতৌ বা সহানুভূতিৰ সলনি শক্তি, মৰ্যাদা আৰু আত্মসন্মানেৰে চোৱাৰ এক বাৰ্তাও ইয়াত দাঙি ধৰা হয়। সন্ধিয়াটোৰ আটাইতকৈ আৱেগঘন মুহূৰ্তসমূহৰ অন্যতম হিচাপে পৰিগণিত হয়। মঞ্চত ২০গৰাকীতকৈও অধিক কৰ্কটজয়ী নাৰীক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোকৰ জীৱনৰ সংগ্ৰাম আৰু অনুপ্ৰেৰণামূলক অভিজ্ঞতাই উপস্থিত দৰ্শকৰ হৃদয় গভীৰভাৱে স্পৰ্শ কৰে আৰু সাহসৰো যে এক মানৱীয় ৰূপ থাকে, সেই কথা সকলোকে সোঁৱৰাই দিয়ে। এই অনুষ্ঠানত সন্মানিতসকলৰ ভিতৰত আছিল ড° উৰ্মিমালা মহন্ত বৰুৱা, কাদম্বৰী কাশ্যপ, জুৰি গোস্বামী, ড° অঞ্জনা গোস্বামী, ড° বিজু চৌধুৰী, বৰ্ষাশ্ৰী দাস আৰু ৰিতিকা লিম্বু। এই মহিলাসকলৰ উপস্থিতিয়ে সন্ধিয়াটোক কেৱল এটা গতানুগতিক অনুষ্ঠানৰ মাজতে সীমাবদ্ধ ৰখাৰ পৰিৱৰ্তে আশাৰ এক শক্তিশালী বাৰ্তালৈ ৰূপান্তৰিত কৰে। জনপ্ৰিয় অসমীয়া অভিনেত্ৰী বৰষাৰাণী বিষয়াই সমগ্ৰ অনুষ্ঠানটো সুচাৰুৰূপে সঞ্চালনা কৰে। তেওঁৰ আন্তৰিক উপস্থাপন, সাৱলীল সঞ্চালনা আৰু দৰ্শকৰ সৈতে গঢ়ি তোলা আৱেগিক সংযোগে কাৰ্যসূচীৰ পৰিৱেশক অধিক উষ্ম, প্ৰাণৱন্ত আৰু অৰ্থপূৰ্ণ কৰি তোলে। অনুষ্ঠানত বক্তব্য ৰাখি আয়োজকসকলে কয় যে আনষ্ট'পেবল কেৱল এটা গতানুগতিক কাৰ্যসূচী নহয়। ই আচলতে স্বাস্থ্য, মানসিক সুস্থতা, সজাগতা আৰু আৱেগিক সহায় সন্দৰ্ভত সমাজত এক ধাৰাবাহিক আলোচনা গঢ়ি তোলাৰ এক নিৰন্তৰ প্ৰয়াস। ইয়াৰ সমান্তৰালকৈ কৰ্কটজয়ীসকলৰ অদম্য সাহস, যুঁজাৰু মানসিকতা আৰু জীৱনৰ প্ৰতি থকা তেওঁলোকৰ অটুট ইতিবাচক দৃষ্টিভংগীক সন্মান জনোৱাটোৱে এই পদক্ষেপৰ অন্যতম মূল লক্ষ্য বুলিও দোহাৰে আয়োজকসকলে।

## গুৱাহাটী আলোচনা চক্ৰৰ বৈঠক

**গুৱাহাটী, ৩০মে'ঃ** গুৱাহাটী আলোচনা চক্ৰৰ বৈঠকখন অহা ৩জুনত আবেলি ৩বজাত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত হ'ব। ভবানী শৰ্মা সোঁৱৰণী সভাখন আহ্বান জনাইছে গুৱাহাটী আলোচনা চক্ৰৰ সভাপতি কনক চন্দ্ৰ শৰ্মাই। সেয়েহে সকলো সদস্য আৰু সাহিত্যপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে। এই বৈঠকত কেইবাগৰাকী বিশিষ্ট সাহিত্যিক উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

## সাংসদ বিজুলী কলিতা মেধি-প্ৰাক্তন বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ উন্নয়ন পুঁজিৰে জোনাকী পথ উদ্বোধন



**গুৱাহাটী,৩০মে'ঃ** পূৰ্বৰ পশ্চিম গুৱাহাটী তথা নৱগঠিত জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম জালুকবাৰীৰ জোনাকী পথৰ উন্নয়ন সাধনৰ বাবে গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে সাংসদৰ স্থানীয় এলেকা উন্নয়ন পুঁজি (২০২৫-২৬ বৰ্ষ)ৰ অধীনত সাত লাখ টকা আৰু পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি (২০২৫ -২৬ বৰ্ষ) অধীনত ছয় লাখ টকাসহ মুঠ তেৰ লাখ টকা আগবঢ়াইছিল। সেই টকাৰে জোনাকী পথ নিৰ্মাণ সমিতিয়ে ৰাজহুৱা মিতব্যয়িতাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰি নিৰ্ধাৰিত সময়ৰ ভিতৰতে পথছোৱা নিৰ্মাণ কৰিবলৈ সক্ষম হয়। আনহাতে যোৱা ২৮ মে'ৰ দিনা সন্ধিয়াৰ প্ৰাকক্ষণত মাংগলিক কাৰ্যৰ মাজেৰে নৱনিৰ্মিত পথটো আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে সাংসদ বিজুলী কলিতা মেধিয়ে। এই উপলক্ষে দুই শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে ৰঙাআলি সমন্বয় ক্ষেত্ৰ উন্নয়ন সমিতিৰ সম্পাদক পৰেশ হালৈয়ে আৰু আঁত ধৰে অঞ্চলটোৰ বাসিন্দা তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অভিযন্তা প্ৰণৱ দাসে। সভাত ভাষণ প্ৰসংগত সাংসদ বিজুলী কলিতা মেধিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনক উন্নয়নৰ ধাৰাটো অব্যাহত ৰখাৰ বাবে ৰাইজে পুনৰ হিয়া উজাৰি ভোটদান কৰি পুনৰ শাসনলৈ অনা বিষয়টোৰ আলোকপাত কৰে আৰু আগন্তুক দিনত পশ্চিম জালুকবাৰী অঞ্চলৰ উন্নয়নত তেওঁৰ ফালৰ পৰা সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱা হ'ব বুলি ব্যক্ত কৰে। সভাত ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কাৰ্যনিৰ্বাহ সদস্য উৎপল দাস, কামৰূপ মহানগৰ জিলা পৰিষদৰ উপ-সভানেত্ৰী গিৰিজা মেধি, ৰাণী চাপৰি জিলা পৰিষদৰ সদস্য কুশল দাস , ৰামছাৰানী আঞ্চলিক পঞ্চায়তৰ সভাপতি ভূপেন ইংতি, ৰঙাআলি সমন্বয় ক্ষেত্ৰৰ সভাপতি নিৰোদ বৰকটকী, সমাজ সেৱক ধ্ৰুৱ প্ৰসাদ বৈশ্য, অগপ দলৰ নেতা ৰবীন দৈমাৰী, মনোৰঞ্জন দাস, মহিলা সমাজসেৱিকা তৰালী পাঠককে ধৰি কেবাজনো বিশিষ্ট লোক উপস্থিত থাকে।

## মালীগাঁৱত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন




**গুৱাহাটী,৩০ মে'ঃ** শংকৰদেৱ শিশু নিকেতন মালিগাঁৱত ২৯ মে' শুকুৰবাৰে মনোৰমা ক্লিনিক এণ্ড ৰিচাৰ্ছ চেন্টাৰৰ সহযোগত আৰু মাতৃ ভাৰতীৰ উদ্যোগত নিকেতনৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। নিকেতনৰ ছাত্ৰ ছাত্ৰী, আচাৰ্য -আচাৰ্যাৰ লগতে মাতৃসকলক এই শিবিৰত চকু, দাঁত আৰু স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। এই চিকিৎসা শিবিৰত আমাক সহযোগ আগবঢ়োৱা ডাঃ জিতেন দেউৰী, মৃণাল কলিতাৰ লগতে মনোৰমা ক্লিনিকৰ সকলো চিকিৎসক দলক নিকেতনৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## সমাজকৰ্মী মহীকান্ত বড়োৰ বিয়োগ

**গুৱাহাটী,৩০মে'ঃ** গুৱাহাটীৰ ৰূপনগৰৰ গোপী পথ নিৱাসী সমাজকৰ্মী মহীকান্ত বড়ো(৭৪)ৰ ১৩ মে'ত পৰলোকপ্ৰাপ্তি ঘটে। প্ৰায় এমাহধৰি তেওঁ চিকিৎসাধীন হৈ আছিল। গুৱাহাটী পৌৰ নিগমৰ কৰ্মচাৰী মহীকান্ত বড়োৱে ২০১৪ চনত অৱসৰগ্ৰহণ কৰিছিল। ৰূপনগৰৰ বাথৌ মাওনাও থান, দুৰ্গাপূজা সমিতি, বড়ো সমাজ, ৰূপকলা সাংস্কৃতিক সংঘ, ৰঙালী বিহু উদযাপন সমিতি আদি বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ সৈতে তেওঁ সক্ৰিয়ভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুগৰাকী কন্যা-জোঁৱাই, এগৰাকী পুত্ৰ-বোৱাৰী, তিনিটি নাতি-নাতিনীক এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোৰ লগতে মহানগৰীৰ বড়ো সমাজত গভীৰ শোকৰ ছাঁ পৰে।

# হিন্দু ধৰ্মৰ দুগৰাকী মহীয়সী নাৰী সীতা আৰু কুন্তী



**এবাৰ দুৰ্বাসা মুনি কুন্তীভোজৰ ঘৰলৈ আহিল। কুন্তীয়ে তেওঁক কৰা সেৱা-শুশ্ৰূষাত মুনি সন্তুষ্ট হ'ল। তেওঁক কুন্তীক এটা মন্ত্ৰ শিকালে যাৰ সহায়ত কুন্তীয়ে যিকোনো দেৱতাক আহ্বান কৰি তেওঁৰ পৰা সন্তান লাভ কৰিব পাৰিব।**

**কৌতূহলী কুন্তীয়ে এদিন সেই মন্ত্ৰৰে ভগৱান সূৰ্যক আহ্বান কৰিলে। সূৰ্যই কুন্তীৰ লগত সহবাস কৰি এটা সন্তান দিলে আৰু লগতে কুন্তীৰ সতীত্বও পুনৰ প্ৰদান কৰিলে। এইমতেই কৰ্ণৰ জন্ম হয়। সমাজৰ ৰোষত পৰাৰ ভয়ত কুন্তীয়ে সন্তানটোক নৈত উটুৱাই দিয়ে। কুন্তীভোজে কুন্তীৰ স্বয়ম্বৰ আয়োজন কৰিলে। স্বয়ম্বৰত কুন্তীয়ে হস্তিনাপুৰৰ ৰজা পাণ্ডুক বৰণ কৰে। ইয়াৰ পাছত ৰাজ্য বঢ়োৱাৰ সংক্ৰান্তত পাণ্ডুৰে মদ্ৰৰ কুঁৱৰী মাদ্ৰীক বিয়া কৰায়।**

**এদিন পাণ্ডুৰে অৰণ্যত চিকাৰ কৰি থাকেঁতে ভুলতে সংগমত লিপ্ত মৃগয়াৰূপী ঋষি কিন্দম আৰু তেওঁৰ পত্নীক কাঁড় মাৰি হত্যা কৰে। মৃত্যুৰ আগে আগে ঋষিয়ে ৰজাক অভিশাপ দিয়ে যে ৰজাই যেতিয়াই সংগম কৰি তেতিয়াই তেওঁৰ মৃত্যু হ'ব। ইয়াৰ পাছত পাণ্ডুৰে ৰাজ্য পৰিত্যাগ কৰি দুইগৰাকী পত্নীৰে সৈতে বনবাসলৈ প্ৰস্থান কৰে।**

**কেইজনমান মুনিয়ে পাণ্ডুক কয় যে সন্তানহীন হৈ থাকিলে তেওঁ স্বৰ্গ লাভ কৰিব নোৱাৰিব। এই কথা পাণ্ডুৰে কুন্তীক জনাই কোনো সুপুৰুষৰ পৰা সন্তান লাভ কৰিবলৈ তেওঁক পৰামৰ্শ দিয়ে। কুন্তীয়ে তেতিয়া দুৰ্বাসাৰ পৰা পোৱা মন্ত্ৰ খটুৱাই তিনিজন পুত্ৰৰ মাতৃ হয় যম দেৱতাৰ পৰা যুধিষ্ঠিৰ, বায়ুৰ পৰা ভীম আৰু ইন্দ্ৰৰ পৰা অৰ্জুন। কুন্তীয়ে মাদ্ৰীকো সেই মন্ত্ৰ শিকাই দিয়াত মাদ্ৰীয়ে অশ্বিন দেৱতা দুজনৰ পৰা নকুল আৰু সহদেৱ নামৰ যঁজা পুত্ৰদ্বয় লাভ কৰে।**

সীতা হিন্দু মহাকাব্য ৰামায়ণৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ আৰু মিথিলা ৰাজ্যৰ ৰজা জনকৰ পুত্ৰী। তেওঁৰ অন্য নাম বৈদেহী, জানকী, মৈথেলী, ভূমিজা। সীতাক হিন্দু ধৰ্মৰ ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীৰ অৱতাৰ বুলি বিশ্বাস কৰা হয়। হিন্দুসকলৰ প্ৰধান পূজ্য দেৱতা বিষ্ণুৰ ৰাম অৱতাৰৰ সময়ত লক্ষ্মী দেৱীয়ে সীতা ৰূপে অৱতাৰ গ্ৰহণ কৰে আৰু ৰামৰ পত্নী হয়। সীতাক আদৰ্শ হিন্দু নাৰীচৰিত্ৰৰ প্ৰতীক হিচাপে মান্যতা প্ৰদান কৰা হয়। পতিব্ৰতা ধৰ্ম পালন, আত্মবলিদান, অদম্য সাহস আৰু পৱিত্ৰতাৰ বাবে সীতা হিন্দু নাৰী সকলৰ আদৰ্শ চৰিত্ৰ। আন এগৰাকী মহিয়সী নাৰী হ'ল কুন্তী। মহাভাৰতৰ আখ্যানমতে কুন্তী বা পৃথ্বা মথুৰাৰৰ যাদৱবংশীয় ৰজা শূৰসেনৰ কন্যা আৰু ৰজাকুন্তীভোজৰ তোলনীয়া কন্যা। তেওঁ বাসুদেৱৰ ভনীয়েক আছিল। হস্তিনাপুৰৰ ৰজা পাণ্ডুলৈ তেওঁৰ বিয়া হৈছিল আৰু কৰ্ণৰ লগতে প্ৰথম তিনিজন পাণ্ডৱৰ মাতৃ হৈছিল। কুন্তী সম্পৰ্কত কৃষ্ণ, বলৰাম আৰু সুভদ্ৰাৰ পেহীয়েক। নকুল আৰু সহদেৱকো তুলি-তালি ডাঙৰ কৰিছিল। কুন্তীক মহাভাৰতৰ অন্যতম গুৰুত্বপূৰ্ণ চৰিত্ৰ হিচাপে গণ্য কৰা হয়। কুন্তীৰ দেউতাক যাদৱ বংশৰ ৰজা শূৰসেন। তেওঁৰ আচল নাম আছিল পৃথ্বা। দেউতাকে সম্পৰ্কীয় ভায়েক কুন্তীভোজ সন্তানহীন হোৱা বাবে কুন্তীকে ডাঙৰ-দীঘল কৰিবলৈ দিয়ে।

এবাৰ দুৰ্বাসা মুনি কুন্তীভোজৰ ঘৰলৈ আহিল। কুন্তীয়ে তেওঁক কৰা সেৱা-শুশ্ৰূষাত মুনি সন্তুষ্ট হ'ল। তেওঁক কুন্তীক এটা মন্ত্ৰ শিকালে যাৰ সহায়ত কুন্তীয়ে যিকোনো দেৱতাক আহ্বান কৰি তেওঁৰ পৰা সন্তান লাভ কৰিব পাৰিব।


কৌতূহলী কুন্তীয়ে এদিন সেই মন্ত্ৰৰে ভগৱান সূৰ্যক আহ্বান কৰিলে। সূৰ্যই কুন্তীৰ লগত সহবাস কৰি এটা সন্তান দিলে আৰু লগতে কুন্তীৰ সতীত্বও পুনৰ প্ৰদান কৰিলে। এইমতেই কৰ্ণৰ জন্ম হয়। সমাজৰ ৰোষত পৰাৰ ভয়ত কুন্তীয়ে সন্তানটোক নৈত উটুৱাই দিয়ে। কুন্তীভোজে কুন্তীৰ স্বয়ম্বৰ আয়োজন কৰিলে। স্বয়ম্বৰত কুন্তীয়ে হস্তিনাপুৰৰ ৰজা পাণ্ডুক বৰণ কৰে। ইয়াৰ পাছত ৰাজ্য বঢ়োৱাৰ সংক্ৰান্তত পাণ্ডুৰে মদ্ৰৰ কুঁৱৰী মাদ্ৰীক বিয়া কৰায়।

এদিন পাণ্ডুৰে অৰণ্যত চিকাৰ কৰি থাকেঁতে ভুলতে সংগমত লিপ্ত মৃগয়াৰূপী ঋষি কিন্দম আৰু তেওঁৰ পত্নীক কাঁড় মাৰি হত্যা কৰে। মৃত্যুৰ আগে আগে ঋষিয়ে ৰজাক অভিশাপ দিয়ে যে ৰজাই যেতিয়াই সংগম কৰিব তেতিয়াই তেওঁৰ মৃত্যু হ'ব। ইয়াৰ পাছত পাণ্ডুৰে ৰাজ্য পৰিত্যাগ কৰি দুইগৰাকী পত্নীৰে সৈতে বনবাসলৈ প্ৰস্থান কৰে।

কেইজনমান মুনিয়ে পাণ্ডুক কয় যে সন্তানহীন হৈ থাকিলে তেওঁ স্বৰ্গ লাভ কৰিব নোৱাৰিব। এই কথা পাণ্ডুৰে কুন্তীক জনাই কোনো সুপুৰুষৰ পৰা সন্তান লাভ কৰিবলৈ তেওঁক পৰামৰ্শ দিয়ে। কুন্তীয়ে তেতিয়া দুৰ্বাসাৰ পৰা পোৱা মন্ত্ৰ খটুৱাই তিনিজন পুত্ৰৰ মাতৃ হয় যম দেৱতাৰ পৰা যুধিষ্ঠিৰ, বায়ুৰ পৰা ভীম আৰু ইন্দ্ৰৰ পৰা অৰ্জুন। কুন্তীয়ে মাদ্ৰীকো সেই মন্ত্ৰ শিকাই দিয়াত মাদ্ৰীয়ে অশ্বিন দেৱতা দুজনৰ পৰা নকুল আৰু সহদেৱ নামৰ যঁজা পুত্ৰদ্বয় লাভ কৰে।

এদিন পাণ্ডুৰে হিতাহিত জ্ঞান হেৰুৱাই মাদ্ৰীৰ লগত সংগম কৰিব খোজাত তেওঁৰ মৃত্যু হয়। ৰজাৰ মৃত্যুৰ কাৰণ হোৱা বুলি ভাবি মাদ্ৰী সতী হৈ প্ৰাণ ত্যাগ কৰে। ইয়াৰ পাছত কুন্তীয়ে পাঁচোজন পুত্ৰক লৈ হস্তিনাপুৰ যায়গৈ। পাণ্ডৱসকল হস্তিনাপুৰলৈ ঘূৰি অহাৰ পাছত সিংহাসন লৈ বিবাদৰ আৰম্ভ হয়। দুৰ্যোধনে নিজকে উত্তৰাধিকাৰী গন্য কৰিছিল কিন্তু ধৃতৰাষ্ট্ৰই যুধিষ্ঠিৰক যুৱৰাজ ঘোষণা কৰে। তেতিয়া মোমায়েক শকুনিৰ মন্ত্ৰণামতে দুৰ্যোধনে পাণ্ডৱক জতুগৃহত জ্বলাই মাৰিবলৈ পৰিকল্পনা কৰে। বিদুৰৰ সহায়ত পাণ্ডৱসকল ইয়াৰ পৰা সাৰে ব্ৰাহ্মণ বেশ ধৰি নানা ঠাই ভ্ৰমণ কৰে।

ছদ্মবেশত থাকেঁতেই পাঞ্চাল ৰাজ্যৰ কুঁৱৰী দ্ৰৌপদীৰ স্বয়ম্বৰত অৰ্জুনে জয়লাভ কৰে। পঁজালৈ ঘূৰি গৈ পাণ্ডৱসকলে মাকক উপহাৰ অনা বুলি কয়। ভুল বুজি কুন্তীয়ে যি আনিছে আটাইকেইজনক ভগাই ল'বলৈ পৰামৰ্শ দিয়ে। মাকৰ বচন খণ্ডাব নোৱাৰি পাঁচোজন পাণ্ডৱে দ্ৰৌপদীক একেলগে বিয়া কৰায়। পাণ্ডৱসকল হস্তিনাপুৰলৈ ঘূৰি যোৱাৰ পাছত যুধিষ্ঠিৰক



ইন্দ্ৰপ্ৰস্থ ৰাজ্য প্ৰদান কৰা হয়। কিন্তু আকৌ এদিন শকুনিৰ ষড়যন্ত্ৰত পাশা খেলত পৰাস্ত হৈ পাণ্ডৱসকল বাৰ বছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাস খাটিবলগীয়াত পৰে। এইবাৰ কুন্তী বনলৈ নগৈ বিদুৰৰ ঘৰতে থাকে।কুৰুক্ষেত্ৰ যুদ্ধ আৰম্ভ হোৱাৰ আগতে কুন্তীয়ে মনে মনে কৰ্ণক লগ ধৰি তেওঁ পাণ্ডৱৰ ফলীয়া হ'বলৈ অনুৰোধ কৰে। কিন্তু কৰ্ণই বন্ধু দুৰ্যোধনক প্ৰতাৰণা কৰিব নুখুজি এই অনুৰোধ প্ৰত্যাখ্যান কৰে। কিন্তু তেওঁ কুন্তীক কথা দিয়ে অৰ্জুনৰ বাহিৰে আন কোনো পাণ্ডৱক তেওঁ হত্যা নকৰে। কৰ্ণই মাকক যুদ্ধৰ পাছলৈকে তেওঁলোকৰ সম্পৰ্ক গোপনে ৰাখিবলৈ কয় আৰু কয় যে যুদ্ধ শেষ হোৱাৰ পাছতো কুন্তীৰ পাঁচজন পুত্ৰই থাকিব- পঞ্চমজন হয় কৰ্ণ নহয় অৰ্জুন। যুদ্ধৰ সময়ছোৱাত কুন্তীয়ে কৌৰৱৰ শিবিৰত গান্ধাৰীৰ লগত থাকে। (সহায় লৈ)

## আধুনিক বিজ্ঞানৰ স্ৰষ্টা জগদীশ চন্দ্ৰ বসু



মৰমৰ অকণিহঁত, আজি তোমালোকক এগৰাকী বৰেণ্য ব্যক্তিৰ বিষয়ে দুআষাৰ ক'বলৈ লৈছো। আশা কৰো তোমালোক উপকৃত হ'বা।

ভাৰতত আধুনিক বিজ্ঞানৰ যুগ সূচনা কৰা প্ৰথম ব্যক্তি হিচাপে সদায়ে জগদীশ চন্দ্ৰ বসুৰ নাম ইতিহাসত স্মৰণীয় হৈ থাকিব । তেওঁ আছিল আধুনিক ভাৰতৰ বিজ্ঞানৰ বাটকটীয়া । তেওঁয়েই আছিল বিজ্ঞানৰ ক্ষেত্ৰত আন্তৰ্জাতিক খ্যাতি লাভ কৰা প্ৰথম ভাৰতীয় । ১৮৫৮ চনৰ ৩০ নৱেম্বৰ । ঢাকাৰ ওচৰৰ বৰিশালত তেওঁৰ জন্ম হৈছিল । পিতৃ ভগৱান চন্দ্ৰ বসু । তেওঁ প্ৰাথমিক শিক্ষা আৰম্ভ কৰে ফৰিদপুৰত তাৰ পিছত কলিকতাৰ ছেইণ্ট জেভিয়াৰ্ছ স্কুলৰ পৰা ১৮৭৪ চনত মেট্ৰিকুলেচনত উত্তীৰ্ণ হয় । ছেইণ্ট জেভিয়াৰ্ছ কলেজৰ পৰা ১৮৭৮ চনত স্নাতক ডিগ্ৰী লাভ কৰে বসুৱে। জগদ্বীশ চন্দ্ৰ বসুৱে ১৮৮০ চনত চিকিৎসা বিজ্ঞান পঢ়িবলৈ ইংলেণ্ডলৈ যায় যদিও সেই শিক্ষা আধৰুৱা কৰি ১৮৮১ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰত খ্ৰাইষ্ট কলেজত বিজ্ঞান শাখাত নাম ভৰ্তি কৰে । ১৮৮৪ চনত বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰে । কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰৰ পৰা স্নাতকোত্তৰ লাভ কৰাৰ পিছত। কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হিচাপে যোগদান কৰে । পদাৰ্থ বিজ্ঞানৰ গৱেষণা ১৮৯৪ চনত বেতাঁৰ তৰংগৰ আৱিষ্কাৰ, কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰৰ পৰা ১৮৯৫ চনত ডক্টৰ অৱ ছায়েন্স উপাধি লাভ কৰে ।তেওঁ ১৯০০ চনত ফ্ৰান্সত বৈজ্ঞানিক যন্ত্ৰ-পাতিৰ প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি ক্ৰেস্ক'গ্ৰাফ নামৰ যন্ত্ৰৰ আৱিষ্কাৰ কৰিবলৈ সক্ষম হয়। ১৯১৬ চনত বৃটিছ চৰকাৰৰ পৰা ছাৰ উপাধি লাভ কৰে। কলিকতাত বিশ্ববিদ্যালয়ৰ আজীৱন অধ্যাপক তথা ১৯২০ চনত ৰয়েল ছ'চাইটীৰ সভ্য নিৰ্বাচিত হয়। ১৯১৭ চনত বসুয়ে বিজ্ঞান মন্দিৰ স্থাপন কৰে। বিজ্ঞানৰ আৱিষ্কাৰক জগদ্বীশ চন্দ্ৰ বসুৰ ১৯৩৭ চনত মৃত্যু হয়।

## চৰাই চিনো আহা—

## কামচৰাই



কামচৰাই 'Rallidae' পৰিয়ালৰ অন্তভুৰ্ক্ত এবিধ চৰাইৰ প্ৰজাতি। ই কুকুৰাৰ সমান আকাৰৰ আৰু গাৰ উজ্জল বৰণ তথা ৰঙা ঠোঁটৰ বাবে ইয়াক সহজে চিনাক্ত কৰিব পৰা যায়।কাম চৰাইৰ মাত ডাঙৰ আৰু খুউব খৰ। বিশেষকৈ প্ৰজনন কালত ই যথেষ্ট হুলস্থুলীয়া হৈ পৰে। ই দীৰ্ঘ দুৰত্ব উৰি যাব পাৰে আৰু সাতোঁৰাটো পাকৈত। কাম চৰায়ে সাধাৰণতে বৰষুণ বা গ্ৰীষ্মকালৰ লগত সংগতি ৰাখি বিভিন্ন অঞ্চলত বিভিন্ন সময়ত প্ৰজনন কৰে। মতা কামচৰায়ে জলজ উদ্ভিদৰ ঠাৰি ঠোঁটত লৈ মাইকীজনীক দেখুৱায় আৰু আকৰ্ষিত কৰিবলৈ চেষ্টা কৰে। ইয়াৰ বিতৰণৰ পশ্চিম অঞ্চল সমূহত কাম চৰাইসমূহ একগামী হোৱা দেখা যায়। আনহাতে পূবৰ অঞ্চলসমূহত সহযোগী প্ৰজনন কৰাও দেখা যায়। এনে গোটসমূহত একেটা বাহতে এটা মতা কাম চৰাইৰ সৈতে কেইবাজনীও মাইকী চৰাই বা এহাল কামচৰাইৰ লগত সহায়কাৰী কামচৰাই থকা দেখা যায়। কামচৰাইৰ বাহ সাধাৰণতে পানীৰ পৰা কিছু ওপৰত উদ্ভিদ বা ঘাঁহেৰে পূৰ্ণ হয়। এজনী চৰায়ে এবাৰত ৩-৬ টাকৈ কণী পাৰে। কণীবোৰৰ ৰং শেঁতা হালধীয়া, বা ৰঙা-বগা আৰু তাত মটিয়া ফুট থকা দেখা যায়। মতা আৰু মাইকী দুয়োটা চৰায়ে ২৩-২৭ দিনলৈকে কণী উমনি দিয়ে। জন্মৰ সময়ত পোৱালিৰ গাত পাখি থাকে। ১০-১৪ দিনলৈকে মাক দেউতাকে পোৱালিক খাদ্য খুৱায়। কাম চৰায়ে সাধাৰণতে ঘনকৈ বৰষুণ হোৱা সেমেকা অঞ্চল পছন্দ কৰে। ই সাধাৰণতে কণী, হাঁহৰ পোৱালি, সৰু মাছ আৰু অন্যান্য অমেৰুদণ্ডী প্ৰাণী খাই বুলি জনা যায়। আই. ইউ. চি. এনে কামচৰাইক বৰ্তমান সংকটমুক্ত বুলি স্বীকৃতি দিছে। কৃত্ৰিম পুখুৰী তথা হ্ৰদ আদিৰ সৃষ্টি কৰাৰ ফলত এই চৰাইবিধৰ জনসংখ্যা বৃদ্ধি পাইছে যদিও ঠায়ে ঠায়ে বাসস্থান ধ্বংস, চোৰাং চিকাৰ আৰু কীটনাশক দ্ৰব্যৰ অতিমাত্ৰা ব্যৱহাৰৰ বাবে কাম চৰাইৰ জনসংখ্যা কমি অহাৰো তথ্য পোৱা গৈছে।

## বাঘ আৰু গৰখীয়াৰ সাধু...



এখন ডাঙৰ হাবিৰ কাষতে এখন পথাৰ আছিল। তাতে এটা বাঘ থাকে। সেই পথাৰতে গাঁৱৰ মানুহবোৰে খেতি-খোলা কৰি থাকে। সেই পথাৰৰ নিলগতে এজোপা বৰ গছ আছে। তাতে এটা গৰখীয়াই সদায় গৰু চৰায়।

গৰু চৰাই থাকোতে তাৰ মনত এটা দুষ্ট বুদ্ধি খেলালে। গাঁৱৰ মানুহক ঠগিবলৈ বুলি মিছাতে এদিন দুপৰীয়া 'বাঘ অ' বাঘ অ' মোক খালে অ', কোন ক'ত আছা মোক বচোৱাহি অ' বুলি চিঞৰ-বাখৰ লগালে। তাৰ চিঞৰ-বাখৰ শুনি খেতিয়কসকলে দৌৰ মাৰি তাৰ ওচৰ পালেহি।

বাঘ নাই। খেতিয়কসকলক দেখি চিঞৰি চিঞৰি হাঁহিবলৈ ধৰিলে। খেতিয়কসকলে বুজিলে, গৰখীয়াই মিছাকৈ ঠগিবলৈহে এনেকৈ চিঞৰ-বাখৰ কৰিছিল। যোৱাৰ পৰত তেওঁলোকে তাক ক'লে— 'এনেকৈ মিছাতে ধেমালি নকৰিবা।

তাৰ পিছত আকৌ এদিন গৰখীয়াটোৱে 'বাঘ অ' মোক খালে অ' বুলি চিঞৰ-বাখৰ লগালে। খেতিয়কসকল দৌৰ মাৰি আহিল। কিন্তু কোনেও বাঘৰ ছাঁটোকে দেখা নাপালে। ৰং পাই গৰখীয়াই খুব হাঁহিলে। সিদিনাও তেওঁলোকে তাক এনে কাম নকৰিবলৈ বুজনি দি গ'লগৈ।

দুষ্ট গৰখীয়াৰ কিন্তু দুষ্টালি নকমিল। এদিন আকৌ সি আগৰ দৰে চিঞৰ-বাখৰ কৰাত খেতিয়কসকল আহিল। কিন্তু বাঘ নেদেখি তাক গালি-শপনি পাৰি উভতি গ'ল।

কিছুদিনৰ পিছত এদিন সঁচাকৈয়ে এটা বাঘ ওলাল। বাঘে গৰখীয়াৰ ওপৰত জপিয়াই পৰিল। সি কাতৰভাৱে 'মোক বচোৱা, বাঘে মোক খালে অ' বুলি ইনাই-বিনাই কান্দিলে। কিন্তু এজনো মানুহ তাৰ ওচৰলৈ নাহিল। তাৰ চিঞৰ শুনি মানুবোৰে ভাবিলে— সি নিশ্চয় আগৰ দৰে এইবাৰো তেওঁলোকক ঠগিবলৈ ধেমালিতে চিঞৰিছে।

গৰখীয়াই চিঁৰি চিঞৰি ভাগৰি পৰিল। বাঘে তাক কামুৰি কামুৰি মাৰি পেলালে। মৰাৰ সময়ত গৰখীয়াই বুজিলে—মিছা মাতিলে বিপদতো কোনো আগবাঢ়ি নাহে।



*তাৰ পিছত আকৌ এদিন গৰখীয়াটোৱে 'বাঘ অ' মোক খালে অ' বুলি চিঞৰ-বাখৰ লগালে। খেতিয়কসকল দৌৰ মাৰি আহিল। কিন্তু কোনেও বাঘৰ ছাঁটোকে দেখা নাপালে। ৰং পাই গৰখীয়াই খুব হাঁহিলে। সিদিনাও তেওঁলোকে তাক এনে কাম নকৰিবলৈ বুজনি দি গ'লগৈ।*

# ধৰ্মপ্ৰাণা মহিলা বিজয়া চেতিয়াৰ মৃত্যুত শিৱসাগৰত শোক

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ ৩০ মে'ঃ** শিৱসাগৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াৰ মাতৃ তথা শিৱসাগৰ নগৰৰ সমীপৰ বেতবাৰী বোকাবিল গাঁৱৰ নিবাসী প্ৰয়াত দিগন্ত চেতিয়াৰ সহধৰ্মিনী বিজয়া চেতিয়া শিৱসাগৰ আৰক্ষী অধীক্ষকৰ চৰকাৰী বাসভৱনত মৃত্যু হয়। বিভিন্ন সামাজিক সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ সৈতে জড়িত সমাজদৰদী ধৰ্মপ্ৰাণা মহিলা বিজয়া চেতিয়া দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। ধৰ্মপ্ৰাণা মহিলা গৰাকীৰ মৃত্যুত সমগ্ৰ শিৱসাগৰত গভীৰ শোকৰ ছাঁ পৰে। বিজয়া চেতিয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শিৱসাগৰৰ জ্যেষ্ঠ সাংবাদিক মনোজ বৰঠাকুৰ, এম আই বড়া, খাইৰুদ্দিন আহমেদ, জয়জ্যোতি গগৈ, অনন্ত স্মিথকে ধৰি বহুকেইগৰাকী সাংবাদিকে শিৱসাগৰৰ সাংবাদিক সমাজৰ হৈ বিজয়া চেতিয়াৰ নশ্বৰ দেহত চাদৰ আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিৱসাগৰৰ আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু আৰক্ষী অধীক্ষক কাৰ্যালয়ৰ কৰ্মচাৰী সকলে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ পুত্ৰ আৰু জীয়ৰী পাপৰি চেতিয়াক ইহ সংসাৰত এৰি থৈ যায়। বৰ্তমান অষ্ট্ৰেলিয়াত কৰ্মৰত তেওঁৰ একমাত্ৰ পুত্ৰ শিৱসাগৰত উপস্থিত হোৱাৰ পাছতেই শিৱসাগৰ নগৰৰ থানামুখ শান্তিবন শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে, মৃত্যুৰ পূৰ্বে সমাজদৰদী মহিলা বিজয়া চেতিয়াই নিজৰ চকু দান কৰি গৈছিল। তেওঁৰ মৃত্যুৰ পাছত বিভাগীয় কৰ্তৃপক্ষই তেওঁৰ চকু গ্ৰহণ কৰে। এনে কাৰ্যৰ জৰিয়তে তেওঁ মানৱতাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। বিজয়া চেতিয়াৰ মৃত্যুত শিৱসাগৰ জিলা আৰক্ষী বিভাগ, আৰক্ষীৰ যানবাহন শাখা, আৰক্ষী অধীক্ষক কাৰ্যালয়ৰ বিষয়া আৰু কৰ্মচাৰী বৃন্দ, গৃহৰক্ষী বিভাগ, শিৱসাগৰ জিলা আয়ুক্ত মৃদুল যাদৱ, শিৱসাগৰ জিলা প্ৰশাসনৰ বিষয়া আৰু কৰ্মচাৰী বৃন্দ, শিৱসাগৰ অসামৰিক প্ৰতিৰক্ষা আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, শিৱসাগৰ জিলা সাংবাদিক সংস্থা, শিৱসাগৰ প্ৰেছক্লাব, শিৱসাগৰ জিলা বাৰ্তাজীৱি সংঘ, বৃহত্তৰ শিৱসাগৰ প্ৰেছক্লাব, ইমিডিয়া এছ'চিয়েচন, ৰেভ পৰ্টেল এছ'চিয়েচনকে ধৰি শিৱসাগৰৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# নাজিৰাৰ কপহুৱাৰ পথৰ দুৰৱস্থা ঃ জনতাৰ ক্ষোভ ঃ পুনৰ নিৰ্মাণৰ দাবীত ৰাইজৰ অৱৰোধ

**বাতৰি কাকত, নাজিৰা,৩০ মে'ঃ** নাজিৰাৰ এটা অতি ব্যয়স্থতাপূৰ্ণ পথ নাজিৰা নগৰৰ ঐতিহাসিক ধোদৰ আলি আৰু জয়সাগৰ - নাজিৰা সংযোগী ঐতিহাসিক বৰ আলিৰ লগত সংযুক্ত হৈ থকা বৰতল, কপহুৱা , লখিমী পুখুৰী, খটখটী, চলিহা বাৰেঘৰ সত্ৰ, মাদুৰি, আমকটীয়া, মেচাগড় আদিকে ধৰি ডেৰকুৰিৰোধিক গাৱঁৰ শ শ জনগণৰ যাতায়তৰ এই কপহুৱা পথ । চৰকাৰী বিয়াগোম লোক নিৰ্মাণ বিভাগৰ লগতে তেল আৰু প্ৰাকৃতিক গেছ নিগম অসম সম্পদ কৰ্তৃপক্ষৰ চূড়ান্ত গাফিলতিৰ বাবেই সম্প্ৰতি এই পথেদি যাতায়াতৰ ক্ষেত্ৰত জনগণে যমৰ যাতনা ভুগিব লগা হৈছে। অ' এন জি চিৰ তেল খাদ থকাৰ বাবে নিতৌ নিগমৰ অতি গধুৰ গধুৰ যান - বাহন চলাচল কৰাৰ বাবে বছৰ বছৰ ধৰি মেৰামতি নকৰা এই পথটোত প্ৰান্তে প্ৰান্তে বৰ্তমান দ' দ' পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হোৱাত সাধাৰণ জনগণে চাইকেলেৰেও যাতায়াত কৰাত অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰিছে। জনগণে অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষৰ লগতে অ' এন জি চিৰ বিভাগীয় কৰ্তৃপক্ষক পথটো পুনৰ নিৰ্ধাৰণৰ বাবে বাৰম্বাৰ অনুৰোধ জনাই আবেদন - নিবেদন কৰাৰ পিছতো কোনো গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই। যাৰ বাবে স্থানীয় পুৰুষ - মহিলা, ছাত্ৰ - ছাত্ৰীৰ শ শ ৰাইজে ৰাজপথত নামি পথ অৱৰোধ কৰি অসম চৰকাৰৰ লগতে অ' এন জি চিৰ



অসম সম্পদৰ বিৰুদ্ধে ক্ষোভৰ বৰ্হিপ্ৰকাশ ঘটায় ।প্ৰতিবাদস্থলীত নাজিৰা সমজিলাৰ সহকাৰী দণ্ডাধীশ তথা ৰাজহ চক্ৰ বিষয়া চন্দনা বৰুৱাৰ লগতে অ'এন জি চিৰ শীৰ্ষ বিষয়া উপস্থিত হৈ পথটো নিৰ্মাণ কৰাৰ ব্যৱস্থা হক্সব বুলি আশ্বাস দিয়াত সামৰিক ভাৱে পথ অৱৰোধ স্থগিত ৰাখে। ইয়াৰ পিছতো পথটো শীঘ্ৰে পুনৰ নিৰ্মাণৰ ব্যৱস্থা নকৰিলে অনিৰ্দিষ্ট কাললৈ পথ বন্ধৰ দৰে চৰম প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি হুংকাৰ প্ৰদান কৰে প্ৰতিবাদকাৰী জনগণে ।

# জন ভাগিদাৰী অভিযানৰ জৰিয়তে মৰিগাঁৱত তৃণমূল পৰ্যায়ত জনজাতীয় লোকৰ মাজত ব্যাপক সজাগতা সৃষ্টি



**মৰিগাঁও, ৩০ মে'ঃ** মৰিগাঁও জিলা প্ৰশাসনে 'জন ভাগিদাৰী অভিযান'ৰ অধীনত জিলাখনৰ বিভিন্ন গ্ৰামাঞ্চল আৰু জনজাতীয় এলেকাত ব্যাপক সজাগতা সভা, জন শুনানি, স্বাস্থ্য শিবিৰ, ক্ৰীড়া কাৰ্যসূচী আৰু সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰে। সমগ্ৰ অভিযানৰ তদাৰক আৰু পৰ্যবেক্ষণ কৰে জিলা আয়ুক্ত অনামিকা তেৱাৰী আৰু অতিৰিক্ত জিলা আয়ুক্ত নিতিশা বৰাই। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰীৰ সভাপতিত্বত আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভ কৰা হৈছিল। জনজাতীয় আৰু গ্ৰামাঞ্চলৰ লোকসকলক চৰকাৰী কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগ কৰি তোলাৰ লগতে যোগ্য হিতাধিকাৰীক চৰকাৰী সেৱাৰ সৈতে সংযোগ স্থাপন কৰাই এই অভিযানৰ মূল উদ্দেশ্য আছিল ।অভিযানৰ অংশ হিচাপে মানিপুৰ, বৰচিলা, চাবুকধৰা, চাৰি পুনীয়া, শিলচাং গাঁও পঞ্চায়ত, আজাৰবাৰী আৰু কুশতলী গাঁও পঞ্চায়তৰ লগতে বিভিন্ন স্থানত সজাগতা সভা আৰু বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অনুষ্ঠানসমূহত আদি কৰ্মযোগী, মহিলা আৰু শিশু কল্যাণ, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, বাল্য বিবাহ ৰোধ, জীৱিকা উন্নয়ন আৰু বিভিন্ন চৰকাৰী আঁচনি সম্পৰ্কে সজাগতা সৃষ্টি কৰা হয় ।অভিযানৰ অংশ হিচাপে বিভিন্ন স্বাস্থ্য শিবিৰত যক্ষ্মা। মেলেৰিয়া, ৰক্তহীনতা, মধুমেহ, চিকল চেল আদিৰ পৰীক্ষা কৰা হয়। লগতে জনজাতীয় যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ উদ্দেশ্যে কায়াকিং, কেনয়িং আৰু ছোৱালী ফুটবলপ্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয় ।জিলা প্ৰশাসনে জন ভাগিদাৰী অভিযানৰ জৰিয়তে জনজাতীয় লোকসকলৰ মাজলৈ চৰকাৰী আঁচনিৰ সুফল সঠিকভাৱে লৈ যোৱাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ়ভাৱে ব্যক্ত কৰে।

# নগাঁৱত অসম ভিত্তিত গল্প আৰু কবিতা প্ৰতিযোগিতাৰ আয়োজন

**বাতৰি কাকত, পুৰণিগুদাম, ৩০ মে'ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ নগাঁও শাখাৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো অসম ভিত্তিত নলিনী দেৱান মৰলৰ স্মৃতিত গল্প আৰু কবিতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সেয়েহে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক মহিলা প্ৰতিযোগীসকলক অহা ১৫ জুনৰ ভিতৰত প্ৰিয়ম্বদা শইকীয়া বৰা, সম্পাদিক া-লেখিকা সমাৰোহ সমিতি, পুথিঘৰ প্ৰেছ, ঢাকাই পট্টি, নগাঁও-০১, ফোন-৯৯৫৪০০৫২৬১ ঠিকনালৈ প্ৰেৰণ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধিত জুৰুলা শিপিনী গাঁও শুৱালকুছি

**বাতৰি কাকত, শুৱালকুছি৩০ মে'ঃ** বিধান সভাৰ নিৰ্বাচনৰ পিছৰে পৰা নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে ৰেচম গাঁও শুৱালকুছিৰ শিপিনী-বোৱনী সকলক জুৰুলা কৰি তুলিছে । তাতঁশালত কাপোৰ উৎপাদন কৰি মাত্ৰ কেইটামান মজুৰি লাভ কৰি জীৱন জীৱিকাৰ পথ মুকলি কৰা শিপিনী-বোৱনীৰ পৰিয়াল সমুহত এই মূল্যবৃদ্ধিয়ে হাহাকাৰৰ সৃষ্টি কৰিছে । যাৰ ফলত দুবেলা দুমুটি নিয়মীয়াকৈ খোৱাটো অসম্ভৱ হৈ পৰিছে । ইফালে পাট-মুগাৰ



কাপোৰৰ মন্দা বজাৰৰ বাবে তাতঁশাল ব্যৱসায়ী সকলে কাপোৰৰ মজুৰি বৃদ্ধি কৰাটো কঠিন হৈ পৰিছে । এই কঠিন প্ৰত্যাহ্বানৰ সময়ত চৰকাৰে শিপিনী সকলক কিছু পৰিমাণে ৰাজ সাহায্য প্ৰদান নকৰিলে শুৱালকুছিৰ শিপিনী সকলে অৰ্থনৈতিক দিশত ভীষণ সমস্যাৰ সন্মুখীন হব লাগিব । শুৱালকুছিৰ বজাৰত খাদ্য সামগ্ৰীৰ দাম সমুহ হ'ল - কেচা জলকীয়া প্ৰতিকেজিত ১২০- ১৫০ টকা, বান্ধা কবি ৫০ টকা, ফুলকবি ৮০ টকা, বিলাহী ৬০-৮০ টকা, পটল ৮০ টকা, ভেণ্ডি ৬০ টকা, জিকা ৪০ টকা, বেঙেন ৪০-৫০ টকা, ইচকোৱাচ ৩০ টকা, পিয়াজ ৩০-৩২ টকা, তিয়হ ৪০ টকা, ভাত কেৰালা ৭০-৮০ টকা, তিতা কেৰেলা ৮০ টকা, অমিতা ৪০ টকা, ৰঙালাউ ৩০ কা, ধনীয়া, লাইশাক, পুইশাক প্ৰতি মুঠিত ১০ টকা, বীণ প্ৰতিকেজিত ৬০ টকা, আদা ২০০ টকা কলফুল গোট ৫০ টকা, মিঠাতেল ১৯০ - ২০৫ টকা, কণী প্লেট ২০০-২১০ টকা, মচুৰ দাইল, মুগ দাইল, আটা, বুট প্ৰতিকিলোত ১০ টকাকৈ বৃদ্ধি, ব্ৰেড ৩-৫ টকাকৈ বৃদ্ধি, গাখীৰত ৩-৫ টকা , চাউলৰ প্ৰতিকেজিত ৫-৭ টকাকৈ বৃদ্ধি পাইছে । থিক তেনেদৰে শুৱালকুছি বইলাৰ মাংস প্ৰতিকেজিত ২৬০-২৮০ টকা , পঠা ছাগলীৰ মাংস ৭০০ - ৭৫০টকা, লোকেল মূৰ্গীৰ ৬০০ টকা, সোণালী মূৰ্গীৰ ৪০০ টকা । এনেদৰে সকলো সামগ্ৰীৰে উৰ্ধমুখী দামে সাধাৰণ ৰাইজক ত্ৰাহিমধুসূদন দেখুৱাইছে । এচাম অসাধু ব্যৱসায়ীয়ে মূল্যবৃদ্ধিৰ সুবিধা গ্ৰহণ কৰি ৰাইজক হাৰাশাস্তি কৰাৰ অভিযোগ উঠিছে । এইক্ষেত্ৰত জিলা প্ৰশাসনক উপযুক্ত পদক্ষেপ গ্ৰহণ কৰি শুৱালকুছিৰ শিপিনী সকলৰ লগতে সাধাৰণ ৰাইজক সুলভ মূল্যত নিত্য প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰিবলৈ আহ্বান জনাইছে ।

# ছিপাঝাৰত ক'লা বজাৰত ৰন্ধন গেছৰ চিলিণ্ডাৰ ঃ কাৰ লগত মিতিৰালি কৰি চলাই আছে অসাধু ব্যৱসায়

**বাতৰি কাকত, ছিপাঝাৰ,৩০ মে'ঃ** ছিপাঝাৰত ৰন্ধন গেছৰ চিলিণ্ডাৰ নাটনি হোৱাত গ্ৰাহক ৰাইজে হাৰাশাস্তি ভুগিবলগীয়া হোৱাৰ কথা সংবাদ মাধ্যমত ইতিমধ্যে প্ৰচাৰিত অহাৰ পিছত ছিপাঝাৰৰ এখন ভিতৰুৱা ঠাইত দীৰ্ঘদিন ধৰি অসাধু তথা ক'লা ব্যৱসায়ীয়ে নিবিঘ্নে গেছ চিলিণ্ডাৰ অধিক দামত বিক্ৰী কৰি থকাৰ অভিযোগ উত্থাপন হৈছে। ছিপাঝাৰৰ চেঙেলীয়াঝাৰত এই অবৈধ ব্যৱসায় চলাই থকাৰ অভিযোগ সচেতন লোক সকলৰ। অভিযোগ অনুসৰি অসাধু ব্যৱসায়ী গৰাকীয়ে অঞ্চলটোৰ বহু সংখ্যক মহিলাৰ ৰন্ধন গেছৰ কাৰ্ড বিভিন্ন মিঠা কথাৰে সংগ্ৰহ কৰি হিতাধিকাৰীৰ চিলিণ্ডাৰ সমূহ কোনো এজেঞ্চীৰ পৰা আনি দুই হাজাৰৰো অধিক দৰত বিক্ৰী কৰি থকাৰ অভিযোগ উত্থাপন হৈছে।আন এক অভিযোগ অনুসৰি অসাধু ব্যৱসায়ী গৰাকীৰ গেছ এজেঞ্চিৰ লগত বহু বছৰ আগৰে পৰা আছে মিতিৰালি সম্পৰ্ক। যাৰ বাবে গ্ৰাহকক চৰকাৰী দৰতকৈ অধিক দৰত বিক্ৰী কৰি শোষণ আৰু লুণ্ঠন চলোৱাৰ অভিযোগ উঠিছে।জিলা যোগান বিভাগে এইলৈ গম পাইয়ো একো এটা নকৰাৰ অভিযোগ উত্থাপন হৈছে। যোগান বিভাগৰ ওপৰত আস্থা নোহোৱা হৈ পৰাৰ পিছত উপায়হীন হৈ জিলা উপায়ুক্তৰ তদন্তৰ দাবী জনাইছে। আনহাতে চেঙেলীয়াঝাৰ অঞ্চলত অসাধু ব্যৱসায়ী সকলে মুকলি ভাবে পেট্ৰ'লৰ লিটাৰত ১২০ টকা দৰত লৈ থকাৰো উঠিছে অভিযোগ।

# নিউ বঙাইগাঁও ৰেলৱে জংচনত ১৬ লক্ষাধিক নগদ ধনসহ আটক পশ্চিমবংগৰ এজন ব্যক্তি

**বঙাইগাঁও৩০ মে'ঃ** বঙাইগাঁৱৰ নিউ বঙাইগাঁও ৰেলৱে জংচনত মঙলবাৰে বিয়লি চৰকাৰী ৰেলৱে আৰক্ষী আৰু ৰেলৱে সুৰক্ষা বাহিনীৰ যৌথ নিয়মীয়া তালাচী অভিযানত পশ্চিমবংগৰ কলকাতাৰ দীনেশ কুমাৰ হীৰাৱত নামৰ এজন ব্যক্তিৰ পৰা বৃহৎ পৰিমাণৰ পাঁচশ টকীয়া নোটসহ মুঠ ১৬,৪১,১০০ টকা জব্দ হয় । এই সন্দৰ্ভত চৰকাৰী ৰে'লৱে আৰক্ষীৰ পৰা জানিব পৰামতে মঙলবাৰে বিয়লি প্ৰায় ৩:৩৫ বজাত নিউ বঙাইগাঁও চৰকাৰী ৰেলৱে আৰক্ষী আৰু ৰেলৱে সুৰক্ষা বাহিনীৰ এটা দলে যৌথভাৱে ৰেলৱে জংচনৰ ১ নং প্লেটফৰ্মৰ যাত্ৰীৰ বেগ আদি সামগ্ৰীসমূহৰ তালাচী অভিযান চলাইছিল। এই তালাচী চলাই থকাৰ সময়তে দলটোৱে ক'লা ৰঙৰ এখন বেগ কঢ়িয়াই লৈ থকা এজন সন্দেহজনক ব্যক্তিক আটক কৰে । আৰম্ভণিতে উক্ত ব্যক্তিজনে বেগখন তালাচী চলাবলৈ অনুমতি দিবলৈ অস্বীকাৰ কৰে যদিও অভিযানকাৰী দলটোৱে বাৰে বাৰে বুজাই কোৱাৰ পিছত তেওঁ তালাচী



চলাবলৈ দিবলৈ সন্মতি প্ৰকাশ কৰে । লগে লগে অভিযানকাৰী দলটোৱে বেগখনত তালাচী চলায় আৰু বেগৰ ভিতৰত এক বৃহৎ পৰিমাণৰ ৫০০ টকীয়া নোট উদ্ধাৰ কৰে । টকাখিনি পিছত গণনা কৰাত মুঠ নগদ ১৬,৪১,১০০ টকা উদ্ধাৰ হয় । অভিযানকাৰী দলে ব্যক্তিজনক ধনখিনিৰ সন্দৰ্ভত সোধাপোছা কৰাত ব্যক্তিজনে উক্ত বৃহৎ পৰিমাণৰ নগদ ধনখিনিৰ ক্ষেত্ৰত কোনো বৈধ নথি-পত্ৰ অথবা সন্তোষজনক ব্যাখ্যা দাঙি ধৰিব নোৱাৰাত দলটোৱে ধনসহ আটক কৰে । পৰৱৰ্তী সময়ত ব্যক্তিজনক পশ্চিমবংগৰ কলকাতাৰ দীনেশ কুমাৰ হীৰাৱত বুলি চিনাক্ত কৰে । অভিযানকাৰী দলটোৱে উদ্ধাৰ হোৱা নগদ ধনৰ লগতে উক্ত ব্যক্তিজনৰ এটা মোবাইল ফোন, আধাৰ কাৰ্ড, ৰেল টিকট আৰু পেন কাৰ্ড আইন অনুসৰি জব্দ কৰে। লগতে জব্দ কৰা নগদ ধন আৰু সংশ্লিষ্ট নথি-পত্ৰ তথা সামগ্ৰীসমূহ অধিক প্ৰয়োজনীয় আইনগত ব্যৱস্থা গ্ৰহণৰ বাবে আয়কৰ বিভাগক হস্তান্তৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে ।

# বঙাইগাঁৱত ইউ চি চি বাতিলৰ দাবীত আমছুৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ

**বঙাইগাঁও,৩০ মে'ঃ** ৰাজ্য চৰকাৰে অসম বিধানসভাৰ মজিয়াত ইউ চি চি বিধেয়কখন উত্থাপন কৰাৰ পিছতে ইয়াৰ বিৰোধিতা তথা বাতিলৰ দাবীত বঙাইগাঁৱৰ লগতে আমছুই ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰপায়ণ কৰে । প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে ইউ চি চি বিধেয়কৰ প্ৰতিলিপি দাহ কৰি সাব্যস্ত কৰে প্ৰতিবাদ । বঙাইগাঁৱৰ নিউ বঙাইগাঁওস্থিত জিলা আমছুৰ কাৰ্যালয়ৰ সন্মুখতো সন্ধিয়াৰ ভাগত সংগঠনটোৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে ইউনিফৰ্ম চিভিল ক'ড আমি নামানো, ইউনিফৰ্ম চিভিল ক'ডৰ নামত ধৰ্মীয় অনুভূতিত আঘাট কৰা নচলিব , বিজেপি চৰকাৰ হায় হায়, ইউনিফৰ্ম চিভিল ক'ড বাতিল কৰক, অসম চৰকাৰ হায় হায় আদি ধ্বনি দিয়ে । প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি জিলা আমছুমৰ সভাপতি ছাদ্দাম হুছেইনে সংবাদ মাধ্যমৰ আগত ক্ষোভ প্ৰকাশ কৰি কয় যে চৰকাৰে ইতিমধ্যে অসম বিধানসভাত যি ইউ চি চি বিল উত্থাপন কৰিছে এই বিলক আমি আমছুৱে তীব্ৰ নিন্দা কৰিছো আৰু গৰিহণা দিছো । কাৰণ ধৰ্ম নিৰপেক্ষ এখন দেশত ধৰ্মৰ নামত আইন প্ৰণয়ন কৰা হৈ আছে । এই ইউ চি চি বিভিন্ন জাতি - জনগোষ্ঠীক সাঙুৰি কৰা হোৱা নাই । কিছুমান জনগোষ্ঠীক বাদ দি এই ইউ চি চি বিধানসভাত চৰকাৰে উত্থাপন কৰিছে । সেয়ে আমি বুজিব পৰা নাই এইখন ইউ চি চি নে চিলেকটেট চিভিল কক্সড । গতিকে আমাৰ চৰকাৰৰ প্ৰতি আহ্বান এইটো স্পষ্ট কৰিব লাগে । লগতে এই বিলখন অতিশীঘ্ৰে বাতিল কৰিবলৈকো দাবী জনায় । অন্যথা ইয়াৰ বিৰুদ্ধে আমছুৰ ভয়াৱহ আন্দোলনৰ সন্মুখীন হোৱাৰ বাবে চৰকাৰ সাজু হওক বুলিও হুংকাৰ দিয়ে । সেইদৰে কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি মুৰাদুদ জামান সেখে কয় যে ভাৰতবৰ্ষক কি কৰিব বিচাৰিছে বা কি হৈ আছে আমি প্ৰকৃততে একো বুজি পোৱা নাই । ইউ চি চিৰ জৰিয়তে কেৱল ধৰ্মীয় সংখ্যালঘুৰ কাৰণে উমৈহতীয়া দেৱানী বিধি প্ৰয়োগ কৰিছে । ইয়াৰ আমি তীব্ৰ নিন্দা জনাইছো আৰু গৰিহণা দিছো । লগতে ইয়াক বাতিল কৰাৰ কাৰণে অসম চৰকাৰক আহ্বান জনাইছো । এখন গণতান্ত্ৰিক দেশত ভাগ ভাগ কৰি সংবিধান বলবৎ কৰাতো কিমানদূৰ যুক্তিসংগত তাক আমি মানি লক্সব পৰা নাই বুলিও কয় । প্ৰতিবাদী কাৰ্যসূচীত জিলা আমছুৰ সাধাৰণ সম্পাদক আজগৰ আলীকে ধৰি অন্যান্য বিষয়ববীয়া আৰু কৰ্মী উপস্থিত আছিল ।

# কচুৱা শিঙিমাৰী জিৎ গাঁৱৰ কালী মন্দিৰত চুৰি

**বাতৰি কাকত কামপুৰ ,৩০ মে'ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত অন্তৰ্গত শিঙিমাৰী বজাৰত অৱস্থিত জিৎ গাঁও কালী মন্দিৰত কোনো দূবৃত্তই এক চুৰি কাণ্ড সংগঠিত কৰে। দুস্কৃতিকাৰীয়ে মন্দিৰৰ গ্ৰীলৰ তলা ভাঙি ভিতৰত সোমাই দান পাত্ৰ লগতে অন্যান্য সামগ্ৰী চুৰি কৰি লৈ যায় ।চোৰে এজোৰ ডাঙৰ কাঁহৰ তাল,জয় ঘণ্টা এটা, সৰু তাল দুজোৰ, তিলিঙা ৬০০০টকা জমা থকা এটা দান সহ প্ৰায় বিশ হাজাৰ টকা মূল্যৰ সামগ্ৰী লৈ যায়। কালী পূজাৰ বাবে অহা লোকসকলে জানিব পাৰি সমিতিৰ সম্পাদকক জনায়। মন্দিৰৰ সম্পাদক বিনোদ প্ৰসাদে কচুৱা থানাত এজাহাৰ দিয়াত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

*ব্ৰজভাষাত ৰচনা কৰা সুৰদাসৰ গীত-পদৰ সংগ্ৰহ 'সুৰ সাগৰ' ভক্তি সাহিত্যৰ এক অমূল্য সম্পদ। 'সুৰ-সাগৰ' শ্ৰীমদ্ভাগৱতৰ আধাৰত ৰচিত। সুৰদাসৰ কৃতি সুৰ সাগৰ তেওঁৰ সমসাময়িক পৰিস্থিতিৰ সৈতে সম্বন্ধযুক্ত হ'লেও ইয়াৰ আবেদন সৰ্বকালীন আৰু চিৰন্তন। কৃষ্ণভক্ত কবিসকলৰ ভিতৰত ভক্ত কবি মীৰাবাঈৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মধ্যযুগীয় গুজৰাটী সাহিত্যৰ এগৰাকী উল্লেখযোগ্য কবি হিচাপেও মীৰাবাঈৰ খ্যাতি আছে। মীৰাবাঈ ধৰ্ম প্ৰচাৰিকা নাছিল, তেওঁ কৃষ্ণ প্ৰেমত গীত ৰচনা কৰিছিল।*

# মধ্যযুগৰ ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্য

ড° ৰুমী কলিতা

**মধ্যযুগত** ভাৰতীয় ভক্তি আন্দোলনৰ সৃষ্টি হয় আৰু এই আন্দোলনে অতি কম সময়ৰ ভিতৰতে সমগ্ৰ ভাৰতবৰ্ষতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। যদিও মধ্যযুগত এই আন্দোলনৰ সৃষ্টি হয়, কিন্তু তাৰ আগৰে পৰাই বিষ্ণুক উপাসনা কৰাৰ পদ্ধতি চলি আছিল। বেদ-উপনিষদৰ যুগতেই বিষ্ণুৰ অস্তিত্ব আছিল আৰু দেৱতা হিচাপে বিষ্ণুৱে প্ৰতিষ্ঠা লাভ কৰিছিল। মধ্যযুগত ষষ্ঠ শতিকাতে দাক্ষিণাত্য বা তামিল প্ৰদেশত ভক্তি আন্দোলনৰ সূত্ৰপাত হয় আৰু ক্ৰমে ই উত্তৰ ভাৰত, মধ্য ভাৰত, পূব ভাৰতত প্ৰৱেশ কৰে। অসমত পঞ্চদশ শতিকাত নৱ-বৈষ্ণৱ ধৰ্মৰ ৰূপত এই আন্দোলনে দেখা দিয়ে। ভাগৱত আৰু গীতাই আছিল এই আন্দোলন বা ধৰ্মৰ মূল উপজীৱ্য। ধৰ্ম প্ৰচাৰৰ লগে লগে এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন সাহিত্যও ৰচিত হৈছিল। কাৰণ ধৰ্ম প্ৰচাৰৰ অৰ্থে ভক্তসকলে সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। সাহিত্যৰ মাজেৰে এই ধৰ্মৰ ৰীতি-নীতি, দৰ্শন, তত্ত্ব, মানৱীয় প্ৰমূল্য আদি বিভিন্ন দিশৰ কথা প্ৰকাশ কৰিছিল। সাহিত্যক মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ ফলত শাক্ত বা শৈৱ সাহিত্যৰ তুলনাত ভক্তি বা বৈষ্ণৱ সাহিত্যৰ পৰিমাণ বেছি। প্ৰতিখন প্ৰদেশত ভক্তি আন্দোলনৰ সময়ত বুজন সংখ্যক গীত-মাত, কাব্য, নাট, ভাষ্য, টীকা আদি ৰচিত অথবা অনুদিত হৈছিল। এইবোৰে জাতীয় সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে।

আধুনিক ভাৰতীয় সাহিত্যসমূহৰ ভিতৰত তামিল সাহিত্যই প্ৰাচীন আৰু এই ভাষাতেই প্ৰথমে ভক্তি সাহিত্য ৰচিত হৈছিল। তামিল প্ৰদেশৰ খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ বিভিন্ন সময়ত তেওঁলোকৰ আৱিৰ্ভাৱ হৈছিল। তেওঁলোক তামিল আৰু সংস্কৃত দুয়োটা ভাষাতে বিদ্বান আছিল। বিচাৰধাৰাৰ ফালৰপৰা চালে সংস্কৃত সাহিত্যত উপলব্ধ বেদ-উপনিষদ আৰু গীতাৰ ভাবধাৰাকে তেওঁলোকে গ্ৰহণ কৰিছিল। এই ভাবধাৰা জনসাধাৰণৰ ভাষা তামিলত প্ৰকাশ কৰিবলৈ তেওঁলোক তামিল সাহিত্যৰ সকলো পৰম্পৰাৰ সৈতে ভালদৰে পৰিচিত হৈ পৰিছিল।

'নালায়িৰদিব্যপ্ৰবন্ধম্' ভক্তি আন্দোলনৰ আদি গ্ৰন্থ। ই আলৱাৰসকলৰ গীতৰ সংগ্ৰহ। এই গীতসমূহ কেইবা শতিকা জুৰি মৌখিকভাৱে চলি আছিল। নৱম শতিকাৰ শেষত নাথমুনিয়ে বহু পৰিশ্ৰমৰ অন্তত পদবোৰ সংগ্ৰহ কৰি পদ ৰচোঁতা, বিষয় আৰু ছন্দৰ ভিত্তিত সেইবোৰ বেলেগ বেলেগ নামকৰণ কৰিছে। তেতিয়াৰ পৰাহে তেওঁলোকৰ ৰচনা সংগ্ৰহ 'নালায়িৰদিব্যপ্ৰবন্ধম্'ত অন্তৰ্ভূক্ত হৈছে। আলৱাৰসকলৰ ভিতৰত প্ৰথম কবিগৰাকী হ'ল পোয়গৈ আলৱাৰ। তেওঁ ৰচনা কৰা এশ পদ 'মুদলতিৰুৱন্তাদি' নামে জনাজাত। পদবোৰ ভক্তি উপদেশমূলক। দ্বিতীয় গৰাকী আলৱাৰ হ'ল ভূতত্তালৱাৰ। এওঁ এশ পদ ৰচনা কৰে আৰু এই পদ 'তিৰুৱন্তাদি' নামে খ্যাত। ভগৱানৰ গুণ, ভক্তিৰ মহিমা, শৰণাগতি আদি এওঁৰ বৰ্ণনাৰ বিষয়। এওঁ অনেক বৈষ্ণৱ মন্দিৰৰ স্তুতিও ৰচনা কৰিছে। আন এগৰাকী আলৱাৰ পেয়ালৱাৰে এশ পদ ৰচনা কৰিছে আৰু এওঁৰ ৰচনা 'মূন্ট্ৰাম তিৰুৱন্তাদি' নামেৰে প্ৰৱন্ধত সংগৃহীত হৈছে। উল্লেখযোগ্য যে প্ৰথম এই তিনিগৰাকী আলৱাৰ তথা ভক্ত কবিক একেলগে 'মূনিত্ৰয়' বুলিও কোৱা হয় আৰু প্ৰত্যেকেই 'প্ৰবন্ধমত' এশকৈ পদ ৰচনা কৰিছে।

ভাৰতীয় সাহিত্য-সংস্কৃতিৰ ইতিহাসত শ্ৰীশংকৰাচাৰ্যৰ অৱতাৰ এটি যুগ পৰিৱৰ্তনকাৰী ঘটনা। তেওঁ ব্ৰহ্মসূত্ৰ, উপনিষদ আৰু গীতাৰ নতুন ভাষ্য ৰচনা কৰে। এই তিনিখন গ্ৰন্থক প্ৰস্থানত্ৰয়ী আখ্যা দিয়া হৈছে। আনহাতে ৰামানুচাৰ্যই নিজ ভক্তি বিষয়ক সিদ্ধান্ত স্পষ্টীকৰণৰ বাবে সংস্কৃত ভাষাত গ্ৰন্থ ৰচনা কৰে আৰু ভাষ্য প্ৰণয়ন কৰে। এওঁ ৰচনা কৰা ভাষ্যখনৰ নাম 'শ্ৰীভাষ্য'। উত্তৰ ভাৰতত ৰামানন্দই সংস্কৃতৰ উপৰি হিন্দী ভাষাত কবিতা ৰচনা কৰি হিন্দী ভাষাত ধৰ্মীয় উপদেশ দি হিন্দীৰ আদি প্ৰচাৰকৰ স্থান অধিকাৰ কৰে। কবীৰ দাসে লেখা-পঢ়া নাজানিছিল। কোনো কোনোৱে তেওঁক নিৰক্ষৰ বুলিও ক'ব খোজে। কবীৰ দাসৰ নিজৰ ভাষাত তেওঁ কাগজ, কলম, চিয়াঁহী হাতেৰে চুই পোৱা নাই, মুখেৰেহে সকলো কথা কৈ গৈছে। তেওঁ সুন্দৰ সুন্দৰ ভজন ৰচনা কৰাৰ কথা জানিব পাৰি। গুৰু নানকে অসাধাৰণ প্ৰতিভাৰে সৃষ্টিতত্ত্বৰ গূঢ়াৰ্থ উপলব্ধি কৰি সমসাময়িক সমাজখনৰ দুৰ্যোগ আঁতৰাই সাম্য আৰু মৈত্ৰীৰ ওপৰত প্ৰতিষ্ঠিত সমাজ এখনৰ কথাকে তেওঁৰ গীত-পদৰ মাজেৰে কৈ গৈছে। তেওঁৰ ৰচনাবোৰ 'গুৰু গ্ৰন্থ চাহেব'ত সংগৃহীত হৈছে। তুলসী দাসক ভাৰতীয় জনতাৰ প্ৰতিনিধি কবি বুলি কোৱা হয়। 'ৰামচৰিত মানস' আৰু 'বিনয় পত্ৰিকা' এই দুখন গ্ৰন্থই তেওঁক অমৰ কৰি ৰাখিছে। প্ৰথমখনৰ আদৰ আৰু জনপ্ৰিয়তা সৰ্বজনবিদিত। দ্বিতীয়খনৰ আদৰ পণ্ডিত, গায়ক আৰু সাধকসকলৰ মাজত অধিক। স্বামী ৰামানন্দৰ দ্বাৰা প্ৰভাৱিত হোৱাত যিদৰে ভক্ত-কবিসকলে হিন্দী ভাষাত ৰাম উপাসনাৰ আলমত বিপুল সাহিত্য ভাণ্ডাৰ গঢ়ি তুলিলে সেইদৰে বল্লভাচাৰ্যৰ অনুপ্ৰেৰণাত ব্ৰজভাষাত বিশিষ্ট ভক্তি সাহিত্যৰ সৃষ্টি হ'ল। ধৰ্ম প্ৰচাৰ কৰিবলৈ বল্লভাচাৰ্যই কেইবাখনো পুথি ৰচনা কৰে। তাৰ ভিতৰত 'অনুভাষ্য' আৰু ভাগৱতৰ 'সুবোধিনী ব্যাখ্যা' উল্লেখযোগ্য।

ব্ৰজভাষাত ৰচনা কৰা সুৰদাসৰ গীত-পদৰ সংগ্ৰহ 'সুৰ সাগৰ' ভক্তি সাহিত্যৰ এক অমূল্য সম্পদ। 'সুৰ-সাগৰ' শ্ৰীমদ্ভাগৱতৰ আধাৰত ৰচিত। সুৰদাসৰ কৃতি সুৰ সাগৰ তেওঁৰ সমসাময়িক পৰিস্থিতিৰ সৈতে সম্বন্ধযুক্ত হ'লেও ইয়াৰ আবেদন সৰ্বকালীন আৰু চিৰন্তন। কৃষ্ণভক্ত কবিসকলৰ ভিতৰত ভক্ত কবি মীৰাবাঈৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মধ্যযুগীয় গুজৰাটী সাহিত্যৰ এগৰাকী উল্লেখযোগ্য কবি হিচাপেও মীৰাবাঈৰ খ্যাতি আছে। মীৰাবাঈ ধৰ্ম প্ৰচাৰিকা নাছিল, তেওঁ কৃষ্ণ প্ৰেমত গীত ৰচনা কৰিছিল। ভাৰতীয় ভক্তি সাহিত্যত মীৰাবাঈৰ ভজনবোৰে আজিও বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

পূব ভাৰতত চৈতন্যদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগে লগে কলাৰ দিশত সাহিত্য, সংগীত আৰু নাটকতো নতুন যুগৰ সূচনা হ'ল। চৈতন্যদেৱৰ বৈষ্ণৱ ধৰ্ম আৰু আন্দোলনে মধ্যযুগীয় বঙলা সাহিত্যক চহকী কৰি তুলিছে। চৈতন্যদেৱকো এগৰাকী পদাকাৰ ৰূপে অভিহিত কৰা হয়। তেওঁ নিজৰ মতৰ সমৰ্থনত কোনো গ্ৰন্থ বা ভাষ্য ৰচনা কৰা নাই। কিন্তু সংস্কৃতত ৰচনা কৰা 'শিক্ষাস্তক' তেওঁৰ অন্যতম কীৰ্তি। চৈতন্যদেৱৰ শিষ্যসকলৰ হাতত ভক্তি আন্দোলনে বিশেষভাৱে প্ৰসাৰ লাভ কৰে। এই প্ৰসংগত চৈতন্যদেৱৰ ছজন শিষ্যৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁলোক একেলগে 'ষট্ গোস্বামী' নামেৰে পৰিচিত। তেওঁলোকে বৃন্দাবনক সাধনাৰ কেন্দ্ৰৰূপে স্থাপন কৰিলে আৰু চৈতন্য সম্প্ৰদায়ৰ ভক্তিধাৰাক শাস্ত্ৰীয় ৰূপ দিবলৈ কেইবাখনো মহত্বপূৰ্ণ গ্ৰন্থ ৰচনা কৰে। সেইবোৰৰ ভিতৰত ৰূপ গোস্বামীয়ে ৰচনা কৰা 'ভক্তি ৰসামৃতসিন্ধু', 'উজ্বল নীলমণি' আৰু 'লঘুভাগৱতামৃত' প্ৰধান। ষট্ গোস্বামীৰ এজনৰ বাহিৰে বাকী পাঁচজনে বৈষ্ণৱ ধৰ্মৰ বিভিন্ন দিশকলৈ গ্ৰন্থ ৰচনা কৰে। কিন্তু ৰচনাৰ মাধ্যমৰূপে তেওঁলোকে সংস্কৃত ভাষাহে ব্যৱহাৰ কৰিছিল। চৈতন্যদেৱে বংগদেশৰ উপৰিও উৰিষ্যাতো ধৰ্ম প্ৰচাৰ কৰিছিল। উৰিষ্যাত সৰলা দাসে 'মহাভাৰত', 'জগন্নাথ দাসে 'ভাগৱত', বলৰাম দাসে 'ৰামায়ণ' আৰু অচ্যুতানন্দই 'কৈৱৰ্ত্ত গীতা', 'গোৱালংক ওগাল' আদি গ্ৰন্থ ৰচনা কৰে।

পঞ্চদশ শতিকাত অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে মহাপুৰুষ শংকৰদেৱ আৰু তেওঁৰ অনুগামীসকলে অশেষ সাধনাৰ দ্বাৰা এক বিৰাট বৈষ্ণৱ সাহিত্য গঢ়ি তুলিলে। শংকৰদেৱৰ উপৰিও মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী আদি কবিসকলে এই বিশাল সাহিত্য ভাণ্ডাৰ গঢ়াত অৰিহণা যোগালে। কাব্য, নাট, গীত, তত্ত্বমূলক, নাম-প্ৰসংগমূলক আদি বিবিধ সাহিত্য ৰচনাৰ যোগেৰে অসমীয়া ভক্তি সাহিত্যই চহকী তথা সমৃদ্ধিশালী ৰূপ লাভ কৰিছে। এওঁলোকে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে ভাগৱত পুৰাণ-গীতা আদিৰ পৰা বিষয়বস্তু বা কাহিনী সংগ্ৰহ কৰি বিষ্ণু বা শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰচাৰ কৰিছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে মধ্যযুগৰ ভক্তি আন্দোলনৰ ফলত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত ভালেসংখ্যক সাহিত্য ৰচিত হৈছিল। এই সাহিত্যসমূহৰ উদ্দেশ্য আছিল ভক্তি ধৰ্ম প্ৰচাৰ কৰা। ভক্তি ধৰ্ম প্ৰচাৰ কৰিবলৈ ভক্ত কবিসকলে সংস্কৃত-ব্ৰজাৱলী আৰু প্ৰাদেশিক ভাষাত এই সাহিত্যসমূহ ৰচনা কৰিছিল। যদিও এই তিনিওটা ভাষাতে সাহিত্য ৰচিত হৈছিল, তথাপি তুলনামূলকভাৱে প্ৰাদেশিক ভাষাৰ গুৰুত্ব অধিক আছিল।

দূৰভাষ ঃ ৮৮২২০৮৩১৪৮

# সপোনৰ সমাধি

বিনু দেৱী

গল্প



> ...শৰালি হাঁহৰ জাক এটা উত্তৰৰ পৰা দক্ষিণলৈ উৰা মাৰিছে ওচৰৰ বিলখনৰ পৰা। দক্ষিণমুৱা হাঁহৰ জাকটো এডাল বেঁকা ৰেখাৰ দৰ কলকলাই আকাশেদি উৰি গৈ দিগন্তত অদৃশ্য হৈছে। দক্ষিণ ফালে সুদূৰত নীলাভ কাৰ্বি পাহাৰ। বাৰিষা বানপানী সোমাই বাবে বিল-খালবোৰত মাছ উভৈনদী হৈ থাকে। দিনান্তত সূৰ্যদেৱতাৰ সৈতে মেঘৰ সাৰটা-সাৰটি। ৰাঙলী হৈ পৰা মেঘবোৰৰ পাহাৰৰ শিখৰত কি যে লুকাভাকু খেল। তাই নিজকে যোড়শীজনী যেন লাগিল। মনটো চঞ্চলা চপলা হৈ উঠিল। কৈশোৰতে আহুধানৰ টঙীত শুই-শুই মেঘৰ আঁৰে আঁৰে লুকভাকু খেলা সপোনবোৰে পাখি মেলি উৰিবলৈ ধৰিলে। নিজৰ গাল দুখন সোতোৰা হাত দুখনেৰে এবাৰ চুই চালে। আছেনে তাহানিৰ দৰে নিমজ ধুনীয়া হৈ? লাহেকৈ নিজৰ কোঠালিটোলৈ উঠি গ'ল। বাৰান্দাখনে থকা কোঠা। বাতবিষে মানুহজনীক তেনেই কোঙা কৰিছে। এদিনাখন কুঁৱাৰ পাৰত পিচলি পৰি ভৰি আৰু কঁকালত বেয়াকৈ আঘাট পালে...

উজনিমুৱা 'ৰাজধানী এক্সপ্ৰেছ' ৰেলগাড়ীখন দেখাত কেৰেলুৱা এটাৰ দৰে বেগাই আগবাঢ়ি গৈ আছে। শেষৰটো ডবা চকুৰ আঁৰ নোহোৱালৈকে লনীয়ে চাই থাকিল। তেওঁৰ ঘৰটো এটা টিলাৰ ওপৰত। গতিকে তাৰ পৰা বহু আঁতৰলৈকে দেখি। গছ-গছনিৰে পৰিৱেষ্টিত, এক নান্দনিক পৰিৱেশ। আঘোন মাহ। পথাৰখন সুন্দৰ ফুলাম দলিছা এখন পাৰি থোৱা যেন লগা হৈছে। শালি ধানৰ মাজে মাজে একো চকলা ক'লা জহা, কোনো চকলা আকৌ তিল বৰা, নগাবৰা ইত্যাদি। সঁচাকৈয়ে পথাৰৰ ৰূপত জগত বিভোৰ। খেতিয়কৰ সপোনবোৰে লহপহকৈ বাঢ়ি ভৰপক অৱস্থা এয়া। হৃদয়ত অযুত সপোনে মালা গাঁথে। আবেলিৰ ৰ'দে ৰঙচুৱা সোনালী পথাৰ। কোনোবাই পথাৰৰ মাজেৰে সুহুৰিয়াই মনৰ উলাহত আগবঢ়িছে। কোনোৱে দাইছে। ব্যস্ততাৰ অন্ত নোহোৱা দিন।

শৰালি হাঁহৰ জাক এটা উত্তৰৰ পৰা দক্ষিণলৈ উৰা মাৰিছে ওচৰৰ বিলখনৰ পৰা। দক্ষিণমুৱা হাঁহৰ জাকটো এডাল বেঁকা ৰেখাৰ দৰ কলকলাই আকাশেদি উৰি গৈ দিগন্তত অদৃশ্য হৈছে। দক্ষিণ ফালে সুদূৰত নীলাভ কাৰ্বি পাহাৰ। বাৰিষা বানপানী সোমাই বাবে বিল-খালবোৰত মাছ উভৈনদী হৈ থাকে। দিনান্তত সূৰ্যদেৱতাৰ সৈতে মেঘৰ সাৰটা-সাৰটি। ৰাঙলী হৈ পৰা মেঘবোৰৰ পাহাৰৰ শিখৰত কি যে লুকাভাকু খেল। তাই নিজকে যোড়শীজনী যেন লাগিল। মনটো চঞ্চলা চপলা হৈ উঠিল। কৈশোৰতে আহুধানৰ টঙীত শুই-শুই মেঘৰ আঁৰে আঁৰে লুকভাকু খেলা সপোনবোৰে পাখি মেলি উৰিবলৈ ধৰিলে। নিজৰ গাল দুখন সোতোৰা হাত দুখনেৰে এবাৰ চুই চালে। আছেনে তাহানিৰ দৰে নিমজ ধুনীয়া হৈ? লাহেকৈ নিজৰ কোঠালিটোলৈ উঠি গ'ল। বাৰান্দাখনে থকা কোঠা। বাতবিষে মানুহজনীক তেনেই কোঙা কৰিছে। এদিনাখন কুঁৱাৰ পাৰত পিচলি পৰি ভৰি আৰু কঁকালত বেয়াকৈ আঘাট পালে। চুচৰি বাগৰি পেচাব পাইখানা কৰিবলৈ যাব লাগে। সেয়েহে পো-বোৱাৰীয়ে বাৰান্দাখনে উপযোগী হ'ব বুলি ভাবিলে। ভবা মতেই কাম। পিছদিনাই ঢাৰি দুখনেৰে বেৰি বাৰান্দাতে থকা খোৱাৰ ব্যৱস্থা কৰি দিলে। দবাপিটা বৰষুণত পো-বোৱাৰী দুৱাৰ জপাই ভিতৰত থাকে তেওঁ ভিজিবুৰি তাতে থাকে। পানী থৈ দিয়ে পেচাব পাইখানা আৰু গা ধুবৰ বাবে। খাবলৈ কলহ এটাত পানী আৰু ভঙা এলুমিনিয়ামৰ কাহী বাতিত ভাত।. দুটোপাল চকুলো নিগৰি আহিল। আছেনে কোনোবা এনে দুৰ্ভগীয়া? কথা এষাৰ পাতিবলৈও আজি ওচৰত কোনো নাই। পো-বোৱাৰী কোনোবা দূৰ সম্পৰ্কীয়ৰ বিয়া এখনলৈ গৈছে। পিছদিনাহে অহাৰ কথা। নিঃসংগ জীৱন।

খেপিয়াই খেপিয়াই জুইশলা বাহটো বিচাৰি চাকিটো জ্বলালে। ইতিমধ্যে ৰাতিও হৈ আহিল। আকাশত কৃষ্ণা পঞ্চমীৰ জোনটো নিস্তেজ হৈ দেখা দিছে। কাঁহীত ভাত কেইটামান থৈ গৈছে যদিও খাবলৈ মন নগ'ল। ফটা ছিটা কঠা-কম্বল কেইখন গাত লৈ নেদেখা জনৰ নাম লৈ শুবলৈ যত্ন কৰিলে। জুই একুৰাৰ উম ল'ব পৰা হ'লে! তাই ভাবিলে। নাতি দূৰত কুকুৰৰ ভুকভুকনি। গাঁৱৰ ৰাজহুৱা নামঘৰত প্ৰণাম জনালে। বুকুৰ ভিতৰত সেউজ হৈ থকা অতীতে সংগোপনে প্ৰকাশ হ'বলৈ ধৰিলে।

দুটা ককায়েকৰ তলত একমাত্ৰ ভনীয়েক লনী। দেখাই-শুনাই দহজন ডেকাক বলিয়া কৰিব পৰা সৌন্দৰ্য্যৰ গৰাকী আছিল। মাক-বাপেকে হেঁপাহেৰে ঠিক কৰা বিয়াখন নেওচা দি গাঁৱৰে আহোম সম্প্ৰদায়ৰ ল'ৰা যদুৰ সৈতে উজনি অসমৰ পৰা নামনি অসমৰ সোণাপুৰলৈ গুছি আহে। পৰিয়ালক বিশ্বাসঘাটকতা কৰিয়েটো তাই গুছি আহিছে। ব্ৰাহ্মণ সম্প্ৰদায়ৰ লনী আৰু আহোম সম্প্ৰদায়ৰ যদুৰ সম্পৰ্ক মানি ল'ব নোৱাৰি। কিছুদিন ককায়েকহঁতে গুজৰি গুমৰি থাকি পাছত নিতাল মাৰিলে। তেওঁলোকক এৰি লনী কিছুদিন অবুজ বেদনাত থাকিল যদিও যদুৰ এবুকু মৰমত তাই ডুব গ'ল। মাক-দেউতাকো তাইৰ শোকত কেতিয়াবাই সিফলীয়া হ'ল।

দুয়ো সোণাপুৰত ভাড়াঘৰ এটিত থাকিবলৈ ল'লে। যদুৱে মাৰোৱাৰী কাপোৰৰ দোকান এখনত 'চেলচমেন' হিচাপে থাকি সংসাৰ চলালে। এটিএটিকৈ চাৰিটি সন্তান তেওঁলোকৰ মাজলৈ আহিল। ওচৰতে দুকঠা মাটি কিনি নিজাকৈ ঘৰ এটা সজালে। আকাল নাই ভঁৰালো নাই তেওঁলোকৰ। সন্তান কেইটিৰ তিনিজনী ছোৱালী এটি ল'ৰা। সময়ত প্ৰথমজনী ছোৱালী বিয়া দিলে যদিও বাকী দুজনী নিজে নিজেই পাত্ৰ বিচাৰি আঁতৰি গ'ল। একমাত্ৰ ল'ৰাৰ ইচ্ছানুযায়ী বিয়া পাতিলে। ছোৱালীহঁত নিজৰ নিজৰ সংসাৰ লৈ ব্যস্ত।

জীৱনটো সুখ দুখৰ সমষ্টি। ৰথৰ চকাৰ দৰে হেনো ঘূৰি থাকে। তাইৰো সুখৰ দিনৰ অন্ত হ'ল। এদিনাখন শাকনি বাৰীত কাম কৰি থাকোতে গিৰিয়েক যদুই বুকুত বিষ অনুভৱ কৰিলে। এয়েই যেন কাল হ'ল। সেইবাৰলৈ ৰক্ষা পৰিল যদিও প্ৰায় সাতমাহ মানৰ পিছত আকৌ সেই বিষটোৱে উক দিলে। পত্নীক কিবা ক'ব খুজিও যেন জিভা নুঘূৰিলে। সন্তান, পত্নীক এৰি অজান মুলুকলৈ গুছি গ'ল। লনীয়ে দিকবিদিগ হেৰুৱালে। সন্তান কেইটি বুকুত বান্ধি কোনোমতে দিনবোৰ অতিবাহিত কৰিবলৈ মনটোত সাহস গোটাবলৈ যত্ন কৰিলে। বয়স বাঢ়ি আহিছে কিন্তু সংগ কমি আহিছে। বয়সীয়া শৰীৰটোত কিমান যে বেমাৰে বাহ ল'বলৈ আৰম্ভ কৰিছে সিহঁতৰ ভৰত দেহটো কোঙা হৈছে। বাগৰ সলাই টোপনি যাবলৈ যত্ন কৰিলে। পিছে চিৰলগৰী বাতবিষে নিজৰ অস্তিত্ব প্ৰমাণ কৰি দিলে। উঃ, উ-উহ। বিষত লনীৰ সৰ্বশৰীৰ জৰ্জৰিত। ওচৰৰ কদম গছ জোপাত হুদু চৰাই এটি পাখি জপজপকৈ পৰি হু-দু, হু-দুকৈ তাৰ কৰ্কশ মাতটোৰে মাতিলে। পৰিৱেশটো বেছি গহীন হৈ পৰিল। ভগৱানৰ নামলৈ চকুদুটা মুদি টোপনি যাবলৈ বৃথা চেষ্টা কৰিলে। বিতৃষ্ণা আহিছে নিজৰ প্ৰতি। সোণকালে ইতি পৰক এই শৰীৰটো পিছে আয়ুস ৰেখাডাল দীঘল হোৱা যেনহে লাগে।

'লনী' হঠাৎ তাইৰ স্বামীৰ অবিকল মাত। তেওঁতো কেইবা বছৰ আগতে স্বৰ্গী হৈছে। তেনেহ'লে কেনেকৈ সম্ভৱ জানো? পুনৰ শুনিবলৈ বিচাৰি বিফল হ'ল।


তাইৰ স্বামীয়ে হৃদয়, মন, মগজু আৱৰি আছে। সম্পূৰ্ণ নিঃসংগ অৱস্থাত তাৰেই প্ৰতিফলন নহয়তো? বিস্ময় মানিছে। 'হে প্ৰভু, তুমিহে জানা। তোমাৰ মহিমা আমি কেনেকৈ বুজিম?'

লনীয়ে প্ৰায়ে গোৱা বৰগীত ফাকি গুণগুণালে—'পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে—।'

## ভাষা

■ জ্যোৎস্না দাস

ওপজি পুৱা চকু মেলি
শুনিলো আইৰ ভাষা
এই ভাষাতে মই হাঁহো-কান্দো
কথা পাতো-গান গাওঁ
শব্দৰ কৰ্মশালা গঢ়ো
উশাহ লওঁ-ৰ'দ পুৱাও
হিমালয়তকৈ ওখ
নদীৰ গতিতকৈ খৰস্ৰোতা
হৃদয় কঁপোৱা
মোৰ আইৰ ভাষা
নিঃসঙ্গ বিহঙ্গৰ দৰেই আজি
মোৰ ভাষাটোৱে ছটফটাইছে
বৰ ঘৰৰ মজিয়াত
কোনে জুই দিলে
কোনে কাঢ়ি নিলে
সোণ-ৰূপৰ-মাণিকৰ পেৰা
গুটি ধানৰ ভঁড়ালত
বৰবিহ ঢালিলে
বঙহৰ শিপাক সমাধি সজালে
ক'ৰবাত—
মাজৰাতি কেতেকীজনীয়ে
অতি করুণসুৰে বিনাইছিল
ভাষাটোৰ অপমৃত্যুৰ শংকাত
চগাবোৰে আত্মাহুতি কৰিব প্ৰয়াসিছিল
ভাষাটোৰ ৰক্ষাৰ বাবে
হওঁক মৃত্যু সংকল্প আমাৰ
নহ'লে যে মমডালিৰ দৰেই
গলি-গলি নিশেষ হৈ যাব
মুখৰ আইৰ মুখৰ ভাষা।





## বিজয়ৰ ধ্বজা উৰামেই


■ চবিন চন্দ্ৰ নাথ

কাঁচি য়লিয়ে চজিনাজোপাৰ মাজেৰে আহি
মোৰ বুকুত স্থাপিত কৰিলে
সুতপুত্ৰ কৰ্ণৰ অব্যৰ্থ কৱচ
চাৰিযুক্ত চকাৰ ৰথৰ ৰণুৱা ঘোঁৰাই
আকাশ ধুৱলি-কুঁৱলি কৰি
মুখামুখি হ'ল সহস্ৰ পদাতিক
অপসংস্কৃতিৰ ৰণুৱা সেনাৰ সৈতে
প্ৰশান্তৰ বক্ষৰে
ঢৌবোৰে ভাঙি ছিঙি
তুলুঙা নাওঁখনেৰে আগুৱাই যাওঁ
সময়বোৰ পানচৈ বান্ধি লৈ
নীড়মুখী পক্ষীজাকৰ ঘাটলৈ গৈ
নাশ কৰিম দুখৰ ডায়েৰীত লিপিবদ্ধ
হেঙুল হাইতাল বধৰ ক'লা ডাৱৰ
দূৰত ঢুকি নোপোৱা এভাৰেষ্ট শৃংগত থাকিলেও
লৈ আনিম
এটি নেজাল তৰাৰ দৰে
সাহসী এপাট তীৰ।
আজি বিজয়ৰ ধ্বজা
নভোমণ্ডলত উৰামেই।

## শৈশৱৰ মধুময় ক্ষণ

■ ড° মঞ্জু কলিতা

আজিও পৰে যে মনত
কি কৰিছিলো শৈশৱৰ
সেই মধুময় ক্ষণত।
মনত পৰে জহৰ দিনত
আইতাৰ সৈতে শুইছিলো
তৰাৰে ফুল বনা চাকা মুকলি
আকাশৰ তলত
সুধিছিলো, আকাশত কিমান তৰা আছে
অসংখ্য গণিব নোৱাৰি
আইতাই কৈছিল একে উশাহতে।
লভিছিলো সংখ্যাৰ জ্ঞান
তেনেকৈয়ে একো নজনাকে।
তিৰবিৰাই থকা তৰাৰ মাজত
পোহৰৰ সৌটো আলিৰে
কোন যাই ককা?
ভাইটিৰ জানিবলৈ কিমান যে ইচ্ছা
ককাৰ উত্তৰ আছিল একেবাৰে সস্তা
সেইটো হেনো ঐৰাৱতৰ ৰাস্তা
ভাইটিয়ে বুজিছিল
হয় সেইটোৱেই হাতীপটী
কিতাপত আছে সেই বুলি।
ডাঙৰ বিচনীৰে বিচি বিচি আইতাই
বহুতো সাধু আমাক কৈ যায়।
ৰ' লাগি শুনিছিলো
বহু কথাই শিকিছিলো
সেইয়াই আছিল আইতাৰ পঢ়াশালি
আইয়ে যোগান ধৰিছিল
বাৰীৰ পকা আম, সুমিষ্ট কঁঠাল
দেউতাই লৈছিল ক্ষন্তেক বিশ্ৰাম
বাৰিষাৰ পথাৰত পেলাই আহিছে
কপালৰ কোচাম।
বৰ্তমানৰ যান্ত্ৰিকতাত হেৰাই যাব নেকি
সেই মধুৰ মধুৰ লগা ক্ষণ
তাকে ভাবি মাজে মাজে
গধুৰ হয় চোন মন।



# চামগুৰি ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়তনাহে বিষয়া-কৰ্মচাৰী ঃজিলা আয়ুক্তক ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় ৰাইজৰ



**বাতৰি কাকত, পুৰণিগুদাম,৩০ মে'ঃ** নগাঁও জিলাৰ চামগুৰিৰ এটা গুৰুত্বপূৰ্ণ কাৰ্যালয় হৈছে চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়। কিন্তু কাৰ্যালয়টোৰ কৰ্মচাৰীৰ কৰ্মসংস্কৃতিৰ নমুনা আৰু কাৰ্যালয়টোৰ কৰ্দযময় ৰূপে এতিয়া সকলোকে হতচকিত কৰি তুলিছে। ভৰ দুপৰীয়ালৈকে কাৰ্যালয়লৈ কৰ্মচাৰী নহাৰ লগতে কাৰ্যালয়টো আৱৰ্জনাই ভৰি পৰিছে। কিন্তু এইসমূহ কথাৰ প্ৰতি কাণসাৰ নাই চামগুৰি ৰাজহ চক্ৰ বিষয়াগৰাকীৰ। নিজৰ অধীনস্থ কাৰ্যালয়টো কিদৰে পৰিস্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগে তাৰ প্ৰতি মুঠেও গুৰুত্ব নাই চামগুৰি ৰাজহ চক্ৰ বিষয়াগৰাকীৰ। যাকলৈ এতিয়া স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শেহতীয়াভাৱে আজিও ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত একেই পৰিৱেশেই দেখিবলৈ পোৱা গ'ল। দিনৰ ১২ বজালৈকে কাৰ্যালটোৰ অধিকাংশ বিষয়া-কৰ্মচাৰী সময়মতে কাৰ্যালয়লৈ নহাৰ ফলত কাৰ্যালয়টোৰ অধিকাংশ চকীয়েই খালী হৈ পৰি থাকিল। যাৰ ফলত বিভিন্ন গুৰুত্বপূৰ্ণ কামৰ বাবে কাৰ্যালয়টোলৈ অহা সাধাৰণ জনতাই দুৰ্ভোগ ভুগিবলগীয়া হৈছে। উল্লেখ্য যে, সততে নগাঁও জিলাখনৰ চৰকাৰী কৰ্মচাৰীৰ দায়িত্বৰ প্ৰতি সৰৱ হৈ থকা নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই চামগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ এই ৰূপ দেখি এতিয়া কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষণীয় হ'ব।

# ৰামদিয়া বৰবুঢ়াপাৰা নিবাসী হৰমোহন (সুনন্দ)ডেকাৰ মৃত্যু

**বাতৰি কাকত,হাজো,৩০ মে'ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সত্ৰনগৰী ৰামদিয়াৰ মাজৰকুৰিৰ বৰবুঢ়াপাৰা নিবাসী সুনন্দ ডেকাৰ নিশা ভাগত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁ এগৰাকী অসম গণ পৰিষদৰ নিষ্ঠাবান জ্যেষ্ঠ কৰ্মী হোৱাৰ উপৰি ৰামদিয়া হিতসাধিনী সভাৰ একনিষ্ঠ সেৱকৰ উপৰিও অঞ্চলটোৰ একাধিক অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত আছিল। এইগৰাকী ব্যক্তিৰ মৃত্যুত অঞ্চল জুৰি শোকৰ ছাঁ পৰে। হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস অগপ নেতা মখলেশ্বৰ ৰহমান ,সমাজকৰ্মী অতুল চন্দ্ৰ কাকতি ৰামদিয়া পুথিভঁৰাল আৰু সামূহিক সাংস্কৃতিক কেন্দ্ৰৰ সম্পাদক দিলীপ ঠাকুৰীয়া ,ৰামদিয়া হিত সাধিনী সভাৰ সম্পাদক কুলজ্যোতি তালুকদাৰ, ভোগৰাম গুণেইবালা স্মৃতি ন্যাসৰ সম্পাদক ৰজত চন্দ্ৰ ভৰালী, লেখক পৰমানন্দ ডেকা,অৰূপ কাকতিসহ অলেখ গুণমুগ্ধই বিদেহ আত্মাৰ সদ্গতি কামনাৰ্থে সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ বোৱাৰী সহ বহু আত্মীয় স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ আয়োজনৰ প্ৰস্তুতি

**ডিব্ৰুগড় ,৩০ মে'ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ উচ্চ শিক্ষানুস্থান শিক্ষানুষ্ঠান ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ত অহা ২৬ আৰু ২৭ জুনত দুদিনীয়া কাৰ্যসূচীৰে এখনি আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিশ্চয়তা কোষ আৰু ইংৰাজী বিভাগৰ উদ্যোগত, তথা জ্যোতি ললিতা কানৈ ফাউণ্ডেচনৰ সহযোগত আয়োজিত এই আলোচনা চক্ৰৰ মূল বিষয় হৈছে মানৱ যোগাযোগৰ ক্ৰমবিকাশৰ ৰূপৰেখা: প্ৰযুক্তিগত, অৰ্থনৈতিক আৰু সামাজিক পৰিসৰ ।আলোচনাত যুক্তৰাষ্ট্ৰৰ বৃষ্টল বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা তাৰা পুৰী অনলাইন মাধ্যমত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব। সমল ব্যক্তি হিচাপে উপস্থিত থাকিব হাৰিয়ানাৰ আৰ কে এছ ডি পি জি কলেজৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক সূৰুজ ৱালিয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক সুৰেণ্ডৰ সিং। আয়োজক মণ্ডলীয়ে দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰ গৱেষক, শিক্ষাবিদ, ছাত্ৰ-ছাত্ৰী, পলিচি নিৰ্মাতা, মিডিয়া বিশেষজ্ঞ আৰু দাৰ্শনিকসকলৰ পৰা গৱেষণা পত্ৰৰ আহ্বান জনাইছে। গৱেষণা পত্ৰৰ সাৰাংশ জমা দিয়াৰ অন্তিম তাৰিখ অহা ১০ জুনত নিৰ্ধাৰণ কৰা হৈছে। আলোচনা চক্ৰৰ মুখ্য উপদেষ্টা মহাবিদ্যালয়ৰ অধ্যক্ষ জয়দেব গগৈ আৰু মুখ্য পৃষ্ঠপোষক ডিব্ৰুগড়ৰ উদ্যোগী সমাজসেৱক তথা চাৰ্টাৰ্ড একাউণ্টেণ্ট জ্যোতি প্ৰসাদ কানৈয়ে সকলোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলাৰ কৰাৰ আহ্বান জনাইছে। "এই সন্দৰ্ভত অধিক তথ্য মহাবিদ্যালয়ৰ ৱেবচাইটত উপলব্ধ আছে বুলি আলোচনা চক্ৰৰ সমন্বয়ক লুকু মৰাং, সহযোগী সমন্বয়ক ইপ্সিতা ভট্টাচাৰ্য আৰু নাজৰানা হকে জানিবলৈ দিয়ে।

# ছিপাঝাৰত নাট্যকাৰ-পৰিচালক, অভিনেতা-অভিনেত্ৰী, কলা-কুশলী সন্মিলন

**বাতৰি কাকত, ছিপাঝাৰ, ৩০ মে'ঃ** অসম সাহিত্য সভাৰ পৰা দুবাৰকৈ শ্ৰেষ্ঠ শাখাৰ বঁটা লাভ কৰা ছিপাঝাৰ সাহিত্য সভাৰ শতবৰ্ষ উদ্‌যাপনৰ সামৰণী অনুষ্ঠান চলিত বৰ্ষৰ ২৭, ২৮ আৰু ২৯ নৱেম্বৰত অনুষ্ঠিত হ'ব। ইতিমধ্যে মূল উদ্‌যাপন সমিতিৰ উপৰি কেইবাখনো উপ-সমিতি গঠন কৰি প্ৰস্তুতিমূলক কাম-কাজ অব্যাহত ৰখা হৈছে। ইয়াৰ অংশ কাৰ্যসূচী হিচাপে সাংস্কৃতিক উপ-সমিতিৰ উদ্যোগত অনুষ্ঠিত হয় নাট্যকাৰ-পৰিচালক, অভিনেতা-অভিনেত্ৰী, কলা-কুশলী সন্মিলন। ছিপাঝাৰ সাহিত্য সভাৰ স্মৃতি ভৱনত অনুষ্ঠিত অনুষ্ঠানটি আকাশৰ শিল্পীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীত পৰিৱেশন কৰি আৰম্ভণি কৰে। ছিপাঝাৰ সাহিত্য সভাৰ সম্পাদক হেৰম্ব কুমাৰ শইকীয়া, সাংস্কৃতিক উপ-সমিতিৰ সম্পাদক যুগল চহৰীয়াই উদ্দেশ্য ব্যাখ্যা কৰা আৰু ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি প্ৰসন্ন কুমাৰ নাথে সঞ্চালনা কৰা অনুষ্ঠানত উপস্থিত থাকে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশী। এগৰাকী নাট্যকাৰ-পৰিচালক হিচাপে থকা দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে বিধায়ক ৰাজবংশীয়ে নাট্য-সাহিত্যৰ ওপৰত বিশ্লেষণাত্মক বক্তব্য দাঙি ধৰে। ভাষণ প্ৰসংগত তেওঁ ছিপাঝাৰত শীত-তাপ নিয়ন্ত্ৰিত সাতশ-এহেজাৰ দৰ্শক বহাৰ সুবিধা থকা অত্যাধুনিক ৰাজহুৱা প্ৰেক্ষাগৃহ এটি নিৰ্মাণ কৰাৰ আশ্বাস প্ৰদান কৰে। শতবৰ্ষ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি চন্দ্ৰ কান্ত নাথ, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শশীধৰ নাথ, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, নাট্য প্ৰদীপ ৰজনীকান্ত নাথে সাহিত্য-সংস্কৃতিৰ ওপৰত বক্তব্য প্ৰদান কৰে। মনোগ্ৰাহী অনুষ্ঠানত নিজা অনুষ্ঠান পৰিৱেশন কৰা নাট্যকাৰ-পৰিচালক, অভিনেতা-অভিনেত্ৰী, কলা-কুশলীসকল—সুশীল কুমাৰ নাথ, তুষাৰ নাথ, অভিনৱ হাজৰিকা, মীৰা ৰাজবংশী, অসীম কুমাৰ নাথ, কল্প কুমাৰ ডেকা, নিৰিবিলি হাজৰিকা, প্ৰতুল চহৰীয়া, বকুল শৰ্মা, জয়ন্ত শইকীয়া, অমূল্য দাস, দিলীপ নাথ, কংকন ভূঞা, ময়ূৰাক্ষী ভট্টাচাৰ্য, চাংকু নিৰঞ্জন নাথ, বনলতা দেৱী, জিতেন চহৰীয়া, গোপাল কৃষ্ণ ডেকা, অনন্ত চহৰীয়া, মুন মহন্ত, তীৰ্থ নাথ শৰ্মা, গগন কুমাৰ নাথ, খনীন্দ্ৰ কুমাৰ নাথ আৰু মণ্টু চহৰীয়া। উল্লেখ্য যে ৰাষ্ট্ৰীয় পৰ্যায়ৰ নাট্যকৰ্মী অসীম কুমাৰ নাথে নাট ৰচনা, পৰিচালনা আদিৰ ওপৰত বক্তব্য প্ৰদানৰ সময়ত ছিপাঝাৰত যে এটি ৰাজহুৱা প্ৰেক্ষাগৃহৰ অভাৱ হৈ আছে, সেই বিষয়ত উনুকিয়াই দিয়ে। অনুষ্ঠানত ছিপাঝাৰ সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি গিৰীশ নাথে শলাগ জ্ঞাপন কৰে।



# ৰূপম কলাকেন্দ্ৰৰ ১৯ সংখ্যক বাৰ্ষিক অনুষ্ঠান সম্পন্ন

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ ৩০ মে'ঃ** শিৱসাগৰৰ ৰূপম কলা কেন্দ্ৰৰ বাৰ্ষিক অনুষ্ঠান ( শিৱসাগৰ নগৰৰ হিন্দু ধৰ্মসভা নামঘৰৰ প্ৰেক্ষাগৃহত সফল সামৰণি হয়। কাৰ্যসূচীৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক তথা বিশিষ্ট লেখক সীমান্ত বৰুৱাই। ইয়াৰ পাছতে সভাৰ উদ্দেশ্য ব্যাখা কৰে ৰূপম কলা কেন্দ্ৰৰ অধ্যক্ষ ৰূপম বেজবৰুৱাই ।ইয়াৰ পাছত শশাংক জ্যোতি কলিতাই আঁত ধৰা অনুষ্ঠানত ৰূপম কলা কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক চিত্ৰাংকন পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী আৰু অসম ভিত্তিত তৃতীয় বাৰ্ষিক চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলৰ লগতে চিত্ৰাংকন পৰীক্ষাত ডিষ্টিংচন লাভ কৰা ১০৭ জন ছাত্ৰ-ছাত্ৰীক মানপত্ৰ প্ৰদান কৰে। উক্ত অনুষ্ঠানত বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যাপক সীমান্ত বৰুৱা, বিশিষ্ট সাংবাদিক তথা শিৱসাগৰ সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈ, শিৱসাগৰ ছোৱালী কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা প্ৰবিণ শৰ্মা, শিৱসাগৰ বিশিষ্ট প্ৰবীণ চিত্ৰশিল্পী মজিদা বেগম আৰু বিশিষ্ট চিত্ৰশিল্পী হৰি প্ৰসাদ দাসে নিমন্ত্ৰণ অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত ৰূপম কলা কেন্দ্ৰৰ শিৱসাগৰ নগৰ আৰু গাঁও অঞ্চলত থকা ১৪ টা শাখাত প্ৰশিক্ষণ প্ৰদান কৰি থকা অভিজিত দূৱৰা, দিপতনু সিং, কৃষ্ণ দে , ভাগ্যশ্ৰী কলিতা, জয়া ৰজক, মেহজেবিন আখতাৰ আহমেদ, অনন্যা ৰানী বৰঠাকুৰ আৰু অৰ্দীতা কোঁৱৰক সম্বৰ্ধনা জনায় ।বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি হিন্দু ধৰ্ম সভা নামঘৰ প্ৰেক্ষাগৃহত এখন প্ৰদৰ্শনী আয়োজন কৰে।যক্সত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সুন্দৰ চিত্ৰসমূহে পৰিবেশটো জীপাল কৰি তোলে। অনুষ্ঠানৰ মাজে ছাত্ৰ ছাত্ৰী সকলৰ সংগীত, নৃত্য, কবিতাই অনুষ্ঠানটো সৰ্বাংগ সুন্দৰ কৰি তোলে। উল্লেখ্য যে, ২০০৭ চনত শিৱসাগৰ নগৰত প্ৰতিষ্ঠা হোৱা ৰূপম কলাকেন্দ্ৰত চিত্ৰ, ভাস্কৰ্য ,ক্ৰাফ্ট, নাটক আদি প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে সকলো ধৰণৰ মূৰ্তি নিৰ্মাণ কৰা হয়।


# বঙাইগাঁত ১৪৩ জন যক্ষ্মা পজিটিভ ৰোগী চিনাক্ত

**বঙাইগাঁও,৩০ মে'ঃ** বঙাইগাঁও জিলাত চলি থকা হিউমেন পেপিলমা ভাইৰাছ ( এইচপিভি)প্ৰতিৰোধী টিকাকৰণ কাৰ্যসূচী আৰু এশ দিনীয়া যক্ষ্মামুক্ত ভাৰত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অগ্ৰগতি সন্দৰ্ভত মঙলবাৰে জিলা স্বাস্থ্য সেৱা বিভাগে এখন সংবাদ মেলৰ আয়োজন কৰে । বঙাইগাঁও জিলা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত অনুষ্ঠিত এই সংবাদ মেলত স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ গোপাল চন্দ্ৰ ৰায়ৰ লগতে জিলা টিকাকৰণ বিষয়া ডাঃ বীৰেন শৰ্মা, জিলা যক্ষ্মা বিষয়া ডাঃ প্ৰণৱ ৰয় আৰু বঙাইগাঁও খণ্ড মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ অনুপম শৰণীয়া উপস্থিত থাকি সবিশেষ সদৰি কৰে । সংবাদ মেলত জিলা টিকাকৰণ বিষয়া গৰাকীয়ে উল্লেখ কৰামতে বঙাইগাঁও জিলাত মুঠ ৮,১১২ গৰাকী কিশোৰীক এইচপিভি টিকাকৰণৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল আৰু ইয়াৰ ভিতৰত ৪,৩৯৫ গৰাকী হিতাধিকাৰী কিশোৰীক ইতিমধ্যে টিকাকৰণ কৰা হৈছে । শতাংশ হিচাবত জিলাখনত এতিয়ালৈকে মুঠ ৫৪ শতাংশ টিকাকাৰণ সম্পন্ন কৰা হৈছে। তেওঁ যিহেতু এইচপিভি টিকাকৰণ অভিযান সমাপ্ত হ'ব, সেয়েহে বাকী সকলো যোগ্য কিশোৰী আৰু তেওঁলোকৰ পিতৃ-মাতৃক অতি সোনকালে নিকটতম টিকাকৰণ কেন্দ্ৰত গৈ টিকাকৰণ সম্পূৰ্ণ কৰিবলৈকো অনুৰোধ জনায়। আনহাতে ইয়াৰ লগত সংগতি ৰাখি ডাঃ অনুপম শৰণীয়াই এইচ পি ভি টিকাকৰণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি কয় যে এই টিকাই মহিলাসকলৰ মাজত জৰায়ু মুখৰ কৰ্কট ৰোগ প্ৰতিৰোধ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু কিশোৰীসকলৰ বাবে এক স্বাস্থ্যকৰ ভৱিষ্যত নিশ্চিত কৰে। তেওঁ লগতে পিতৃ-মাতৃ আৰু অভিভাৱকসকলক তেওঁলোকৰ কন্যাৰ সুৰক্ষা আৰু কল্যাণৰ বাবে টিকাকৰণ কাৰ্যসূচীক সক্ৰিয়ভাৱে সমৰ্থন কৰিবলৈ আহ্বান জনায়। ইপিনে সংবাদ মেলত চলি থকা এশ দিনীয়া যক্ষ্মা অভিযানৰ দ্বিতীয় পৰ্যায়ৰ সন্দৰ্ভত জিলা যক্ষ্মা বিষয়া ডাঃ প্ৰণৱ ৰয়ে উল্লেখ কৰামতে সমগ্ৰ জিলাখনতে যক্ষ্মা পৰীক্ষা অনুষ্ঠিত কৰা হৈছে আৰু ইয়াৰ ভিতৰত প্ৰায় ৩,৪০০ জন সন্দেহজনক যক্ষ্মা ৰোগী চিনাক্ত কৰা হৈছে । যাৰ ফলত এতিয়ালৈ ১৪৩ জন যক্ষ্মা পজিটিভ ৰোগী চিনাক্ত কৰা হয় ।জিলা আঁচনি প্ৰৱন্ধক সংগীতা সিং আৰু প্ৰচাৰ মাধ্যম বিশেষজ্ঞ সঙ্গীতা দাসো উপস্থিত থকা সংবাদ মেলখনত জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ গোপাল চন্দ্ৰ ৰায়ে সকলো অভিভাৱক আৰু ছাত্ৰীসকলক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত এইচ পি ভি টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাই কয় যে ব্যক্তিগত চিকিৎসালয়ত এই টিকা অতি ব্যয়বহুল । কিন্তু চৰকাৰী কাৰ্যসূচীৰ অধীনত বিনামূলীয়াকৈ প্ৰদান কৰা হৈছে । তেওঁ কয় যে জৰায়ু মুখৰ কেঞ্চাৰ ভাৰতীয় মহিলাসকলৰ মাজত হোৱা দ্বিতীয় সৰ্বাধিক কেঞ্চাৰ । সেয়ে এই টিকা ল'লে এইচ পি ভি ভাইৰাছৰ সংস্পৰ্শৰ আগতেই দীঘলীয়া সুৰক্ষা পোৱা যায় । গতিকে চৰকাৰে ১৪ বছৰ সম্পূৰ্ণ কৰা কিশোৰীসকলৰ আগতীয়াকৈ সুৰক্ষাৰ বাবে এই টিকাকৰণ কাৰ্যসূচী গ্ৰহণ কৰিছে । এই টিকাৰ কোনো পাৰ্শ্বক্ৰিয়া নাই বুলিও জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰায়ে সংবাদ মেলত উল্লেখ কৰে । তেওঁ লগতে যক্ষ্মা ৰোগৰ আগতীয়াকৈ চিনাক্তকৰণ আৰু সঠিক চিকিৎসাৰ বাবে চৰকাৰী স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰিবলৈকো নাগৰিকসকলক অনুৰোধ জনায়। কাৰণ সজাগতা, আগতীয়াকৈ চিনাক্তকৰণ আৰু সময়মতে চিকিৎসাৰ সুবিধাৰ দ্বাৰা সমাজৰ পৰা যক্ষ্মা নিৰ্মূল কৰিব পাৰি। যিহেতু স্বাস্থ্য বিভাগে ৰাজহুৱা স্বাস্থ্য সেৱা শক্তিশালী কৰিবলৈ আৰু সমাজৰ প্ৰতিটো শ্ৰেণীলৈ অত্যাৱশ্যকীয় স্বাস্থ্যসেৱাৰ সুবিধা নিশ্চিত কৰিবলৈ নিৰন্তৰভাৱে কাম কৰি আছে, গতিকে এই সেৱাত সকলো শ্ৰেণীৰ লোকক চৰকাৰী এই সেৱা ল'বলৈ আহ্বান জনায় ।

# টংলা প্ৰেছ ক্লাবৰ নাম ফলক উঠাই মাটি কাটিলে দুৰ্বৃত্তই

**ওদালগুৰি ,৩০ মে'ঃ** তৃতীয় বাৰৰ বাবে ৰাজ্যত বিজেপিৰ চৰকাৰ আৰু চতুৰ্থ বাৰৰ বাবে বি টি চিত বিপিএফৰ চৰকাৰ সফলতাৰে চলিব আৰম্ভ হোৱাৰ সময়তে ওদালগুৰি জিলাৰ অন্যতম নগৰ টংলাৰ বুকুত প্ৰতিষ্ঠিত অসুৰক্ষিত হৈছে গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ। প্ৰায় দুই দশক ধৰি ওদালগুৰি জিলাৰ উত্তৰে ভূটান সীমান্তলৈকে গণতন্ত্ৰৰ মৰ্যাদা ৰক্ষা কৰি সৰ্বসাধৰণৰ ৰাইজ আৰু চৰকাৰৰ মাজত সদায় দামল সদৃশ ভাবে সকলো ধৰণৰ বা বাতৰি প্ৰিণ্ট মিডিয়া আৰু ইলেকট্ৰনিক মিডিয়াৰ জৰিয়তে টংলা প্ৰেছ ক্লাবৰ সদস্যসকলে পৰিৱেশন কৰি আহিছে যদিও প্ৰেছ ক্লাবৰ নিজা স্থায়ী কাৰ্যালয় এটা নথকাৰ বাবে দীৰ্ঘদিন ধৰি ভাৰা ঘৰত থাকি বিভিন্ন সমস্যাৰ সমুখীন হৈ আহিছে। অৱশেষত প্ৰেছ ক্লাবে স্থায়ী ভাবে কাৰ্যালয় এটা নিৰ্মাণ কৰিবলৈ হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু লোক নিৰ্মাণ বিভাগৰ টংলা উপ সংমণ্ডল কাৰ্যালয়ৰ পিছফালৰ এটা যাবৰ যুথৰ পেলোৱা পৰিত্যক্ত দ' গাতত মাটি পুতি টংলা প্ৰেছ ক্লাবৰ নাম লিখা ফলক লগাই দিয়াৰ পিছত বৰ্তমানলৈ নিশাৰ ভাগত দুখন নাম ফলক দুৰ্বৃত্তই উঠাই পেলাই দিয়ে। তাৰ পিছত প্ৰেছ ক্লাবৰ সদস্য সকলে পুনৰ এখন নাম ফলক লগাই দিয়ে যদিও নিশা দুৰ্বৃত্তই নাম ফলকখন ফালি চিঙি পেলাই আৰু প্ৰেছ ক্লাবে পোতা মাটি সকলোৰে অজ্ঞাতে দুৰ্বৃত্তই খান্দি পেলাই। আজি এই ক্ষেত্ৰত টংলাস্থিত হৰিশিঙা ৰাজহ চক্ৰৰ লাট মণ্ডল গৰাকীক প্ৰেছ ক্লাবৰ মাটি কাটিবলৈ কোনোবাই অনুমতি লৈছিল নেকি বুলি সোধাত অজ্ঞাত প্ৰকাশ কৰে। আনহাতে টংলা পৌৰ সভাৰ সহকাৰী অভিযন্তা গৰাকীক প্ৰেছ ক্লাবৰ মাটি কটা সম্পৰ্কত সোধাত অজ্ঞাত বুলি জানিব দিয়ে। আনহাতে লোকনিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা গৰাকীক মাটি কটা সম্পৰ্কত সোধাত তেঁও অজ্ঞাত প্ৰকাশ কৰে। প্ৰশাসনৰ গুৰুত্বপূৰ্ণ বিভাগ তিনিটাৰ অজ্ঞাতে কোনে কাৰ সাহসত টংলা প্ৰেছ ক্লাবৰ নাম ফলক উঠাই মাটি কাটিব সাহস পালে সেয়া ঘন ৰহস্যৰ আবৰ্তত ।খিলঞ্জীয়াৰ মাটি ভেঁটি সুৰক্ষিত কৰাৰ শ্লোগান দিয়া বিজেপি দলৰ নেতৃত্বত এন ডি এৰ কেন্দ্ৰ চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বিটিচিত থকা ত্ৰিপল ইঞ্জিনৰ চৰকাৰৰ দিনত টংলা নগৰৰ দৰে গুৰুত্বপূৰ্ণ অঞ্চল এটাত অৱস্থিত টংলা প্ৰেছ ক্লাবৰ দখলত থকা মাটিত দুৰ্বৃত্তই চলোৱা এনে ঘৃণনীয় কাৰ্যক টংলা প্ৰেছ ক্লাবে গৰিহণা দিয়াৰ লগতে উচিত বিচাৰ কৰিবলৈ জিলা প্ৰশাসনক দাবী জনাইছোঁ। ইতিমধ্যে টংলাত নিজকে শক্তিশালী কিং মেকাৰ বুলি ভবা এজন স্বয়ম্ভু ঠিকাদাৰৰূপী এটা বিশেষ ৰাজনৈতিক দলৰ নেতাই ক্ষমতাৰ অপপ্ৰয়োগ কৰি টংলা প্ৰেছ ক্লাবৰ নামত দখল কৰা মাটিখিনি বিতৰ্কৰ দিশে নি বিবাদমান মাটি কৰিবলৈ ষড়যন্ত্ৰ ৰচা বিষয়টো প্ৰেছ ক্লাবৰ দৃষ্টিগোচৰ হৈছে আৰু সময়ত এই ক্ষেত্ৰত ৰাজহুৱা ভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰেছ ক্লাবে ৰাইজৰ ওচৰত পৰৱৰ্তী সময়ত আবেদন জনাবলৈ প্ৰস্তুতি চলাইছে। গণতন্ত্ৰৰ চতুৰ্থস্তম্ভৰ সৈতে সংপৃক্ত টংলা প্ৰেছ ক্লাবৰ ওপৰত কৰা এনে ঘৃণনীয় কাৰ্যৰ ক্ষেত্ৰতবিভিন্ন দল, সংগঠনৰ লগতে ৰাইজে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয় বিষয়।

# কামৰূপৰ গন্ধমৌ- ৰাৰণবৈ পথৰ দুৰৱস্থা



**বাতৰি কাকত, শুৱালকুছি, ৩০ মে'ঃ** কামৰূপ জিলাৰ অন্তৰ্গত পূৰ্বা জালুকবাৰী সমষ্টি আৰু এতিয়া হাজো - শুৱালকুছি সমষ্টিৰ অন্তৰ্গত গন্ধমৌ - ৰাৰণবৈ অঞ্চলৰ বাসিন্দা সকলৰ যাতায়াতৰ একমাত্ৰ মূল পথটো হৈছে প্ৰধান পথৰ পৰা বজাৰহৈ স্কুললৈ সংযোগী পথটি। বৰ্তমানলৈকে এই পথটি সম্পূৰ্ণ মাটিৰে নিৰ্মাণ হোৱাৰ বাবে স্থানীয় ৰাইজ, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু ৰোগীসকল যাতায়াতৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সন্মুখীন হব লগা হৈছে। বিশেষকৈ বাৰিষা কালত পথটি বোকাৰে ভৰি পৰে, যাৰ ফলত কোনো ধৰণৰ যানবাহন চলাচল কৰিব নোৱাৰে আৰু জৰুৰীকালীন অৱস্থাত এম্বুলেন্স আদি অহাতো অসম্ভৱ হৈ পৰে। দীৰ্ঘদিন ধৰি মেৰামতি বা পকীকৰণ নকৰাৰ বাবে পথটো এতিয়া সম্পূৰ্ণৰূপে যাতায়াতৰ অনুপযোগী হৈ পৰিছে। সেয়েহে অসমৰ অতি কৰ্মদক্ষ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজৰ এই দীৰ্ঘদিনীয়া সমস্যাটোৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰী আঁচনিৰ মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনি অধীনত উক্ত পথটি অতি শীঘ্ৰে পকীকৰণ কৰাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰি ৰাইজক যাতায়াতৰ ক্ষেত্ৰত সকাহ দিবলৈ অনুৰোধ জনাইছে।

# অসমৰ সু চিকিৎসক ডাঃ কবিতা শৰ্মালৈ প্ৰেষ্টিজ ৰিকগনাইজেচন এৱাৰ্ড

**খাইৰুদ্দিন আহমেদঞ্জ শিৱসাগৰ৩০ মে'ঃ** ডেৰাডুনৰ হোটেল গ্ৰেণ্ড লেগেছিত অনুষ্ঠিত হয় সৰ্বভাৰতীয় ইলেক্টৰ হোমিও মেডিকেল এছ'চিয়েশ্যনৰ ৩৮ তম ৰাষ্ট্ৰীয় প্ৰতিষ্ঠা দিৱস। ভাৰতৰ বিভিন্ন ৰাজ্যৰ কেইবাশতাধিক চিকিৎসকে অংশগ্ৰহণ কৰা এই প্ৰতিসঞ্জঠা দিৱসত অসমৰ এগৰাকী আগশাৰীৰ হোমিওপেথিক চিকিৎসক ডাঃ কবিতা শৰ্মাক প্ৰদান কৰা হয় প্ৰেষ্টিজ ৰিকগনাজেশ্যন এৱাৰ্ড। উত্তৰাখণ্ডৰ আয়ুষ বিভাগৰ মন্ত্ৰী মদন কৌশিকে কবিতা শৰ্মাক এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ বটা আনুষ্ঠানিক ভাৱে প্ৰদান কৰে। সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশৰ বহুকেইখন ৰাজ্যৰ ৫০ হাজাৰৰো অধিক জটিল ৰোগত আক্ৰান্ত ৰোগীক কম দিনৰ ভিতৰতে সু চিকিৎসাৰে আৰোগ্য কৰি তোলাৰ বাবে অসমৰ সু চিকিৎসক ডাঃ কবিতা শৰ্মাক প্ৰেষ্টিজ ৰিকগনাইজেশ্যন এৱাৰ্ড প্ৰদান কৰা হৈছে বুলি আয়ুষ মন্ত্ৰী মদন কৌশিকে সভাত অৱগত কৰে। এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ অভিৱৰ্তনত ৰাজস্থান, পশ্চিমবংগ, মহাৰাষ্ট্ৰ, কাশ্মীৰ, উত্তৰাখণ্ড, উত্তৰ প্ৰদেশ, পঞ্জাৱ আদি ৰাজ্যৰ পৰা অহা বিভিন্ন চিকিৎসকে নিজৰ নিজৰ চিকিৎসা পদ্ধতি আৰু ৰোগ নিৰূপণ সম্পৰ্কে বিস্তৃত ভাবে ব্যাখ্যা দাঙি ধৰে। উল্লেখযোগ্য যে, নিজস্ব দক্ষতাৰে জটিল ৰোগত আক্ৰান্ত ৰোগীসকলক সু চিকিৎসাৰে অতি কমদিনৰ ভিতৰতে আৰোগ্য কৰিবলৈ সক্ষম হোৱা ডাঃ কবিতা শৰ্মাই ২০১৬ চনৰ পৰা বৰ্তমানলৈকে হোমিও চিকিৎসাৰ সৰ্বোচ্চ সন্মান হেনিমেন এৱাৰ্ড, এৱাৰ্ড অৱ অনাৰ, এৱাৰ্ড অৱ এক্সিলেন্স কে ধৰি কেইবাটাও ৰাষ্ট্ৰীয় বটা ইতিমধ্যে লাভ কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিষ্ঠা দিৱসৰ পূৰ্বে হৰিদ্বাৰৰ আলিপুৰ বহদৰাবাদত অনুষ্ঠিত বিনামূলীয়া চিকিৎসা আৰু ঔষধ বিতৰণ শিৱিৰত অংশগ্ৰহণ কৰি কবিতা শৰ্মাই শতাধিক ৰোগীক চিকিৎসা সেৱা আগবঢ়ায়। এই চিকিৎসা শিবিৰ উদ্বোধন কৰে আলিপুৰ সমষ্টিৰ বিধায়ক আদেশ চৌহানে। প্ৰতিষ্ঠা দিৱসৰ অন্তত ই,এম, এ ইণ্ডিয়াৰ ৰাষ্ট্ৰীয় অধ্যক্ষ কে পি চৌহানৰ তত্বাৱধানত হৰিদ্বাৰত পবিত্ৰ গঙ্গা আৰতি সম্পন্ন কৰে কবিতা শৰ্মাই। এই গংগা আৰতি অনুষ্ঠানত হৰিদ্বাৰৰ অধ্যক্ষ নিতিন গৌতম, কবিতা শৰ্মাৰ স্বামী দেৱজিৎ কাকতিকে ধৰি এছ'চিয়েশ্যনৰ বহু কেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।।

# পেট্ৰ'ল, ডিজেলৰ অভাৱনীয় মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চৰকাৰৰ ব্যৰ্থতাৰ প্ৰতিবাদ

**ওদালগুৰি ,৩০ মে'ঃ** অসমত মূল্যবৃদ্ধি প্ৰতিৰোধৰ দাবীত ওদালগুৰি জিলা ছাত্ৰ সন্থাই উত্তাল প্ৰতিবাদ জনাই পেট্ৰোলিয়াম মন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰে । ছাত্ৰ কৰ্মী সকলে সমদল কৰি ওদালগুৰিৰ মাজমজিয়াত অৱস্থিত শ্বহীদ বেদীৰ সন্মুখত উপস্থিত হৈ প্ৰতিবাদ সাব্যস্ত কৰি অসম চৰকাৰ হায় হায়, বিজেপি গো বেক, মূল্যবৃদ্ধি ৰোধ কৰক আদি বিভিন্ন শ্লোগানেৰে উত্তাল কৰি তোলে ওদালগুৰি চহৰ। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি বিতোপন দাস, সাধাৰণ সম্পাদক মাধূৰ্য শৰ্মা, আৰু আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক চিন্টুমণি চক্ৰৱৰ্তীয়ে অসম চৰকাৰৰ নিৰ্লিপ্ত ভূমিকাক ধিক্কাৰ জনাই কয় যদিহে আছুৰ এই প্ৰতিবাদৰ ভাষা বুজি নাপায় তেন্তে দিনে নিশাই জংগী আন্দোলনৰ জৰিয়তে চৰকাৰ অচল কৰি দিয়া হ'ব। আনহাতে ওদালগুৰি জিলাৰ অন্তৰ্গত আঞ্চলিক ছাত্ৰ সন্থাৰ কৰ্মীসকলে সকলে অংশগ্ৰহণ কৰে।

# দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ মুখমন্ত্ৰী ড° শৰ্মাৰ

সমৰ্থন আৰু নেতৃত্বৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে আগন্তুক দিনসমূহতো তেওঁৰ আশীৰ্বাদ আৰু পথনিৰ্দেশনা কামনা কৰে। সামাজিক মাধ্যম 'এক্স'ত সাক্ষাতৰ বিষয়ে উল্লেখ কৰি হিমন্ত বিশ্ব শৰ্মাই লিখে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজীক সাক্ষাৎ কৰাৰ সৌভাগ্য লাভ কৰিলোঁ। অসমৰ এনডিএ ৩.০ চৰকাৰে আৰম্ভণিৰে পৰাই যি গতিত কাম আগবঢ়াই আছে, সেই বিষয়ে তেওঁক অৱগত কৰিলোঁ। লগতে তেওঁৰ অবিৰত সমৰ্থনৰ বাবে কৃতজ্ঞতা জনাই আগন্তুক বছৰসমূহৰ বাবে আশীৰ্বাদ আৰু পথনিৰ্দেশনা বিচাৰিলোঁ। অসম চৰকাৰে নতুন কাৰ্যকাল আৰম্ভ কৰাৰ এই গুৰুত্বপূৰ্ণ সময়ত শাসন ব্যৱস্থা শক্তিশালীকৰণ, আন্তঃগাঁথনি উন্নয়ন, কল্যাণমূলক আঁচনি আৰু অৰ্থনৈতিক বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই সাক্ষাতে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত উন্নয়নমূলক লক্ষ্যসমূহ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ঘনিষ্ঠ সমন্বয়ৰ প্ৰতিফলন ঘটাইছে। ৰাজনৈতিক পৰ্যবেক্ষকসকলৰ মতে, এই সাক্ষাৎ কেন্দ্ৰ-ৰাজ্য সহযোগিতা অধিক সুদৃঢ় কৰাৰ লগতে এনডিএ নেতৃত্বৰ অধীনত অসমৰ উন্নয়নমূলক কাৰ্যসূচীসমূহৰ বাবে কেন্দ্ৰীয় সমৰ্থন অব্যাহত ৰখাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে।

# লোকপিয়ল বাবে সাজু শিৱসাগৰ জিলা

বিষয়া, অতিৰিক্ত আৰু উপ-জিলা লোকপিয়ল বিষয়া, চাৰ্জ বিষয়া, অতিৰিক্ত চাৰ্জ বিষয়া আৰু অন্যান্য জিলা তথা চাৰ্জ পৰ্যায়ৰ লোকপিয়ল বিষয়াসকলক ২০২৭ চনৰ লোকপিয়লৰ বিভিন্ন দিশৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। উল্লেখ্য যে, এক ঐতিহাসিক পৰিৱৰ্তনৰ সূচনা কৰি, ২০২৭ চনৰ লোকপিয়ল সম্পূৰ্ণ ডিজিটেল মাধ্যমত দুটা পৰ্যায়ত অনুষ্ঠিত কৰা হ'বঃ প্ৰথম পৰ্যায়ত মূল ভেটি তথা গাঁথনি তৈয়াৰ কৰাৰ লক্ষ্যৰে অসমত ২০২৬ চনৰ ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰলৈ গৃহ তালিকা আৰু গৃহ পিয়লৰ ওপৰত গুৰুত্ব দিয়া হ'ব। ইয়াৰ উপৰি, অসমৰ বাসিন্দাসকলৰ বাবে ২০২৬ চনৰ ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ এটা উৎসৰ্গিত পৰ্টেল https:.//se.census.gov.in ৰ জৰিয়তে জনসাধৰণে নিজা তথ্য স্ব-পঞ্জীয়ন কৰাৰ সুবিধা উপলব্ধ হ'ব। ইয়াৰ পিছতে ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহত দ্বিতীয় পৰ্যায়ৰ জনসংখ্যা গণনাঅনুষ্ঠিত হ'ব। তৃতীয় দিনৰ প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে লোকপিয়ল সঞ্চালকালয়, অসমৰ সহকাৰী মুখ্য প্ৰধান লোকপিয়ল বিষয়া নয়নমণি গগৈ আৰু লোকপিয়ল সঞ্চালকালয়, অসমৰ পৰিসংখ্যা বিষয়া অৰ্পণ দেৱনাথ উপস্থিত থাকি দুটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া লোকপিয়ল- ২০২৭ সন্দৰ্ভত তাত্বিক আৰু ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰে। আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত মূলতঃ এইচ এল অ' মোবাইল এপৰ সামগ্ৰিক ব্যৱহাৰ তথা ইয়াৰ বৈশিষ্ট্যসমূহ, এইচ এল অ' ছুপাৰভাইজাৰ এপ ব্যৱহাৰৰ সময়ত -ত তথ্যৰ সত্যতা নিৰূপণৰ ক্ষেত্ৰত ছুপাৰভাইজাৰৰ দায়িত্ব সম্পৰ্কে আলোকপাত কৰাৰ উপৰিও লোকপিয়ল সম্পৰ্কীয় মোবাইল আৰু ৱেব এপ ব্যৱহাৰৰ ক্ষেত্ৰত তথ্যৰ নৈতিকতা, গোপনীয়তা, সুৰক্ষা আৰু সমস্যা সমাধানৰ লগতে কৰণীয় সম্পৰ্কে আলোচনা কৰা হয়। আনহাতে, প্ৰশিক্ষণ কাৰ্যসূচীত ক্ষেত্ৰভিত্তিক প্ৰত্যাহ্বান, উত্তৰদাতা আৰু তথ্য সংগ্ৰহকাৰীৰ আচৰণ, চি.এম.এম.এছ. ডেশ্বব'ৰ্ডৰ জৰিয়তে তথ্যৰ গুণগত মান আৰু নিৰীক্ষণৰ বিষয়ে আলোচনা কৰা হয়। তদুপৰি, চাৰ্জ বিষয়া সকলক লোকপিয়ল ব্যৱস্থাপনা আৰু নিৰীক্ষণ ব্যৱস্থা পৰ্টেলত ইউজাৰ একাউণ্ট সৃষ্টিৰ বিষয়ে ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰা হয়। আনহাতে, গৃহ পিয়লৰ বাবে যক্সত যক্সত গণনা কৰ্মীসকলে কাম কৰিব সেই সমূহ চিনাক্ত কৰাৰ বাবে মেপত চেটেলাইট ইমেজ ব্যৱহাৰ কৰি কেনেদৰে ব্লক নিৰ্ধাৰণ কৰা হয় এই বিষয়েও প্ৰশিক্ষণ প্ৰদান কৰা হয়। তৃতীয় দিনৰ প্ৰশিক্ষণৰ অন্তত শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত তথা প্ৰধান লোকপিয়ল বিষয়া মৃদুল য়াদৱৰ উপস্থিতিত সমল ব্যক্তিদ্বয় আৰু বিভিন্ন পৰ্যায়ৰ চাৰ্জ বিষয়াসকলৰ এখন সমূহীয়া স্থিৰচিত্ৰ গ্ৰহণ কৰাৰ শেষত সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। সামৰণি অনুষ্ঠানত জিলা লোকপিয়ল বিষয়া সোণতৃষ্ণা ঘৰফলীয়াই সমলব্যক্তি দ্বয়কে প্ৰমুখ্য কৰি সকলো অংশগ্ৰহণকাৰীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি শলাগৰ শৰাই আগবঢ়ায়। আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা লোকপিয়ল বিষয়া সোণতৃষ্ণা ঘৰফলীয়া, নাজিৰাৰ সম-জিলা আয়ুক্ত তথা সম-জিলা লোকপিয়ল বিষয়া প্ৰতিভা মেশ্ৰাম, ডিমৌৰ সম-জিলা আয়ুক্ত তথা সম-জিলা লোকপিয়ল বিষয়া লুকুমণি বড়া, সহকাৰী আয়ুক্ত তথা অতিৰিক্ত জিলা লোকপিয়ল বিষয়া পৰীস্মিতা দিহিঙ্গীয়া, জিলা তথ্য-প্ৰযুক্তি বিজ্ঞান বিষয়া জগদীশ বুঢ়াগোহাঁই, চক্ৰ বিষয়া তথা চাৰ্জ লোকপিয়ল বিষয়াসকল, পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল, অতিৰিক্ত চাৰ্জ লোকপিয়ল বিষয়াসকল আৰু উপ লোকপিয়ল বিষয়াসকলে অংশগ্ৰহণ কৰে।

# ইউনিফৰ্ম চিভিল কোড বিশেষ ধৰ্ম, জাতি-সম্প্ৰদায়ৰ বিৰুদ্ধে নহয়

কোড' বা 'সৰ্বসন্মত নাগৰিক সংহিতা' সন্দৰ্ভত আজি ভাৰতীয় জনতা পাৰ্টি, বজালী জিলা সমিতিৰ উদ্যোগত এক বিশেষ সংবাদমেল অনুষ্ঠিত কৰা হয়। দলৰ কাৰ্যালয়ত অনুষ্ঠিত এই সংবাদমেলত ইউনিফৰ্ম চিভিল কোডৰ বিভিন্ন দিশ আৰু ইয়াৰ প্ৰাসঙ্গিকতা সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। সংবাদমেলখন সম্বোধন কৰি ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক মুখপাত্ৰ ড° দেৱজিত মহন্তই কয় যে, ইউনিফৰ্ম চিভিল কোড কেৱল এটা আইন নহয়, ই হৈছে ভাৰতৰ প্ৰতিগৰাকী নাগৰিকৰ মাজত সামাজিক সমতা আৰু ন্যায় সুনিশ্চিত কৰাৰ এক বলিষ্ঠ পদক্ষেপ। ড° মহন্তই অতি স্পষ্টভাৱে ব্যক্ত কৰে যে, 'ইউনিফৰ্ম চিভিল কোড কোনো বিশেষ ধৰ্ম, জাতি বা সম্প্ৰদায়ৰ বিৰুদ্ধে অনা হোৱা নাই। বৰঞ্চ ই ধৰ্মীয় পৰিচয়ৰ ঊৰ্ধ্বত গৈ সকলো নাগৰিকক সমান অধিকাৰ প্ৰদান কৰাৰ এক প্ৰচেষ্টা।' তেওঁ লগতে উল্লেখ কৰে যে, বৰ্তমান সময়ত দেশত ভিন্ন ধৰ্মীয় ব্যক্তিগত আইন থকাৰ ফলত বহু সময়ত নাগৰিকৰ অধিকাৰৰ ক্ষেত্ৰত বিভেদ সৃষ্টি হয়। বিশেষকৈ বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ আৰু সম্পত্তিৰ অধিকাৰৰ ক্ষেত্ৰত থকা এই বৈষম্যসমূহ আঁতৰ কৰি এখন আধুনিক আৰু প্ৰগতিশীল ভাৰতবৰ্ষ গঢ়ি তোলাৰ বাবে ইউ চি চিঅপৰিহাৰ্য। ড° মহন্তৰ তথ্যসমৃদ্ধ আৰু যুক্তিপূৰ্ণ বক্তব্যই উপস্থিত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলৰ মাজত ইউ চি চি সম্পৰ্কীয় ধাৰণা অধিক স্পষ্ট আৰু ইতিবাচক কৰি তোলে।আজিৰ এই সংবাদমেলত উপস্থিত থাকি নিজ নিজ মতামত আৰু সমৰ্থন ব্যক্ত কৰে বজালী জিলা বিজেপিৰ শীৰ্ষ নেতৃত্বই। জিলা সমিতিৰ সভাপতি মুকুট কলিতাই অনুষ্ঠানত উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰি কয় যে, দলৰ নীতি আৰু আদৰ্শ অনুযায়ী বজালী জিলা বিজেপিয়ে সমাজৰ উন্নয়নৰ হকে সদায় কাম কৰি যাব। সংবাদমেলত জিলা বিজেপিৰ উপ-সভাপতি নব মেধি, সাধাৰণ সম্পাদক ভাস্কৰ দাসৰ লগতে মিডিয়া বিভাগৰ আহ্বায়ক ধ্ৰুৱজ্যোতি তালুকদাৰ উপস্থিত থাকে। জিলা বিজেপিৰ নেতৃত্বই সংবাদমেলৰ জৰিয়তে পুনৰবাৰ দোহাৰে যে, ইউনিফৰ্ম চিভিল কোডৰ প্ৰৱৰ্তনে দেশত এক সুশৃংখল আৰু ন্যায়ভিত্তিক সমাজ ব্যৱস্থা গঢ়ি তোলাত সহায় কৰিব, যিয়ে অনাগত দিনত প্ৰতিগৰাকী ভাৰতীয় নাগৰিকক শক্তিশালী কৰিব।

# মহানগৰবাসীয়ে জাৱৰৰ বাবদ দিব লাগিব ৩০ টকাকৈ

এতিয়াৰ পৰা গুৱাহাটীৰ প্ৰতিটো পৰিয়ালে মাহিলী ৩০ টকাকৈ জাৱৰ সংগ্ৰহৰ মাচুল আদায় কৰিব লাগিব। উল্লেখ্য যে, কিছুদিন পূৰ্বলৈ এই সেৱা বিনামূলীয়াকৈ প্ৰদান কৰা হৈছিল। মেয়ৰে লগতে উল্লেখ কৰে যে, গুৱাহাটীত স্বচ্ছতা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লগতে জাৱৰ ব্যৱস্থাপনাক অধিক ফলপ্ৰসূ কৰি তুলিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ নাগৰিকসকলকো চহৰখন পৰিষ্কাৰ আৰু সুন্দৰ কৰি ৰখাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ লগতে গুৱাহাটীৰ সৌন্দৰ্য বৰ্ধনৰ বাবে প্ৰতিগৰাকী নাগৰিকক নিজৰ ঘৰৰ সন্মুখত বা চৌহদত কপৌফুলৰ ৰং ব্যৱহাৰ কৰিবলৈও আহ্বান জনায় মেয়ৰে। লগতে জাবৰ পেলোৱা গাড়ীৰ বাবে নতুন থিম চং মুকলি কৰাৰ কথাও উল্লেখ কৰিলে মৃগেন শৰণীয়াই। পৌৰ নিগমৰ এই সিদ্ধান্তই একাংশ নাগৰিকৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে যদিও, নিগম কৰ্তৃপক্ষই দাবী কৰিছে যে চহৰৰ স্বচ্ছতা আৰু উন্নত জাৱৰ ব্যৱস্থাপনা নিশ্চিত কৰাৰ স্বাৰ্থতেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। অৱশ্যে এতিয়াও মহানগৰীৰ বিভিন্ন স্থানত জাৱৰ সংগ্ৰহৰ বাবে একাংশই মহৰীৰ সহযোগত বেআইনীভাৱে ২০০ টকা পৰ্যন্ত সংগ্ৰহ কৰি আহিছে। বিশেষকৈ ভেটাপাৰা, বেলতলা অঞ্চলত দীৰ্ঘদিন ধৰি এনেদৰে সংগ্ৰহ কৰি আহিছে ধন। এই সন্দৰ্ভত অসমীয়া প্ৰতিদিন ডিজিটেলত সবিস্তাৰে বাতৰিও প্ৰকাশ হৈছিল। কিন্তু আজিৰ সংবাদমেলত স্থান বিশেষে ২০০ টকা পৰ্যন্ত প্ৰতি পৰিয়ালৰ পৰা জাবৰ সংগ্ৰহকাৰীয়ে লৈ থকা সন্দৰ্ভত কি ব্যৱস্থা লব সেই বিষয়ে মেয়ৰ গৰাকীয়ে উল্লেখ নকৰিলে। ইয়াকে লৈও মহানগৰবাসীৰ মাজত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ।

# ডিংডিঙ্গা বজাৰত চিএছচি কেন্দ্ৰত প্ৰবঞ্চনা স্বত্বাধিকাৰীক গ্ৰেপ্তাৰ

সৃষ্টি হৈছে। জানিব পৰা মতে, চৰকাৰী নথি-পত্ৰৰ আবেদন, অনলাইন সেৱা, শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰপত্ৰ পূৰণ, বৃত্তি আবেদন আদি কামৰ নামত বহু লোকৰ পৰা নিৰ্ধাৰিত মাচুলতকৈ অধিক ধন আদায় কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, বহু গ্ৰাহকে বাধ্য হৈ অতিৰিক্ত ধন পৰিশোধ কৰিবলগীয়া হৈছিল। শেহতীয়াকৈ আবিমেলেক বাৰো নামৰ এজন যুৱকৰ সৈতে সংঘটিত এক কথিত ঠগ প্ৰবঞ্চনাৰ ঘটনা পোহৰলৈ অহাৰ পিছতে বিষয়টো অধিক চৰ্চিত হৈ উঠে। ঘটনাটো প্ৰকাশ পোৱাৰ লগে লগে স্থানীয় ৰাইজ আৰু ভুক্তভোগীসকল ক্ষোভিত হৈ পৰে আৰু চি এছ চি চেন্টাৰত উপস্থিত হৈ উতপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়াৰ পিছতে উত্থাপিত অভিযোগৰ ভিত্তিত গ্ৰাহামপুৰ আৰক্ষীয়ে তৎপৰতাৰে তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে চি এছ চি কেন্দ্ৰটোৰ স্বত্বাধিকাৰী অজয় গোৱালাক আটক কৰি জেৰা অব্যাহত ৰাখিছে। স্থানীয় ৰাইজ আৰু আবিমেলেক বাৰো নামৰ যুৱকজনে কমন চাৰ্ভিচ চেন্টাৰ সেৱাৰ নামত সাধাৰণ জনতাক প্ৰতাৰণা কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। লগতে এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ সংশ্লিষ্ট বিভাগ আৰু প্ৰশাসনক অধিক নজৰদাৰী বৃদ্ধিৰ আহ্বান জনোৱা হৈছে।

# বিহপুৰীয়া-নাৰায়ণপূৰ-লখিমপুৰত বৰ্ণাঢ্য আয়োজন

আৰু জন্মস্থান পৰিচালনা সমিতিৰ সহযোগত এই অনুষ্ঠানটি অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি, ৩১ মে'ৰ পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ আৰু ৮ বজাত গছপুলি ৰোপণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। গছপুলি ৰোপণ কাৰ্যসূচীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বিহপুৰীয়া-নাৰায়ণপুৰ, লখিমপুৰ, গহপুৰ, অৰুণাচল, চকুৱাখনা, ধেমাজি আৰু মাজুলী জিলা শাখাৰ সভাপতিসকলৰ লগতে জন্মস্থানৰ প্ৰাক্তন সম্পাদকসকলে অংশগ্ৰহণ কৰিব। পুৱা ১০ বজাত নাম-প্ৰসংগ পৰিচালনা কৰিব বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখাৰ শৰণ সদস্য ডিম্বেশ্বৰ হাজৰিকাই। পুৱা ১১ বজাত জন্মস্থানৰ শতবৰ্ষৰ উদ্বোধনী সভা অনুষ্ঠিত হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া এই সভাভাগি উদ্বোধন কৰিব সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। যোৰহাট মহিলা বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বৰাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিবলগীয়া সভাখনত সন্মানীয় অতিথি হিচাপে বিহপুৰীয়া সমষ্টিৰ বিধায়ক ভূপেন কুমাৰ বৰা আৰু আমন্ত্ৰিত অতিথি হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক কুমাৰ বৰা উপস্থিত থাকিব। ইয়াৰ উপৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জীত দত্ত, গহপুৰৰ বিধায়ক উৎপল বৰা আৰু ৰঙানদীৰ বিধায়ক ঋষীৰাজ হাজৰিকাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সন্ধিয়া বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। ইফালে, ১ জুনৰ কাৰ্যসূচী অনুসৰি পুৱা জ্জ্ব বজাত পৰিৱেশ নিকাকৰণ আৰু জ্ম বজাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই ধৰ্মধ্বজা উত্তোলন কৰিব। ৰজ্ম বজাত মাধৱদেৱৰ জন্মস্থানৰ নামাচাৰ্য মোলেশ্বৰ বৰা আতৈৰ পৰিচালনাত নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। পুৱা ৰৰ বজাত বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শিক্ষা শাখাৰ উদ্যোগত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। জিলা শিক্ষা শাখাৰ সভাপতি ৰাজেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানটি উদ্বোধন কৰিব বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখাৰ সম্পাদক দিলীপ গগৈয়ে। পূবডিব্ৰুং মহাবিদ্যালয়ৰ অধ্যাপক পূৰ্ণ বৰাই নিৰ্দিষ্ট বক্তা আৰু গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনৰ অধ্যক্ষ জয়ন্ত শইকীয়া আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিবলগীয়া সভাখনৰ আঁত ধৰিব জিলা শিক্ষা শাখাৰ সম্পাদক হৰেণ দুৱৰাই। দুপৰীয়া ৰচ বজাত শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰীত জন্মক্ষেত্ৰ উন্নয়ন সমিতিৰ ব্যৱস্থাপনাত এক ধৰ্মালোচনা সভা অনুষ্ঠিত হ'ব। জন্মস্থান পৰিচালনা সমিতিৰ সভাপতি নিপেন শইকীয়া,সম্পাদক ৰবীন বৰা, উদযাপন সমিতিৰ সভাপতি তৰুণ বৰা, কাৰ্যকৰী সভাপতি নীলমণি পাঠক, সাধাৰণ সম্পাদক প্ৰফুল্ল বৰা, প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া, জিলা শাখাৰ ধৰ্মেশ্বৰ গগৈ, প্ৰবীন নেওগ আদিকে ধৰি বিষয়ববীয়াসকলে উক্ত দুদিনীয়া কাৰ্যসূচীৰ সকলো অনুষ্ঠানতে ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে।

# ৰাষ্ট্ৰীয় ঘাইপথ সুৰক্ষাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা

জিন্নত আহমেদ আৰু বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। সভাৰ আৰম্ভণিতে সদস্য-সচিবগৰাকীয়ে পূৰ্বৰ জিলা পথ সুৰক্ষা সমিতিৰ সভাত গৃহীত সিদ্ধান্তসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে অৱগত কৰে। লগতে জিলাখনত চলি থকা বিভিন্ন পথ সুৰক্ষা কাৰ্যসূচীৰো পৰ্যালোচনা কৰা হয়। আজিৰ সভাৰ এক গুৰুত্বপূৰ্ণ বিষয় আছিল ৰাষ্ট্ৰীয় ঘাইপথত সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰা আৰু পথ দুৰ্ঘটনাজনিত মৃত্যুৰ সংখ্যা হ্ৰাস কৰাৰ লক্ষ্যৰে উচ্চতম ন্যায়ালয়ে শেহতীয়াকৈ জাৰি কৰা নিৰ্দেশনাসমূহ। এই সন্দৰ্ভত বক্তব্য ৰাখি জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব কুমাৰী আৰতিয়ে সংশ্লিষ্ট সকলো বিভাগ আৰু সংস্থাক ন্যায়ালয়ৰ নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰিবলৈ আহ্বান জনায়। সভাত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত নিৰ্ধাৰিত পাৰ্কিং স্থান, লেক্স-বাই বা ৱেক্সছাইড এমেনিটিৰ বাহিৰে গধুৰ আৰু বাণিজ্যিক বাহন পাৰ্কিং বা ৰখোৱাত নিষেধাজ্ঞা সম্পৰ্কীয় ন্যায়ালয়ৰ নিৰ্দেশনাৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। লগতে Advanced Traffic Management System, জি পি এছ ভিত্তিক নিৰীক্ষণ, ই-চালান ব্যৱস্থা আৰু নিয়মীয়া তহলদাৰীৰ জৰিয়তে আইন প্ৰয়োগ শক্তিশালী কৰাৰ বিষয়েও আলোচনা কৰা হয়। ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্ধাৰিত এলেকাৰ ভিতৰত থকা বেদখল আৰু অনুমোদন নোহোৱাকৈ স্থাপন কৰা বাণিজ্যিক প্ৰতিষ্ঠানসমূহ উচ্ছেদ সম্পৰ্কীয় ন্যায়ালয়ৰ নিৰ্দেশনাৰ ওপৰতো সভাত গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। নিৰ্দেশনা অনুসৰি ঘাইপথ কৰ্তৃপক্ষৰ অনুমোদন অবিহনে অনুজ্ঞাপত্ৰ প্ৰদান, আপত্তিবিহীনতাৰ প্ৰমাণপত্ৰ বা ব্যৱসায়িক অনুমতি প্ৰদান বা নবীকৰণ কৰিব নোৱাৰিব। ইয়াৰ উপৰি জিলা ঘাইপথ সুৰক্ষা টাস্ক ফ'ৰ্চ গঠন, দুৰ্ঘটনাপ্ৰৱণ স্থানসমূহ চিনাক্তকৰণ আৰু সংশোধন, কেমেৰা আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থা স্থাপন, লগতে গধুৰ বাহন চালকসকলৰ বাবে নিৰাপদ বিশ্ৰাম আৰু পাৰ্কিঙৰ সুবিধা নিশ্চিত কৰিবলৈ ট্ৰাক লেক্স-বাই আৰু ৱেক্সছাইড এমেনিটি বিকাশৰ বিষয়েও আলোচনা কৰা হয়। সভাৰ অন্তত জিলা আয়ুক্তগৰাকীয়ে সকলো সংশ্লিষ্ট বিভাগক সমন্বয়েৰে কাম কৰি উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাসমূহৰ কাৰ্যৰূপায়ণ নিশ্চিত কৰাৰ নিৰ্দেশ দিয়ে। লগতে জিলাখনত পথ সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰি পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ ক্ষেত্ৰত সকলোৰে মিলি কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

# কচুৱাত বনৰীয়া হাতীৰ আক্ৰমণত দুজন নিহত

আক্ৰমণ কৰি হাতীৰ জাকটো মাত্ৰ আঠশ মিটাৰ দুৰত্বত থকা ছাহাজ উদ্দিনৰ ঘৰ আহি পাওতে ছাহাজ উদ্দিনো শোৱাৰ পৰা উঠি ঘৰৰ চোতালত যাওতেই হাতীৰ জাকৰ মুখামুখি হোৱাত তেওঁক আক্ৰমণ কৰি নিহত কৰে। পিছে দুই তিনি জন প্ৰত্যক্ষ দৰ্শীয়ে হুলস্থূল কৰাত সেই ঠাই ত্যাগ কৰি একে গাঁৱৰ নুৰুল হকৰ ঘৰত সোমাই কামাল উদ্দিনৰ থকা গৃহ ভাঙি তিনি গৰাকীক আক্ৰমণ কৰি আহত কৰে ।পিছত একাংশ গঁএগ্ৰা ৰাইজে তিনিটা হাতীক খেদি বনাঞ্চললৈ পঠায় । হাতীৰ এই আক্ৰমণত নিহত আহত হোৱাৰ খবৰ পোৱা মাত্ৰকেই কামপুৰ বনবিভাগৰ লোক আৰু কচুৱা আৰক্ষীৰ লোক মৃতকৰ ঘৰত উপস্থিত হৈ দুয়োটা মৃতদেহ নি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজলৈ প্ৰেৰণ কৰে । বন বিভাগৰ লোকে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে অনা নিয়া কৰা এম্বুলেন্সৰ ভাৰাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰে। লক্ষ্যনীয় বিষয় বিগত এপষেক ধৰি বনৰীয়া হাতীৰ জাকটো লংজাপ পাহাৰত থিতাপি লৈ অঞ্চলটোৰ বিভিন্ন এলেকাত সন্ত্ৰাস চলাই আহিছে যদিও নগাঁও বন বিভাগৰ লোকে কোনো সহাৰি পোৱা নাছিল। আজিৰ এনে মৰ্মান্তিক ঘটনাত মুছলিম ছাত্ৰ সন্থাৰ নেতা শ্বহীদুল ইছলামে শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ পৰিয়াললৈ দহ লাখকৈ টকাৰ আৰ্থিক সাহায্য আৰু আহত লোক সকলৰ চিকিৎসা সেৱা আগবঢ়াই অঞ্চলটোত হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ পৰ্যাপ্ত পৰিমাণৰ বনৰক্ষী বাহিনীৰ লগতে এটি কেম্প স্থাপন কৰিবলৈ অসম চৰকাৰক দাবী জনাইছে ।

# চামগুৰিত পথ দুৰ্ঘটনাত মহিলা নিহত

কৰে বুলি জানিব পৰা গৈছে। আনহাতে দুৰ্ঘটনাটো সংঘটিত কৰা উক্ত ডাম্পাৰ খন চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে জব্দ কৰিছে বুলি জানিব পৰা গৈছে।

# শিল্পী পেঞ্চনৰ পৰা বঞ্চিত নাগাৰা নামৰ পাঠক বিষ্ণুৰাম ডাউকা

ষাঠি দশকৰ পৰা নাগাৰা নামক আধুনিক পৰ্যায়লৈ ৰূপান্তৰিত কৰি অসমৰ বিভিন্ন ঠাইত নাগাৰা নাম পৰিৱেশন কৰি নামপ্ৰেমী ৰাইজক আপ্লুত কৰাৰ লগতে ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল বিষ্ণুৰাম ডাউকা। ৬০-৮০ দশকৰ নাগাৰা নামৰ মহীৰূহ স্বৰূপ প্ৰয়াত মহেন্দ্ৰ দাস, প্ৰয়াত কুশল মালাকৰ আৰু অচ্যুত ডেকা আদিৰ লগত নাম পৰিৱেশন কৰি সকলোতে চৰ্চিত হৈছিল নাগাৰা নামৰ পাঠক বিষ্ণুৰাম ডাউকা। কৃষি কাৰ্য্যৰে কোনোমতে পৰিয়াল পোহপাল দিয়া তথা এটাসময়ত ৰাইজৰ মুখে মুখে চৰ্চিত হোৱা নাগাৰা নামৰ পাঠক বিষ্ণুৰাম ডাউকা বৰ্তমান কানেৰে নুশুনা হৈছে যদিও সদৈকুছিৰ ত্ৰিদেৱ কৃষ্টি চৰ্চা আঞ্চলিক নাগাৰা নাম দলৰ জনপ্ৰিয় পাঠক দিপেন কলিতাৰ দলটোৰ গুৰিধৰোঁতা হিচাবে থাকি নিষ্ঠা সহকাৰে আগবঢ়াই নিছে। এনেহেন গৰাকী শিল্পীয়ে আজিলৈকে অসম চৰকাৰে সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত প্ৰদান কৰা শিল্পী পেঞ্চন লাভ নকৰাত বৃহত্তৰ পশ্চিম বড়িগোগ অঞ্চলৰ সচেতন মহলে উদ্বেগ প্ৰকাশ কৰাৰ লগতে ৮২ বছৰীয়া নাগাৰা নামৰ পাঠক বিষ্ণুৰাম ডাউকাক জীৱিত কালতে শিল্পী পেঞ্চন প্ৰদান কৰিবলৈ সাংস্কৃতিক বিভাগ তথা চৰকাৰক আহ্বান জনাইছে।

# নগাঁৱত জিলাত ঋতুস্ৰাৱ অনাময় ব্যৱস্থাপনা দিৱস

সমল ব্যক্তিসকলে ঋতুস্ৰাৱ অনাময় ব্যৱস্থাপনাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি এই সজাগতা সভাসমূহ পৰিচালনা কৰে। তেওঁলোকে প্ৰথম ঋতুস্ৰাৱ সম্পৰ্কে সঠিক জ্ঞান থকাটো কিমান প্ৰয়োজনীয় আৰু ইয়াৰ বাবে কিশোৰীসকলক মানসিকভাৱে প্ৰস্তুত কৰাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰে, যাতে তেওঁলোকৰ মনৰ পৰা ভয়, দুশ্চিন্তা, অন্ধবিশ্বাস, লজ্জাবোধ আৰু সামাজিক কুসংস্কাৰ দূৰ কৰিব পৰা যায়। ইয়াৰোপৰি ঋতুস্ৰাৱৰ সময়ত ল'বলগীয়া আৱশ্যকীয় সাৱধানতা, ব্যক্তিগত পৰিষ্কাৰ-পৰিচ্ছন্নতা, পুষ্টিকৰ খাদ্য গ্ৰহণ আৰু প্ৰয়োজন সাপেক্ষে উপযুক্ত চিকিৎসা গ্ৰহণ কৰাৰ ওপৰতো সমল ব্যক্তিসকলে বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। এই কাৰ্যসূচীসমূহৰ মাজতেই জিলা মহিলা সবলীকৰণ কেন্দ্ৰৰ বিষয়াসকলে স্থানীয়ভাৱে 'মহিলা সভা' আৰু 'বাল সভ' গঠনৰ প্ৰক্ৰিয়াও আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। উপস্থিত ৰাইজক এই বিশেষ সভাবোৰৰ মূল লক্ষ্য আৰু উদ্দেশ্যসমূহৰ বিষয়ে অৱগত কৰা হয়; বিশেষকৈ মহিলা, শিশু আৰু কিশোৰীসকলৰ অধিকাৰ তথা সামগ্ৰিক কল্যাণ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত এই মঞ্চসমূহৰ শক্তিশালী ভূমিকাৰ বিষয়ে বুজাই দিয়া হয়। ইয়াৰ উপৰিও শিশু আৰু কিশোৰীসকলৰ বিভিন্ন সমস্যাৰ প্ৰতি সমাজক সজাগ কৰা, সামূহিক অংশগ্ৰহণ বৃদ্ধি কৰা আৰু কন্যা শিশু তথা কিশোৰীসকলৰ মাজত নেতৃত্বৰ গুণাৱলী বিকশিত কৰাৰ বাবে প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰা হয়। এই কাৰ্যসূচীত শিশু, কিশোৰী, অবিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, পঞ্চায়তৰ প্ৰতিনিধি, এ এন এম, আশা কৰ্মী, অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ লগতে স্থানীয় ৰাইজে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানসমূহত নগাঁও জিলা সমাজ কল্যাণ বিষয়া ভোলানাথ পেগু, বড়মপুৰ পঞ্চায়তৰ সম্পাদিকা নীলাক্ষী কাকতি, বড়মপুৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া সুমন্ত কুমাৰ ব্ৰহ্ম, ৰূপহী সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া মিন্টু শৰ্মা, ডলংঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া বিভা কলিতা ; পাখিমৰীয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া জ্যোতিমা কুম্বাং স্বাস্থ্য আৰু শিক্ষা বিভাগৰ সমল ব্যক্তিসকল তথা জিলা মহিলা সবলীকৰণ কেন্দ্ৰৰ বিষয়া উপস্থিত থাকে।

# শিৱসাগৰত নিৰ্বাচনী ব্যয় পৰ্যবেক্ষকৰ উপস্থিতিত বিধানসভা নিৰ্বাচনৰ হিচাপ মিলকৰণ বৈঠক

কক্ষত বিগত ২৯ মে'এখন হিচাপ মিলকৰণ সভা অনুষ্ঠিত হয়। এই সভাত ৯৫-ডিমৌ, ৯৬-শিৱসাগৰ আৰু ৯৭-নাজিৰা বিধানসভা সমষ্টিৰ অধীনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকল বা তেওঁলোকৰ বিধিগত প্ৰতিনিধিসকল উপস্থিত থাকে। জিলা উন্নয়ন আয়ুক্ত তথা নিৰ্বাচন ব্যয় নিৰীক্ষণ কোষৰ নডেল বিষয়া আৰু ৯৭-নাজিৰা বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া পবিত্ৰ কুমাৰ দাসৰ নেতৃত্বত ব্যয় নিৰীক্ষণকাৰী দলটোৰ লগতে ৯৫-ডিমৌ আৰু ৯৬-শিৱসাগৰ বিধানসভা সমষ্টিৰ ৰিটৰ্ণিং বিষয়া ক্ৰমে সতীশ চন্দ্ৰ ঠাকুৰীয়া আৰু মীনাক্ষী পেৰ্মে উপস্থিত আছিল। ইয়াৰ উপৰি নিৰ্বাচনী বিষয়া অদিতি নেওগ, কোষাগাৰ বিষয়া নিবিড় বৰুৱা, তিনিওটা বিধানসভা সমষ্টিৰ সহকাৰী ব্যয় পৰ্যবেক্ষকসকল আৰু সমষ্টিভিত্তিক হিচাপ ৰক্ষক দলসমূহো এই সভাত উপস্থিত থাকে।হিচাপ মিলকৰণ সভাত ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশাৱলী অনুসৰি জিলা নিৰ্বাচনী বিষয়াৰ নিৰীক্ষণ প্ৰতিবেদন আদি প্ৰস্তুত কৰাৰ বাবে প্ৰত্যেকজন প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীয়ে দাখিল কৰা হিচাপৰ সাৰাংশ পৰ্যালোচনা আৰু সামঞ্জস্য পৰীক্ষণ কৰা হয়।

# মিছ গ্ৰেণ্ড ইণ্ডিয়া ৰাণাৰ্চ আপ মৃগাশ্ৰী বৰুৱাক বিশেষ অভিনন্দন

সম্বৰ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰা হয়। উল্লেখ্য যে, যোৱা ১২ মে'ত অনুষ্ঠিত উক্ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ সৌন্দৰ্য প্ৰতিযোগিতাত খ্যাতি অৰ্জন কৰি মৃগাশ্ৰী গৃহ চহৰ তেজপুৰত উপস্থিত হোৱাৰ পিছত আজি স্থানীয় শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভাকক্ষত বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলৰ লগতে একাংশ বিশিষ্ট ব্যক্তিয়ে আনুষ্ঠানিকভাৱে উষ্ম সম্বৰ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানটিত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, প্ৰথিতযশা মঞ্চ আৰু চলচ্চিত্ৰ অভিনেতা অৰুণ নাথ, প্ৰবীণ নৃত্যশিল্পী -অভিনেত্ৰী কৃষ্ণা দাস নাথ , বাণ থিয়েটাৰৰ সম্পাদক পংকজ বৰুৱা, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভাপতি সঞ্জীৱ হাজৰিকা ,মৃগাশ্ৰীয়ে হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰা তেজপুৰ ছেইন্ট যোচেফ কনভেন্ট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা চিষ্টাৰ স্কলাষ্টিকা কেৰকেটাই বিশেষ অতিথিৰূপে উপস্থিত থাকে। অনুষ্ঠানটিত বিধায়ক তথা বিশিষ্ট অভিনেতা পৃথ্বিৰাজ ৰাভাই আগবঢ়োৱা বক্তব্যত প্ৰসংগক্ৰমে মৃগাশ্ৰীৰ এই যাত্ৰাৰ বাবে স্নেহাশিস প্ৰদান কৰি বিশ্ব প্ৰতিযোগিতাৰ বাবে আগবাঢ়ি যোৱাৰ বাবে আশীৰ্বাদ প্ৰদান কৰে। বিধায়ক ৰাভাই সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্বতে অধিক চৰ্চিত আৰু জনপ্ৰিয় এনেধৰণৰ সৌন্দয্য কলা প্ৰতিযোগিতাৰ বাবে অকল শাৰীৰিক সৌন্দৰ্যই নহয় সকলো বিষয়তে নিজৰ বুদ্ধিমত্তা,গভীৰ অধ্যয়ন ,গভীৰ সাধনাৰ উপৰি প্ৰত্যুৎপন্নমতিতাৰে সকলো বিষয়ৰ প্ৰশ্নৰ উত্তৰ দিব পৰা দক্ষতা আৰু মেধাৱী হ'ব লাগিব বুলি মন্তব্য কৰে । আনহাতে প্ৰথিতযশা চলচ্চিত্ৰ অভিনেতা অৰুণ নাথেও মৃগাশ্ৰীক উদ্বুদ্ধ কৰি আগবঢ়োৱা ভাষণত এনেধৰণৰ প্ৰতিযোগিতা সমূহৰ মাজৰ পৰাই ঐশ্বয্য ৰায় ,প্ৰিয়ংকা চোপ্ৰা ,সুস্মিতা সেন আজি ৰাষ্ট্ৰীয় -আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ দক্ষ অভিনেত্ৰী হ'ব পাৰিছে বুলি মন্তব্য কৰে।তেওঁ লগতে অসমৰ এনে প্ৰতিভা সমূহক উদ্বুদ্ধ কৰি আগবঢ়াই দিয়াতকৈ পিছফালৰ টনা বা নিৰাশ কৰা লোকহে অধিক বুলি আক্ষেপ প্ৰকাশ কৰি নিজৰ জীৱনতো তেনে ঘটনা ঘটিছিল বুলি মন্তব্য কৰে। অনুষ্ঠানটি অতিথি ৰূপে অংশ গ্ৰহণ কৰি মৃগাশ্ৰীক স্নেহাশিস প্ৰদান কৰি আগবঢ়োৱা ভাষণত বাণ থিয়েটাৰৰ সম্পাদক তথা শোণিতপুৰ প্ৰেছ ক্লাব,তেজপুৰৰ কাৰ্যকৰী সভাপতি পংকজ বৰুৱাই বিদ্যালয়ৰ ছাত্ৰী অৱস্থাৰ পৰাই মৃগাশ্ৰীয়ে বিদ্যায়তনিক উৎকৰ্ষতাৰ পৰিচয় দি এগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ এংকৰৰ পৰা সামাজিক দায়বদ্ধতাৰ পৰিচয়ৰে অতি কম বয়সতে সমাজৰ দুটাকৈ অতি গুৰুত্বপূৰ্ণ দিশ শিশু সুৰক্ষা আৰু মানৱ অধিকাৰৰ বাবে বিভিন্ন ক্ষেত্ৰত কাম কৰি অহাটো এক আশাব্যঞ্জক দিশ বুলি মন্তব্য কৰে । আনহাতে অসমৰ বাহিৰে পশ্চিম বংগ বা দক্ষিণ ভাৰতৰ যিকোনো ৰাজ্যৰ এনে ধৰণৰ প্ৰতিভা সমূহ আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজে যেনেদৰে তৎপৰতা দেখুৱায় সেয়া অসমত দেখিবলৈ পোৱা নাযায় বুলি আক্ষেপ প্ৰকাশ কৰে। উল্লেখ্য যে, বিশিষ্ট নৃত্যশিল্পী ড° প্ৰতিভা শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত প্ৰবীণ অভিনেত্ৰী কৃষ্ণা দাস নাথ , ছেইন্ট যোচেফ কনভেন্ট বিদ্যালয়ৰ অধ্যক্ষা চিষ্টাৰ স্কলাষ্টিকা কেৰকেটা ,ড° প্ৰতিভা শৰ্মা আৰু অসম চেম্বাৰ্ছ অব কমাৰ্চৰ বিষয়ববীয়া সুনীল পাটনিয়ে মৃগাশ্ৰীক উদ্বুদ্ধ কৰি ভাষণ প্ৰদান কৰে। আনহাতে মৃগাশ্ৰীৰ পিতৃ তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ভাৰতজ্যোতি বৰুৱা, মাতৃ লেখিকা তথা মানৱ অধিকাৰকৰ্মী বৰ্ণালী শৰ্মা বৰুৱাৰ লগতে ছেইন্ট যোচেফ কনভেন্টৰ মৃগাশ্ৰীৰ শিক্ষয়িত্ৰীসকল উপস্থিত থকা অনুষ্ঠানটিত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়ন, 'শোণিতপুৰ প্ৰেছ ক্লাব , তেজপুৰ',উত্তৰ অসম দিব্যাংগ সনঞ্জহাই , তেজপুৰ চেম্বাৰ্ছ অব কমাৰ্চ , শোণিতপুৰ জিলা মানৱ অধিকাৰ সনঞ্জহাকে ধৰি বিভিন্ন অনুষ্ঠানে মৃগাশ্ৰীক গামোচা , গ্ৰন্থৰ টোপোলা , অভিনন্দন পত্ৰ আদিৰে মৃগাশ্ৰীক অভিনন্দন জ্ঞাপন কৰে। ইয়াৰ পিছত মৃগাশ্ৰীয়ে নিজৰ অনুভৱ সদৰি কৰি এই যাত্ৰাৰ বাবে নিজকে কেনেকৈ প্ৰস্তুত কৰি তুলিছিল তাক সদৰি কৰাৰ লগতে আন একাংশ বিষয়তো জড়িত হৈ অহাৰ কথা উল্লেখ কৰি সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে । উল্লেখ্য যে, এগৰাকী বৃত্তিজীৱী আঁতধৰোতা , আইনৰ ছাত্ৰী , শাস্ত্ৰীয় নৃত্যশিল্পী তথা কলা শিল্পী মৃগাশ্ৰী বৰুৱা কেৱল সৌন্দৰ্যৰে সমাহাৰ নহয়, তেওঁ শিশুৰ অধিকাৰ, শিশু ভিক্ষা বৃত্তি আৰু শিশুৰ ওপৰত চলা যৌন নিৰ্যাতনৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰি সমাজ সেৱিকাৰূপেও অনন্য ৰূপত ইতিমধ্যে জিলিকি উঠিছে। এনে কৰ্মৰাজিৰ বাবে ইতিমধ্যে তিনিটাকৈ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে।আনহাতে, মৃগাশ্ৰী বৰুৱা এগৰাকী সু অভিনেত্ৰীও।

# আজি আহমেদাবাদত আইপিএলৰ ফাইনেল মেচ

## গুজৰাট টাইটানছৰে মুখামুখি বিগত চেম্পিয়ন ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ




**আহমেদাবাদ, ৩০ মে’ ঃ** অন্ত পৰাৰ দিশে আগবাঢ়িছে আইপিএল ২০২৬। কাইলৈ আহমেদাবাদত ফাইনেল। য’ত বিগত চেম্পিয়ন ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৱে গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ লক্ষ্য একেৰাহে দ্বিতীয়বাৰলৈ চেম্পিয়ন খিতাপ অৰ্জন কৰা। কিন্তু তেওঁলোকৰ বাবে এইটো সহজ নহ’ব। কিয়নো গুজৰাট টাইটানছ সুন্দৰ ফৰ্মত আছে। সেয়ে এই খেলখন ৰোমাঞ্চকৰ হোৱাৰ পূৰ্বে সম্ভাৱনা আছে। এই খেলখন সন্ধিয়া ৭.৩০ বজাৰ পৰা আৰম্ভ হ’ব।আৰ চি বিয়ে আক্ৰমণাত্মক আৰু নিৰ্ভীক দৃষ্টিভংগীৰে প্ৰতিযোগিতাখনত আধিপত্য বিস্তাৰ কৰাৰ বিপৰীতে টাইটানছৰ ধৈৰ্য্য খেলেৰে আপ্লুত কৰি পাঁচ বছৰৰ ভিতৰত তৃতীয়বাৰৰ বাবে ফাইনেলত স্থান নিশ্চিত কৰিছে। ডিফেণ্ডিং চেম্পিয়ন আৰচিবিক টাইটানছৰ বিৰুদ্ধে শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে গণ্য কৰা হয়, কিয়নো তেওঁলোকৰ নিৰ্ভীক আৰু ৰিস্ক লোৱা খেলখনে সমগ্ৰ প্ৰতিযোগিতাখনতে আকৰ্ষণীয় প্ৰদৰ্শন আগবঢ়াইছে। এই আগ্ৰাসী কৌশলে দলটোক কেতিয়াবা বিপদত পেলাইছে যদিও বিৰাট কোহলী, দেৱদত্ত পাদিক্কাল, টিম ডেভিদ, অধিনায়ক ৰজত পাটিদাৰ, আৰু ফিল ছল্ট আৰু ভেংকটেশ আয়াৰে উপলব্ধ হ’লে ধাৰাবাহিকভাৱে আক্ৰমণাত্মক বেটিং কৰি আহিছে। এই একেটা নিৰ্ভীক পন্থাৰে প্ৰথম কোৱালিফায়াৰত টাইটানছক পৰাস্ত কৰিছিল আৰ চি বিয়ে। পিটচৰ অৱস্থা বা বিপক্ষৰ বলিং কৌশলে তেওঁলোকৰ আক্ৰমণাত্মক পদ্ধতিত বিশেষ প্ৰভাৱ পেলোৱা নাই আৰু এই ছিজনত আন কোনো দলে ইমান সঘনাই ২০০ ৰানতকৈ অধিক ৰান সংগ্ৰহ কৰিব পৰা নাই। অধিনায়ক ৰজত পাটিদাৰৰ শান্ত আৰু সংগঠিত নেতৃত্ব শৈলীয়েও বিগত দুটা ছিজনত দলটোক স্থিৰতা প্ৰদান কৰিছে। তেওঁ প্ৰাক্তন অধিনায়ক বিৰাট কোহলী বা ফাফ ডু প্লেছিছৰ দৰে আৱেগিকভাৱে স্পষ্টবাদী নহয় যদিও তেওঁৰ সিদ্ধান্তই আত্মবিশ্বাসৰ প্ৰতিফলন ঘটায়, যাৰ ফলত দলৰ অভিজ্ঞ আৰু যুৱ খেলুৱৈ উভয়েই ভাল অনুভৱ কৰে। আৰ চি বিৰ বলিং ইউনিটটোৱেও এই ছিজনত ইকনমি আৰু ফলপ্ৰসূ প্ৰদৰ্শন আগবঢ়াইছে, যাৰ ফলত পাৱাৰপ্লে’তেই বিপক্ষৰ বেটছমেনসকলৰ ওপৰত হেঁচা পৰিছে। ভুৱনেশ্বৰ কুমাৰৰ নেতৃত্বত এই বলিং ইউনিটে গুজৰাট টাইটানছৰ ইন-ফৰ্ম টপ অৰ্ডাৰৰ বিৰুদ্ধে সৰ্বোচ্চ পৰ্যায়ত প্ৰদৰ্শন কৰিব লাগিব। আনহাতে, এই প্ৰতিযোগিতাখনৰ বেছিভাগ দলেই পাৱাৰপ্লে’ত প্ৰতি অভাৰত ১১-১২ ৰান সংগ্ৰহ কৰি থকাৰ বিপৰীতে গুজৰাট টাইটানছৰ অ’পেনাৰ অধিনায়ক শুভমন গিল আৰু ছাই সুদৰ্শনে তুলনামূলকভাৱে সংযত গতি গ্ৰহণ কৰিছে, প্ৰতি অভাৰত গড়ে ৯ ৰানৰ অলপ বেছি ৰান সংগ্ৰহ কৰিছে। এই পৰম্পৰাগত কৌশলৰ কাৰণো গুজৰাটৰ তুলনামূলকভাৱে দুৰ্বল মিডল অৰ্ডাৰ, আৰু দলৰ বেটিং বোজাৰ ডাঙৰ অংশ শীৰ্ষ তিনিজন বেটছমেন (গিল, সুদৰ্শন, আৰু জছ বাটলাৰ)ৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ পিছতো তিনিওজনে ধাৰাবাহিকভাৱে আকৰ্ষণীয় প্ৰদৰ্শন আগবঢ়াইছে। গিলে ৭২২ ৰান (ষ্ট্ৰাইক ৰেট ১৬৩), সুদৰ্যনে ৭১০ ৰান (ষ্ট্ৰাইক ৰেট ১৫৯), আৰু বাটলাৰে ৫০৭ ৰান (ষ্ট্ৰাইক ৰেট ১৫৭)। এতিয়া সেই গুৰুত্বপূৰ্ণ মেচখনত তেওঁলোকে আকৌ এবাৰ দায়িত্ব কান্ধত তুলি ল’ব লাগিব। এই ছিজনত গুজৰাটৰ ঘৰুৱা অভিলেখ (৭১ ভিতৰত পাঁচটা জয) নিশ্চিতভাৱে দলটোক কিছু আত্মবিশ্বাস প্ৰদান কৰিছে। অৱশ্যে এই প্ৰত্যাহ্বান সহজ নহ’ব।কিয়নো আৰচিবিৰ বলিং উন্নত। ২৬ উইকেটেৰে পাৰ্পল কেপৰ তালিকাত দ্বিতীয় স্থানত থকা ভুৱনেশ্বৰ কুমাৰৰ বিপৰীতে জোছ হেজলউড (১৩ উইকেট), ৰশিখ চালাম (১৬ উইকেট), আৰু ক্ৰুনাল পাণ্ডিয়াই (১৩ উইকেট) শক্তিশালী আক্ৰমণৰ ৰূপ ধাৰণ কৰে। বলিঙৰ ক্ষেত্ৰত গুজৰাট টাইটানছৰ সামান্য সুবিধা আছে যদিও আৰ চি বিৰ বেটিং গভীৰতা আৰু সকলো পজিচনতে আগ্ৰাসী বেটছমেনে তেওঁলোকক স্পষ্ট সুবিধা প্ৰদান কৰে। অৱশ্যে গুজৰাটৰ বলিঙৰ এই আগ্ৰাসনক প্ৰতিহত কৰাৰ ক্ষমতা আছে, বিশেষকৈ আহমেদাবাদৰ পিটচে বলাৰক সহায় কৰে। বৰ্তমান পাৰ্পল কেপ দৌৰত ২৮ উইকেটৰে আগবাঢ়ি আছে কাগিছ’ ৰাবাডাই। মহম্মদ চিৰাজ, ৰছিদ খান, জেছন হোল্ডাৰ, প্ৰসিদ্ধ কৃষ্ণৰ দৰে বলাৰসকলে শক্তিশালী আক্ৰমণ গঠন কৰে। ৰাবাদা আৰু ছিৰাজে এই ছিজনত

## ফ্ৰেন্স অ’পেনৰ পৰৱৰ্তী ৰাউণ্ডলৈ জেনিক চিনাৰ-আৰিনা ছাবালেংকা

**পেৰিছ, ৩০ মে’ ঃ** বিশ্বৰ ১ নং স্থানৰ জেনিক চিনাৰ আৰু মহিলাৰ শীৰ্ষ ছিড আৰিনা ছাবালেংকাই আকৰ্ষণীয় জয়ৰে ফ্ৰেন্স অ’পেন ২০২৬ৰ পৰৱৰ্তী ৰাউণ্ডলৈ আগবাঢ়িছে। পাঁচ ছেটৰ মেচত পৰাস্ত হৈ ৰাছিয়াৰ টেনিছ তাৰকা ডানিল মেডভেডেভক প্ৰতিযোগিতাখনৰ পৰা বাহিৰ হয়। মহিলাৰ একক শাখাত স্পেইনৰ জেচিকা বুজাছ মানেৰোক ৬-৪, ৬-২ ত পৰাস্ত কৰি ছাবালেংকাই সহজেই পৰৱৰ্তী ৰাউণ্ডলৈ আগবাঢ়ি যায়। পুৰুষৰ একক শাখাত নিশাৰ অধিবেশনত খেলা ছিনাৰে ফ্ৰান্সৰ ৱাইল্ড কাৰ্ড ক্লেমেণ্ট টাবুৰক ৬-১, ৬-৩, ৬-৪ ত পৰাস্ত কৰে। এই জয়ৰ লগে লগে ছিনাৰৰ জয়ৰ ধাৰা ৩০খন মেচত উপনীত হয়। তেওঁ নিজৰ কেৰিয়াৰৰ একমাত্ৰ গ্ৰেণ্ড শ্লেম খিতাপ দখল কৰাৰ দিশত শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। ফ্ৰেন্স অ’পেনত ৰাছিয়াৰ ডেনিল মেডভেডেভৰ দুৰ্বল প্ৰদৰ্শন অব্যাহত থাকে। ৯৭ নং ৰেংকিঙৰ অষ্ট্ৰেলিয়ান এডাম ৱাল্টনে ৬-২, ১-৬, ৬-১, ১-৬, ৬-৪ ত পৰাস্ত কৰে। এইবাৰ একেৰাহে দ্বিতীয়বাৰৰ বাবে মেডভেডেভক প্ৰথম ৰাউণ্ডত বাহিৰ কৰা হৈছে, আৰু যোৱা চাৰি বছৰৰ ভিতৰত তৃতীয়বাৰৰ বাবে তেওঁৰ যাত্ৰা অ’পেন ৰাউণ্ডত শেষ হৈছে।পৰাজয়ৰ পিছত মেডভেডেভে কয়-মই জানো যে মই ৰ’লেণ্ড গাৰোছত কিয় মোৰ শ্ৰেষ্ঠ প্ৰদৰ্শন নকৰো, কিন্তু যদি মই কিয় বুজাওঁ তেন্তে সেয়া অজুহাত যেন লাগিব। গতিকে মই এই কথা নিজৰ মাজতে ৰাখিব বিচাৰো।

## জুনত তাজিকিস্তানৰ বিৰুদ্ধে দুখন প্ৰীতি মেচ খেলিব ভাৰতীয় পুৰুষ ফুটবল দলে

**নতুন দিল্লী, ২৭ মে’ঃ** ভাৰতীয় পুৰুষ ফুটবল দলে জুন মাহত ফিফা আন্তঃৰাষ্ট্ৰীয় মেচ উইণ্ডোৰ সময়ত তাজিকিস্তানৰ বিৰুদ্ধে দুখন প্ৰীতি মেচ খেলিব বুলি মঙলবাৰে ঘোষণা কৰিছে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে। ৫ জুন আৰু ৯ জুনত তাজিকিস্তানৰ হিছৰৰ হিছ’ৰ চেণ্ট্ৰেল ষ্টেডিয়ামত অনুষ্ঠিত হ’ব ভাৰত আৰু তাজিকিস্তানৰ মাজত খেল। দুয়োখন মেচ আৰম্ভ হ’ব নিশা ৮:৩০ বজাৰ পৰা। ভাৰতীয় ফুটবল দলটোৱে বৰ্তমান লণ্ডনত অনুষ্ঠিত চাৰিখন দেশৰ ইউনিটি কাপ ২০২৬ত অংশগ্ৰহণ কৰি আছে। ইয়াৰ পিছতে তেওঁলোকে তাজিকিস্তানলৈ যাত্ৰা কৰিব। ২৭ মে’ত ছেমি ফাইনেলত ভাৰতে জামাইকা ৰাষ্ট্ৰীয় ফুটবল দলৰ বিৰুদ্ধে খেলিব আৰু ৩০ মে’ত ফাইনেল বা তৃতীয় স্থানৰ প্লে অফত নাইজেৰিয়া বা জিম্বাবুৱেৰ বিৰুদ্ধে খেলিব। ভাৰতীয় দলটোৱে ৩১ মে’ত লণ্ডনৰ পৰা তাজিকিস্তান অভিমুখে ৰাওনা হ’ব। আগন্তুক প্ৰীতি মেচত ভাৰতৰ পুনৰ হিছ’ৰ চেণ্ট্ৰেল ষ্টেডিয়ামলৈ ঘূৰি আহিব। যোৱা বছৰৰ কাফা নেচনছ কাপৰ সময়ত এই ষ্টেডিয়ামত ব্লু টাইগাৰছে এক স্মৰণীয় অভিযান চলাইছিল। মধ্য এছিয়া প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰি ভাৰতে ব্ৰঞ্জৰ পদক লাভ কৰে। সেই অভিযানৰ এক উল্লেখযোগ্য দিশ আছিল ভাৰতে তাজিকিস্তানৰ বিৰুদ্ধে এই একেখন ষ্টেডিয়ামতে ২-১ গ’লত জয়লাভ। এই মেচখনো তাৎপৰ্যপূৰ্ণ আছিল কাৰণ এইখনেই আছিল মুখ্য প্ৰশিক্ষক খালিদ জামিলৰ অধীনত অনুষ্ঠিত হোৱা প্ৰথমখন মেচ। এই প্ৰীতি মেচসমূহক এআইএফএফে ৰাষ্ট্ৰীয় দলৰ বাবে এক গুৰুত্বপূৰ্ণ সুযোগ হিচাপে লয়। তেওঁলোকে মূল্যৱান আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতা প্ৰদান কৰিব আৰু ভৱিষ্যতৰ মহাদেশীয় প্ৰতিযোগিতা আৰু বিশ্বকাপৰ অৰ্হতা মেচৰ পূৰ্বে দলীয় সমন্বয় উন্নত কৰাত সহায় কৰিব। ফিফাৰ উইণ্ডোৰ সময়ত ভাৰতে দুবাৰকৈ তাজিকিস্তানৰ বিৰুদ্ধে খেলিব। মধ্য এছিয়াৰ পৰিস্থিতিত চিনাকি প্ৰতিদ্বন্দ্বী দলৰ বিৰুদ্ধে দুয়োখন মেচ ভাৰতৰ বাবে কঠিন পৰীক্ষা হ’ব বুলি আশা কৰা হৈছে।ভ্বচ

## ১৮ অনুৰ্ধ এছিয়া কাপত অংশগ্ৰহণৰ বাবে জাপান লৈ ৰাওনা ভাৰতৰ পুৰুষ আৰু মহিলা হকী দল

**নতুন দিল্লী, ৩০ মে’ঃ** ১৮ বছৰ অনুৰ্ধ এছিয়া কাপ ২০২৬ত অংশগ্ৰহণৰ বাবে ভাৰতৰ ১৮ বছৰ অনুৰ্ধ পুৰুষ আৰু মহিলা হকী দলে জাপানৰ কাকামিগাহাৰালৈ ৰাওনা হৈছে। ২৯ মে’ৰ পৰা ৬ জুনলৈ অনুষ্ঠিত হ’ব এই প্ৰতিযোগিতা। ভাৰতীয় পুৰুষৰ দলটোৱে সোমবাৰে সন্ধিয়া দিল্লীৰ পৰা ৰাওনা হোৱাৰ বিপৰীতে মহিলা দলটোৱে মঙলবাৰে পুৱা জাপান অভিমুখে ৰাওনা হয়। দুয়োটা দলে ভূপালত ৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰ আৰু অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অনুশীলন মেচৰ অন্তত এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। পুৰুষ দলৰ প্ৰশিক্ষক কৰ্মচাৰীৰ ভিতৰত চৰ্দাৰ সিং আৰু ৰজনীশ মিশ্ৰ, ভাৰতীয় মহিলা দলৰ প্ৰশিক্ষক হিচাপে আছে প্ৰাক্তন অধিনায়ক ৰাণী। এছিয়া কাপৰ প্ৰস্তুতিৰ অংশ হিচাপে ভাৰতীয় পুৰুষ আৰু মহিলা দলে ভূপালত অষ্ট্ৰেলিয়াৰ ১৮ বছৰ অনুৰ্ধ দলৰ বিৰুদ্ধে চাৰিখনকৈ অনুশীলন মেচ খেলিছিল। ভাৰতীয় পুৰুষ দলটোৱে এখন মেচত জয়লাভ, এখন পৰাজয়, আৰু দুখন মেচ ড্ৰ’ হয়। ভাৰতীয় মহিলা দলটোৱে জয়ৰে শৃংখলাৰ সামৰণি মাৰে। এই মেচসমূহে খেলুৱৈসকলৰ বাবে মূল্যৱান আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতা প্ৰদান কৰিছিল। ভাৰতীয় পুৰুষ দলৰ অধিনায়ক হিচাপে থাকিব ফৰৱাৰ্ড খেলুৱৈ কেতন কুশৱাহাই। ভাৰতক পুল এ-ত স্থান দিয়া হৈছে। ভাৰতীয় দলটোৱে ২৯ মে’ৰ পৰা কাজাখস্তানৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। ইয়াৰ পিছত জাপান (৩১ মে’), কোৰিয়া (১ জুন) আৰু চাইনিজ টাইপেই (৩ জুন)ৰ বিৰুদ্ধে খেলিব। পুল বি-ত মালয়েছিয়া, পাকিস্তান, বাংলাদেশ, আৰু চীনৰ দল অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা পুলৰ শীৰ্ষ দুটা দলে ৫ জুনত ছেমিফাইনেললৈ প্ৰৱেশ কৰিব আৰু ফাইনেলখন ৬ জুনত অনুষ্ঠিত হ’ব। ভাৰতীয় মহিলা দলৰ অধিনায়ক হ’ব ছুইটি কুজুৰ। মহিলা দলটোক পুল এ-ত স্থান দিয়া হৈছে। ভাৰতে ৩০ মে’ত মালয়েছিয়াৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব, তাৰ পিছত ৱ মে’ত কোৰিয়াৰ বিৰুদ্ধে আৰু ২ জুনত ছিংগাপুৰৰ বিৰুদ্ধে খেলিব। দুয়োটা পুলৰ শীৰ্ষ দুটা দলে ছেমি ফাইনেলত প্ৰৱেশ কৰিব।

## পাকিস্তানৰ বিৰুদ্ধে এদিনীয়া শৃংখলা নেখেলে অষ্ট্ৰেলিয়াৰ মিচেল মাৰ্ছে

**কৰাচী, ৩০ মে’ঃ** উপঅধিনায়ক মিচেল মাৰ্ছক গোৰোহাৰ আঘাতৰ বাবে পাকিস্তানৰ বিৰুদ্ধে শৃংখলাৰ বাবে অষ্ট্ৰেলিয়াৰ এদিনীয়া দলৰ পৰা বাদ দিয়া হৈছে। বাংলাদেশ ছিৰিজৰ বাবেও তেওঁৰ উপলব্ধতা অনিশ্চিত। এনে পৰিস্থিতিত জোছ ইংলিছক পাকিস্তান ভ্ৰমণৰ বাবে দলৰ নেতৃত্বত থাকিব। ক্ৰিকেট অষ্ট্ৰেলিয়াই এই কথা নিশ্চিত কৰি কয়-মিচেল মাৰ্ছক গোৰোহাৰ আঘাতৰ বাবে পাকিস্তানৰ বিৰুদ্ধে এদিনীয়া শৃংখলাৰ পৰা বাহিৰ কৰা হৈছে। মাৰ্ছৰ অনুপস্থিতিত উইকেটকীপাৰ জোছ ইংলিছে পাকিস্তানত অষ্ট্ৰেলিয়ান দলৰ অধিনায়কত্ব কৰিব। আই পি এল ছিজনৰ লক্ষ্ণৌ ছুপাৰ জায়েন্টছৰ অন্তিমখন মেচত অংশ লক্সব নোৱাৰা মাৰ্ছ পৰৱৰ্তী তদন্ত আৰু চিকিৎসাৰ বাবে পৰৱৰ্তী অধিসূচনা নোহোৱালৈকে পাৰ্থত থাকিব। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল) ২০২৬ত লক্ষ্ণৌ ছুপাৰ জায়েন্টছৰ অংশ হিচাপে অংশগ্ৰহণ কৰা মিচেল মাৰ্ছে শনিবাৰে পঞ্জাৱ কিংছৰ বিৰুদ্ধে দলটোৰ চূড়ান্ত মেচত আঘাতৰ বাবে খেলিব নোৱাৰিলে। ১৯ মে’ত ৰাজস্থান ৰয়েলছ (আৰ আৰ)ৰ বিৰুদ্ধে খেলখনৰ অন্তত মাৰ্ছে অষ্ট্ৰেলিয়ালৈ উভতি আহিছিল যদিও গোৰোহাৰ আঘাতৰ বাবে পাকিস্তানলৈ যাব পৰা নাছিল। মিচেল মাৰ্ছৰ শৃংখলাৰ পৰা বাদ পৰাটো অষ্ট্ৰেলিয়াৰ বাবে এক ডাঙৰ আঘাত, কিয়নো এই ছিজনত মাৰ্ছে বেটৰ সৈতে ব্যতিক্ৰমীভাৱে ভাল প্ৰদৰ্শন কৰিছিল। মাৰ্ছে ১৩খন মেচত গড়ে ৪৩.৩০ ৰান কৰি ৫৬৩ ৰান সংগ্ৰহ কৰিছে, য’ত এটা শতক আৰু তিনিটা অৰ্ধশতক আছে। ২২ এপ্ৰিলত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ৫৫ ৰান কৰাৰ পাছত মাৰ্ছে ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুৰ বিৰুদ্ধে ১১১ ৰান সংগ্ৰহ কৰে। ইয়াৰ পিছত তেওঁ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৯০ ৰান সংগ্ৰহ কৰে। পিছৰ মেচখনত আৰ আৰৰ বিৰুদ্ধে মাৰ্ছে ৯৬ ৰান সংগ্ৰহ কৰে। এই শেহতীয়া বিপৰ্যয়ৰ অৰ্থ হ’ল অষ্ট্ৰেলিয়াই এই শৃংখলাৰ বাবে চতুৰ্থজন অধিনায়কৰ ওপৰত নিৰ্ভৰ কৰিব, কিয়নো আই পি এল প্লে অফৰ প্ৰতিশ্ৰুতিৰ বাবে কামিন্স আৰু উপ-অধিনায়ক ট্ৰেভিছ হেড দুয়োজনেই উপলব্ধ নহয়। অষ্ট্ৰেলিয়াৰ দুৰ্বল দলটোৱেও পাকিস্তান আৰু বাংলাদেশৰ বগা বল ভ্ৰমণৰ বাবে নিজৰ দ্ৰুত বলিং ত্ৰিপুৰা শচজোছ হেজলউড, মিচেল ষ্টাৰক, আৰু পেট কামিন্সগ্লৰ অবিহনেও খেলিব। আই পি এল সমাপ্ত হোৱাৰ পাছতহে হেডে দলত যোগদান কৰাৰ সম্ভাৱনা আছে। পাকিস্তানৰ বিৰুদ্ধে এদিনীয়া শৃংখলা ৩০ মে’ৰ পৰা ৪ জুনলৈ ইছলামবাগ আৰু লাহোৰত অনুষ্ঠিত হ’ব আৰু ইয়াৰ পিছত অষ্ট্ৰেলিয়াই বাংলাদেশলৈ যাত্ৰা কৰিব আৰু সীমিত অভাৰৰ শৃংখলাৰ বাবে। পাকিস্তান ভ্ৰমণৰ বাবে অষ্ট্ৰেলিয়াৰ এদিনীয়া দল ঃ জোছ ইংলিছ (অধিনায়ক), এলেক্স কেৰী, নাথান এলিছ, কেমেৰন গ্ৰীণ, মেথিউ কুহনেমেন, মাৰ্নাছ লাবুশ্বেন, ৰাইলী মেৰেডিথ, অলিভাৰ পিক, মেথিউ ৰেনশ্ব, টানবীৰ সংঘ, লিয়াম স্কট, মেট শ্বৰ্ট, বিলি ষ্টেনলেক, এডাম জাম্পা।

## মেছিৰ আঘাতৰ জল্পনা-কল্পনাক নুই কৰিছে ইণ্টাৰ মিয়ামিয়ে

**মিয়ামি, ৩০ মে’ঃ** লিয়নেল মেছিৰ আঘাতৰ সন্দৰ্ভত চলি থকা জল্পনা-কল্পনাক নুই কৰিছে ইণ্টাৰ মিয়ামি চিএফে। ক্লাবটোৱে কয় যে মেছিৰ বাওঁ হাতৰ আঘাতৰ বাবে ফিলাডেলফিয়া ইউনিয়নৰ বিৰুদ্ধে খেলখনৰ বাবে তেওঁক বদলি কৰা হৈছিল। দেওবাৰে ফিলাডেলফিয়া ইউনিয়নৰ বিৰুদ্ধে এম এল এছ খেলৰ সময়ত মেছিয়ে অস্বস্তিত পৰা যেন দেখা গৈছিল আৰু ফ্ৰী কিক লৈ খেলপথাৰ এৰি থৈ গৈছিল। উদ্বেগ প্ৰকাশ কৰা হৈছিল যে বদলি হোৱাৰ পিছত মেছিয়ে বেঞ্চত বহি নাথাকি চিকিৎসা কৰ্মচাৰীৰ সদস্যৰ সৈতে পোনে পোনে লকাৰ ৰুমলৈ গৈছিল। ফিফা বিশ্বকাপ ২০২৬ৰ পূৰ্বে মেছিৰ এনেদৰে বিদায়ে আঘাতৰ আশংকা সৃষ্টি কৰিছিল। মঙলবাৰে ইণ্টাৰ মিয়ামি চিএফে প্ৰকাশ কৰে যে প্ৰাথমিক পৰীক্ষাত খেলুৱৈজনৰ বাওঁ হামষ্ট্ৰিঙত পেশীৰ আঘাত আৰু অতিৰিক্ত হেঁচা দেখা গৈছে। সোমবাৰে অধিক চিকিৎসা পৰীক্ষাৰ পিছত প্ৰাৰম্ভিক লক্ষণসমূহে তেওঁৰ বাওঁ হামষ্ট্ৰিঙত পেশীৰ আঘাত আৰু অতিৰিক্ত হেঁচা প্ৰকাশ কৰে। তেওঁৰ শাৰীৰিক কাৰ্যকলাপলৈ ঘূৰি অহাৰ সময় তেওঁৰ ক্লিনিকেল আৰু কাযকৰী অগ্ৰগতিৰ ওপৰত নিৰ্ভৰ কৰিব। ২০২৬ চনৰ ১১ জুনৰ পৰা ১৯ জুলাইলৈ আমেৰিকা, মেক্সিকো, কানাডাত অনুষ্ঠিত হ’ব। আৰ্জেণ্টিনা ডিফেণ্ডিং চেম্পিয়ন আৰু এইবাৰ নিজৰ খিতাপ ৰক্ষাৰ বাবে চেষ্টা কৰিব। গ্ৰুপ জে-ত আৰ্জেণ্টিনাই আলজেৰিয়া, অষ্ট্ৰিয়া আৰু জৰ্ডানৰ বিৰুদ্ধে খেলিব। যদিও মেছিয়ে নিজৰ অভিলেখ ষষ্ঠ বিশ্বকাপত অংশগ্ৰহণ কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰা নাই, তথাপিও তেওঁ এই গ্ৰীষ্মকালত ইণ্টাৰ মিয়ামিৰ সতীৰ্থ ৰড্ৰিগো ডি পলৰ সৈতে লিয়নেল স্কাল’নিৰ দলৰ অধিনায়ক হিচাপে কাম কৰাৰ সম্ভাৱনা আছে। মেছিয়ে ২০২২ চনত আৰ্জেণ্টিনাক বিশ্বকাপ খিতাপ দখল কৰিছিল। বিশ্বকাপৰ অভিলেখ চছখন খেলত অংশগ্ৰহণ কৰি ১৩টা গ’ল আৰু ৮টা এছিষ্ট দিছে। ফ্ৰান্সৰ বিৰুদ্ধে ফাইনেলত তাৰকাময় প্ৰদৰ্শনেৰে দলটোৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল মেছিয়ে।

## ৱেষ্ট ইণ্ডিজ ভ্ৰমণক লৈ শ্ৰীলংকাৰ ক্ৰিকেট দল ঘোষণা

### দুয়োটা দলে তিনিখন এদিনীয়া, তিনিখন টি-২০ আৰু দুখন টেষ্ট খেলিব



**কলম্বো, ৩০ মে’ ঃ** ৱেষ্ট ইণ্ডিজ ভ্ৰমণক লৈ শ্ৰীলংকাই ক্ৰিকেট দল ঘোষণা কৰিছে। শ্ৰীলংকা ক্ৰিকেটে উইকেটকীপাৰ-বেটছমেন কুছাল মেণ্ডিছক হোৱাইট বলৰ অধিনায়ক হিচাপে নিযুক্তি দিছে। ৩ জুনৰ পৰা ৭ জুলাইলৈ দুয়োটা দলে তিনিখন এদিনীয়া, তিনিখন টি-২০ আৰু দুখন টেষ্ট খেলিব। ইফালে চাৰিদিনীয়া ৱাৰ্ম আপ মেচো অনুষ্ঠিত হোৱাৰ কথা। ৩১ বছৰীয়া কুছাল মেণ্ডিছে এদিনীয়া আৰু টি-২০ দুয়োটা শৃংখলাত শ্ৰীলংকাৰ অধিনায়ক হিচাপে থাকিব, আনহাতে ধনঞ্জয়া ডি ছিলভাই দুখন মেচৰ টেষ্ট শৃংখলাৰ বাবে টেষ্টৰ অধিনায়ক হৈ থাকিব। শ্ৰীলংকা ক্ৰিকেটে ছ’চিয়েল মিডিয়াত এই দলসমূহৰ কথা ঘোষণা কৰি কয় যে ২০২৬ চনত শ্ৰীলংকাৰ ৱেষ্ট ইণ্ডিজ ভ্ৰমণৰ বাবে শ্ৰীলংকা ক্ৰিকেট নিৰ্বাচন সমিতিয়ে দল নিৰ্বাচন কৰিছে। এই ভ্ৰমণত তিনিওটা ফৰ্মেটতে মেচ অনুষ্ঠিত হ’বঃ এদিনীয়া, টি-২০, আৰু টেষ্ট ক্ৰিকেট। চলিত বৰ্ষৰ আৰম্ভণিতে শ্ৰীলংকাৰ টি-২০ বিশ্বকাপৰ হতাশাজনক অভিযানৰ পিছতে এই নেতৃত্বৰ পৰিৱৰ্তন ঘটিছে। শনাকাৰ অধিনায়কত্বত দলটোৱে নকআউট পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে। ১৬ জনীয়া টি-২০ দলত শনাকা অব্যাহত থকাৰ বিপৰীতে এদিনীয়া দলত অন্তৰ্ভুক্ত হোৱাৰ পিছতো টি-২০ দলৰ পৰা বাদ পৰিছে আছালকা। ষ্টাৰ অল ৰাউণ্ডাৰ ৱানিন্দু হাছাৰাংগা ঘূৰি আহিছে। টি-২০ বিশ্বকাপৰ সময়ত হোৱা হামষ্ট্ৰিঙৰ আঘাতৰ পৰা সুস্থ হৈ উঠাৰ পিছত তেওঁ এদিনীয়া আৰু টি-২০ দুয়োটা দলতে অন্তৰ্ভুক্ত হৈছে। এই আঘাতৰ বাবে ফেব্ৰুৱাৰী মাহৰ আৰম্ভণিৰ পৰাই তেওঁক খেলপথাৰৰ পৰা আঁতৰাই ৰখাৰ লগতে লক্ষ্ণৌ ছুপাৰ জায়েন্টছৰ সৈতে আই পি এলৰ ছিজন খেলিব পৰা নাছিল। কামিন্দু মেণ্ডিছে হোৱাইট বলৰ দুয়োটা ফৰ্মেটতে উপ অধিনায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰিব। আন আন অভিজ্ঞ খেলুৱৈ যেনে পথুম নিছাংকা, মহীশ থিকশানা, আৰু দুযমন্ত চমীৰাকো দলত অন্তৰ্ভুক্ত কৰা হৈছে। ৩-৮ জুনত তিনিখন মেচৰ এদিনীয়া শৃংখলাৰ জৰিয়তে এই ভ্ৰমণ আৰম্ভ হ’ব। ইয়াৰ পিছত ১১, ১৩, আৰু ১৪ জুনত তিনিখন টি-২০ অনুষ্ঠিত হ’ব। ১৮-২১ জুনত চাৰিদিনীয়া ৱাৰ্ম আপ মেচ অনুষ্ঠিত হ’ব, তাৰ পিছত ২৫-২৯ জুন আৰু ৩-৭ জুলাইত ছাৰ ভিভিয়ান ৰিচাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হ’ব টেষ্ট মেচ দুখন।

## এফ আই এইচ প্ৰ’ লীগৰ ইউৰোপীয় লেগত ভাৰতীয় পুৰুষ হকী দলটোক নেতৃত্ব দিব হৰমনপ্ৰীত সিঙেবিশ্বকাপৰ পূৰ্বে এই লীগ হ’ব প্ৰস্তুতিমূলক প্ৰতিযোগিতা

**নতুন দিল্লী, ৩০ মে’ ঃ** অহা মাহত অনুষ্ঠিত হ’বলগীয়া এফ আই এইচ প্ৰ’ লীগৰ ইউৰোপীয় লেগৰ বাবে ২৪ জনীয়া ভাৰতীয় পুৰুষ হকী দলটোক নেতৃত্ব দিবলৈ অধিনায়ক হৰমনপ্ৰীত সিঙে বুধবাৰে উভতি আহে। আগষ্টত অনুষ্ঠিত হ’বলগীয়া বিশ্বকাপৰ পূৰ্বে এফ আই এইচ প্ৰ’ লীগ হ’ব এক গুৰুত্বপূৰ্ণ প্ৰস্তুতিমূলক প্ৰতিযোগিতা। ব্যক্তিগত কাৰণ উল্লেখ কৰি ফেব্ৰুৱাৰী মাহত প্ৰ’ লীগৰ হোবাৰ্ট লেগ খেলা নাছিল হৰমনপ্ৰীতে। ভাৰতীয় দলটোৱে ৭ জুনৰ পৰা ৯ জুনলৈ ব্ৰাছেলছলৈ যাত্ৰা কৰিব প্ৰশিক্ষণ আৰু প্ৰীতি মেচ। এই চমু শিবিৰৰ পিছত ভাৰতীয় দলটোৱে ১০ জুন তাৰিখৰ পৰা নেদাৰলেণ্ডৰ ৰটাৰডেমত প্ৰ’ লীগৰ খেলৰ বাবে উপস্থিত হ’ব, য’ত ১৪ জুনৰ পৰা ২১ জুনলৈ জাৰ্মানী আৰু নেদাৰলেণ্ডৰ বিৰুদ্ধে খেলিব। ইয়াৰ পিছত ভাৰতীয় দলটোৱে লণ্ডনলৈ যাত্ৰা কৰিব, য’ত ২৩ জুনৰ পৰা ২৮ জুনলৈ প্ৰ’ লীগত পাকিস্তান আৰু ইংলেণ্ডৰ বিৰুদ্ধে খেলিব। ১৫ আগষ্টৰ পৰা আৰম্ভ হ’বলগীয়া বিশ্বকাপৰ পূৰ্বে মূল দলটোক আৰু অধিক শক্তিশালী কৰিবলৈ অভিজ্ঞ খেলুৱৈ আৰু যুৱ প্ৰতিভাৰ ভাল মিশ্ৰণ আছে দলটোত। ভাৰতীয় অধিনায়ক তথা ডিফেন্সিভ হৰমনপ্ৰীতক সহায় কৰিব অমিত ৰোহিদাস, জৰ্মানপ্ৰীত সিং, জুগ্ৰাজ সিং, আৰু যুৱ ডিফেণ্ডাৰ অমনদীপ লাকৰাকে ধৰি শক্তিশালী ডিফেন্সিভ ইউনিটে। মিডফিল্ডৰ নেতৃত্বত থাকিব অভিজ্ঞ হাৰ্দিক সিং আৰু মনপ্ৰীত সিঙৰ লগতে বিবেক সাগৰ প্ৰসাদ আৰু ৰাজ কুমাৰ পালে। ফৰৱাৰ্ড লাইনত আছে ফৰৱাৰ্ড মনদ্বীপ সিং, সুখজীত সিং, অভিষেক, আৰু চেলভাম কাৰ্তি। ষ্টেণ্ডবাই হিচাপে গ’লৰক্ষক কৃষ্ণ বাহাদুৰ পাঠক, ফৰৱাৰ্ড অৰাইজিৎ সিং হুণ্ডল আৰু মনিন্দৰ সিং, ডিফেণ্ডাৰ পূভান্না চন্দুৰা ববী, আৰু মিডফিল্ডাৰ বিষ্ণু কান্ত সিঙক ষ্টেণ্ডবাই হিচাপে নিৰ্বাচিত কৰা হৈছে। দল নিৰ্বাচনৰ সন্দৰ্ভত মন্তব্য কৰি মুখ্য প্ৰশিক্ষক ক্ৰেগ ফুলটনে কয় যে প্ৰশিক্ষণ অতি ভালদৰে চলি আছে, আৰু দলটো ভাল ফৰ্মত আছে। আমাক জুন মাহত এফ আই এইচ প্ৰ’ লীগৰ মেচসমূহৰ প্ৰয়োজন, য’ত বিশ্বমানৰ দলৰ বিৰুদ্ধে কঠিন মেচ অনুষ্ঠিত হ’ব, যাতে আমাক বিশ্বকাপৰ প্ৰস্তুতিৰ ক্ষেত্ৰত আমি ক’ত থিয় দিছো তাৰ অনুভৱ কৰিব পাৰি। আমি এই প্ৰত্যাহ্বানৰ বাবে আগ্ৰহেৰে আগ্ৰহী।

এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন